www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

মানুহ হৈছে মাত্ৰ এটা খাগৰিহে। কিন্তু খাগৰিটোৰ চিন্তা কৰিবলৈ শক্তি আছে। - পাস্কেল।

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰচত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতত জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ । সংখ্যা - ২৩২ । শুকুৰবাৰ । ১৪ নৱেম্বৰ, ২০২৫ চন । ২৭ কাতি, ১৯৪৭ শক । VOL - 6 । NO.- 232 । Friday । 14th November, 2025 । মূল্য ঃ ১০.০০ টকা । মুঠ পৃষ্ঠা ঃ ৮

## আজিৰ কলম

### অসমৰ ৰাজনীতিত এতিয়া তিনি গগৈৰ তোলপাৰ



শৰৎ চন্দ্ৰ চিৰিংফুকন

অসমৰ ৰাজনৈতিক মঞ্চত এতিয়া সাধাৰণ নিৰ্বাচনৰ সময় সমাগত। ২০২৬ ৰ নিৰ্বাচনলৈ এতিয়া মাজত মাথোন কেইটামান মাহহে আছেগৈ। '২৬ত অসমত সাধাৰণ নিৰ্বাচন হ'বই। এইকেইটা মাহৰ ভিতৰতে ৰাজ্যখনৰ ৰাজনৈতিক পট পৰিৱৰ্তন হোৱাৰ পথত। ৰাজ্যখনৰ শাসনাধিষ্ঠ বিজেপি চৰকাৰ বা দলটোকে মুখ্য কৰি অন্যান্য দল-সংগঠনবোৰে অতি সম্প্ৰতি ৰাজনৈতিক পথাৰখনৰ পানী বোকা একাকাৰ কৰি পৰস্পৰে পৰস্পৰলৈ ▶▶৬ পৃষ্ঠাত

## ৰাজ্যৰ শিক্ষা বিভাগত ৮,২০৬ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান

অসম বাৰ্তা, গুৱাহাটী, ১৩ নৱেম্বৰঃ ৰাজ্যত স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি শিক্ষা বিভাগত ৮ হাজাৰ ২০৬ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ▶▶৬ পৃষ্ঠাত



## মহম্মদ জয়নাল বিকৃত মনৰ মানুহ! অধ্যাপক শব্দটোৰেই কলঙ্কিত কৰিলে

### পাকিস্তানৰ সমৰ্থনত পোষ্ট আৰু মহিলাৰ অপমানজনক মন্তব্যৰ গোচৰত সৰ্বোচ্চ ন্যায়ালয়ৰ জামিন নাকচ



নিউজ ডেস্ক, অসম বাৰ্তা, ১৩ নৱেম্বৰ ঃ কোকৰাঝাৰৰ গোসাঁইগাঁৱৰ অধ্যাপক মহম্মদ জয়নাল অবেদিনৰ অন্তৰ্বৰ্তীকালীন জামিনৰ আবেদন ভাৰতৰ সৰ্বোচ্চ ন্যায়ালয়েও প্ৰত্যাখ্যান কৰিছে। ইয়াৰ আগতে গোসাঁইগাঁও আদালত আৰু গুৱাহাটী উচ্চ ন্যায়ালয়েও তেওঁৰ জামিন নাকচ কৰিছিল। চলিত বৰ্ষৰ মে' মাহত ফেচবুকত পাকিস্তানৰ সমৰ্থনত ▶▶৬ পৃষ্ঠাত

### ৩২খন বিস্ফোৰক ভৰ্তি বাহনেৰে কৰিছিল কূটাঘাতৰ ভয়ংকৰ পৰিকল্পনা

# ৮ বোমাৰুৰ দেশ ৰক্তাক্ত কৰাৰ ভয়ংকৰ পৰিকল্পনা



### ২০ কুইন্টলতকৈ অধিক এন পি কে সাৰ নাইট্ৰজেন, ফছফৰাছ আৰু পটাছিয়ামৰ মিশ্ৰণ ক্ৰয়

অনলাইন ডেস্ক, অসম বাৰ্তা, ১৩ নৱেম্বৰ ঃ দিল্লীৰ লালকিল্লাৰ গাড়ী বিস্ফোৰণৰ সৈতে সন্ত্ৰাসবাদীৰ ষড়যন্ত্ৰ জড়িত বুলি চোৰাংচোৱা সংস্থাসমূহে প্ৰকাশ কৰিছে। একাধিক চহৰত সমন্বিত আক্ৰমণৰ বাবে ৩২খন বাহনত বিস্ফোৰক সামগ্ৰী স্থাপন কৰাৰ পৰিকল্পনা প্ৰকাশ পাইছে। সংবাদ সংস্থা এ এন আয়ে প্ৰকাশ কৰিছে এই তথ্য। চোৰাংচোৱা সূত্ৰৰ মতে, অভিযুক্তই ইতিমধ্যে দুখন বাহন— এখন হুণ্ডাই আই২০ আৰু এখন ফ'ৰ্ড ইকোস্প'ৰ্ট — আক্ৰমণত সম্ভাব্য ব্যৱহাৰৰ বাবে সংশোধন কৰিবলৈ আৰম্ভ কৰা বুলি ধৰা পৰাৰ পিছতে চলি থকা তদন্তই অধিক গতি লাভ কৰিছে। এতিয়া বিষয়াসকলে তদন্ত কৰি আছে যে ধাৰাবাহিক বিস্ফোৰণ সংঘটিত কৰাৰ বহল পৰিকল্পনাৰ অংশ হিচাপে আন গাড়ী প্ৰস্তুত কৰা হৈছিল নেকি। চোৰাংচোৱাৰ সূত্ৰই এএনআইক জনোৱা মতে, "আই২০ আৰু ইকোস্প'ৰ্টৰ পিছত পোহৰলৈ আহিল যে আৰু ৩২খন পুৰণি বাহন সাজু কৰাৰ প্ৰস্তুতি চলি আছে যিবোৰত বিস্ফোৰক সংযুক্ত হ'ব পাৰে।" তদন্তকাৰীয়ে জনোৱা ▶▶৬ পৃষ্ঠাত

## বিৰোধীৰ বৈঠকক সাপ-নেউলৰ আড্ডা আখ্যা পীযূষ হাজৰীকাৰ



নিউজ ডেস্ক, অসম বাৰ্তা, ১৩ নৱেম্বৰ ঃ বুধবাৰে অসমৰ বিৰোধী দলসমূহৰ যুটীয়া বৈঠকক লৈ বিজেপিৰ জ্যেষ্ঠ মন্ত্ৰী পীযূষ হাজৰীকাই কটাক্ষ কৰে। তেওঁৰ মতে, এই বৈঠকত কোনো গুৰুত্বপূৰ্ণ ৰাজনৈতিক বিষয়ৰ আলোচনা হোৱা নাই, কেৱল আগন্তুক ▶▶৬ পৃষ্ঠাত

### গুৱাহাটীৰ তপন দে'ক হত্যা কৰি লুটি নিলে বাহন

## মেঘালয়ৰ ডাউকীৰ অসমৰ যুৱকৰ মৃতদেহ উদ্ধাৰ

অসম বাৰ্তা, শ্বিলং, ১৩ নৱেম্বৰ ঃ মেঘালয়ত অসমৰ এজন লোকক নৃশংসভাৱে হত্যা দুৰ্বৃত্তৰ। জানিব পৰা মতে, হত্যাৰ পাছত তেওঁৰ মৃতদেহ ঘন জংঘলৰ এডাল গছত ৰছীৰে বান্ধি ওলোমাই থয়। মৃত লোকজন তপন দে' বুলি চিনাক্ত হৈছে। মেঘালয়ৰ ডাউকীৰ পেঙ্গুলা ▶▶৬ পৃষ্ঠাত



### তিনি গগৈক "মিঞাৰ আটাইতকৈ ডাঙৰ পৃষ্ঠপোষক" বুলি কটাক্ষ মুখ্যমন্ত্ৰীৰ

## বিজেপি নাথাকিলে গোটেই অসম মিঞাই লৈ যাব!

স্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ নৱেম্বৰ ঃ "যিদিনা বিজেপি দিছপুৰৰ পৰা গুচি যাব, সেইদিনাই গোটেই অসমখন মিঞাই লৈ যাব। এই কথা মই ভৱিষ্যদ্বাণী কৰি থৈ গ'লোঁ।" বৃহস্পতিবাৰে গহপুৰৰ ভোলাগুৰিত মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ অনুষ্ঠানৰ ▶▶৬ পৃষ্ঠাত



## লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ত সহপাঠীৰে অপকৰ্মৰ অপচেষ্টা! বিহাৰৰ ছাত্ৰ গ্ৰেপ্তাৰ

### প্ৰস্ৰাৱাগাৰৰ দুৱাৰ বন্ধ কৰি অপকৰ্মৰ চেষ্টা চলোৱাৰ অভিযোগ

স্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ নৱেম্বৰ ঃ লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ত এম বি বি এছ পঢ়ি থকা এগৰাকী ছাত্ৰীৰ সৈতে অপকৰ্মৰ অপচেষ্টা চলোৱাৰ গুৰুতৰ অভিযোগত মহাবিদ্যালয়ৰে এজন ছাত্ৰক বুধবাৰে লীলাবাৰী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। অভিযুক্ত যুৱকজনৰ নাম সুশীল কুমাৰ আৰু তেওঁৰ ঘৰ বিহাৰত



বুলি জানিব পৰা গৈছে। ছাত্ৰীগৰাকীয়ে দাখিল কৰা এজাহাৰত উল্লেখ আছে যে মঙলবাৰে বিশেষ পৰীক্ষা শেষ কৰি তেওঁ প্ৰস্ৰাৱাগাৰলৈ ▶▶৬ পৃষ্ঠাত

### শ্যামকানুৰ ভূমিকাৰ পৰা ভিছাৰ প্ৰকাৰলৈকে সন্দেহ প্ৰকাশ

## জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত এ পি ডব্লিউৰ শপতনামা

স্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ নৱেম্বৰ ঃ জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তত আছাম পাব্লিক ৱৰ্কছ (এ পি ডব্লিউ) আগভাগ লৈ আছে। বৃহস্পতিবাৰে ▶▶৬ পৃষ্ঠাত

## ৰাজ্যত পুনৰ বন্যহস্তীৰ কৰুণ মৃত্যু

### ওদালগুৰি জিলাত এমাহৰ ভিতৰতে চাৰিটাকৈ বন্যহস্তীৰ মৃত্যু



স্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৩ নৱেম্বৰ ঃ ওদালগুৰিৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চল সমূহত অব্যাহত আছে হাতী মানুহৰ সংঘাত। খাদ্যৰ সন্ধানত কাষৰীয়া বনাঞ্চলৰ পৰা ▶▶৬ পৃষ্ঠাত

## ২০২৬ত অকলেই নিৰ্বাচন খেলিবলৈ সাজু ইউপিপিএল

### ছয় জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰসংগই নিৰ্বাচনত প্ৰভাৱ পেলাব ঃ ইউ জি ব্ৰহ্ম

উজনী মাজুলী, ১৩ নৱেম্বৰ ঃ মাজুলী জিলাৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প, ভূমি সংৰক্ষণ বিভাগে ৰূপায়ণ কৰা বিভিন্ন আঁচনিৰ পৰ্যালোচনাৰ বাবে আজি পুৱা মাজুলীত উপস্থিত হয় ৰাজ্যৰ



হস্ততাঁত আৰু বস্ত্ৰশিল্প, ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম। মন্ত্ৰী গৰাকীয়ে নিমাতী ঘাটেৰে মাজুলীৰ কমলাবাৰী ঘাটত এখন বিশেষ ফেৰীৰে উপস্থিত হৈ বিশেষকৈ মাজুলী জিলাৰ ▶▶৬ পৃষ্ঠাত

## ৰণক্ষেত্ৰলৈ পৰিণত অগপৰ আলোচনা সভা

### চুতীয়া সংগঠনৰ মাজতে টনা-আঁজোৰা, অগপৰ সাংসদ-বিধায়কৰ সন্মুখতে অশ্ৰাব্য ভাষাৰে গালি-গালাজ

অসম বাৰ্তা, যোৰহাট, ১৩ নৱেম্বৰ ঃ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীক লৈ অগপৰ আয়োজন কৰা এখন আলোচনা সভা বৃহস্পতিবাৰে যোৰহাটৰ সাধনী ভৱনত হঠাৎ ৰণক্ষেত্ৰত পৰিণত হয়। অগপৰ ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, লোকসভাৰ সাংসদ ফণীভূষণ চৌধুৰী, বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, ভৱেন্দ্ৰ নাথ ভৰালী, পৃথ্বীৰাজ ৰাভা, প্ৰদীপ হাজৰিকা আৰু দলৰ অন্যান্য শীৰ্ষ নেতাৰ উপস্থিতিতে চুতীয়া জনগোষ্ঠীৰ বিভিন্ন সংগঠনৰ মাজত তীব্ৰ বাক্য বিনিময়, অশ্ৰাব্য ভাষাৰে গালি-গালাজ আৰু টনা-আঁজোৰাৰ ঘটনা সংঘটিত ▶▶৬ পৃষ্ঠাত

## দিল্লী বিস্ফোৰণ সম্পৰ্কত 'আপত্তিজনক' পোষ্ট কৰি অসমত গ্ৰেপ্তাৰ ১৫ জন

অসম বাৰ্তা, মহানগৰ, ১৩ নৱেম্বৰ ঃ দিল্লীৰ লালকিল্লাৰ সমীপত সোমবাৰে সংঘটিত গাড়ীবোমা বিস্ফোৰণৰ পিছত সামাজিক মাধ্যমত বিস্ফোৰণক সমৰ্থন জনোৱা বা হিংসাক মহিমামণ্ডিত কৰা 'আপত্তিজনক' পোষ্ট দিয়াৰ অভিযোগত অসম আৰক্ষীৰ অভিযান অব্যাহত ▶▶৬ পৃষ্ঠাত

### শীতকালীন অধিৱেশন আগুৱাই অনাৰো দাবী

## দিল্লী বিস্ফোৰণৰ পিছত সৰ্বদলীয় বৈঠকৰ দাবী কংগ্ৰেছৰ

অনলাইন ডেস্ক, অসম বাৰ্তা, ১৩ নৱেম্বৰ ঃ লালকিল্লাৰ সমীপত সংঘটিত ভয়ংকৰ বিস্ফোৰণৰ পিছত কংগ্ৰেছে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত চাপ বঢ়াইছে। বৃহস্পতিবাৰে দলটোৱে অতি শীঘ্ৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এখন ▶▶৬ পৃষ্ঠাত



### প্ৰথমবাৰৰ বাবে গুৱাহাটীত অনুষ্ঠিত হ'ব চিআৰপিএফৰ বাৰ্ষিক পেৰেড

## '২৬ত উত্তৰ-পূৰ্বাঞ্চলক প্ৰতিনিধিত্ব কৰিব অসমে



স্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ নৱেম্বৰ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ ইতিহাসত প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী (চিআৰপিএফ)ৰ বাৰ্ষিক পেৰেড গুৱাহাটীত অনুষ্ঠিত হ'ব। বৃহস্পতিবাৰে মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে (CMO) এই কথা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰিছে। ২০২৬ চনৰ প্ৰথম ছমাহত এই ঐতিহাসিক পেৰেড অনুষ্ঠিত হোৱাৰ সম্ভাৱনা প্ৰবল হৈ উঠিছে। লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই চিআৰপিএফৰ সঞ্চালক প্ৰধান (ডি জি) জি পি সিঙৰ লগতে বাহিনীৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এই সন্দৰ্ভত প্ৰাৰম্ভিক আলোচনা কৰে। আলোচনাত পেৰেডৰ স্থান, সময় আৰু অন্যান্য প্ৰস্তুতিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা হয় বুলি জানিব পৰা ▶▶৬ পৃষ্ঠাত

### ধনু-কাঁড় হাতত লৈ নগাঁও কঁপাই তুলিলে চাওঁতাল যুৱকে-যুৱতীয়ে

## জনজাতিৰ স্বীকৃতি নিদিলে বৃহৎ আন্দোলনৰ হুংকাৰ

স্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ১৩ নৱেম্বৰ ঃ "লাগে জনজাতীয় স্বীকৃতি... লাগে মানে লাগিবই" এই শ্ল'গানেৰে বৃহস্পতিবাৰে নগাঁও চহৰ কঁপাই তুলিলে প্ৰায় দুই সহস্ৰাধিক চাওঁতাল যুৱক-যুৱতীয়ে। হাতত ধনু-কাঁড়, কান্ধত মাদলৰ তালত মুখৰত ▶▶৬ পৃষ্ঠাত



**ৰহাৰ পৰা চাপৰমুখ ৰে'লৰে জংচন আৰু পশ্চিম কাৰ্বি আংলং সংযোগী পথত দুইলেনযুক্ত ৰে'লৰে উৰণ সেতু উদ্বোধন মুখ্যমন্ত্ৰীৰ**

# নগাঁৱৰ ৰহা সমষ্টিৰ ৩৭, ৮৩৩ গৰাকী মহিলালৈ উদ্যমিতা পুঁজিৰ চেক বিতৰণৰ শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ

### ৰহা সমষ্টিত নতুনকৈ চাৰি হাজাৰ পৰিয়ালক অৰুণোদয় প্ৰদান কৰা হ'ব ঃ মুখ্যমন্ত্ৰী



**অসম বাৰ্তা, নগাঁও, ১৩ নৱেম্বৰ ঃ** মহিলা সবলীকৰণৰ দিশত ৰাজ্যত ৰূপান্তৰমুখী যাত্ৰা অব্যাহত ৰাখি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আজি ৰহা বিধানসভা সমষ্টিৰ ৩৭, ৮৩৩ গৰাকী হিতাধিকাৰীলৈ উদ্যমিতা পুঁজিৰ চেক বিতৰণৰ শুভাৰম্ভ কৰে। ইয়াৰে ৩৬, ৭০৪ গৰাকী গ্ৰামাঞ্চলৰ আৰু ১, ১২৯ গৰাকী হিতাধিকাৰী নগৰাঞ্চলৰ মহিলা। এই উপলক্ষে ৰহা ক্ৰীড়া সন্থাৰ খেলপথাৰত আয়োজিত এখন বিশাল জনসভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰহা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আটাইতকৈ বেছি হিতাধিকাৰী আছে। সমষ্টিটোত আজি প্ৰায় ৪০ হাজাৰ আই-মাতৃয়ে ১০ হাজাৰকৈ টকা লাভ কৰা মানে ৰহা সমষ্টিয়ে প্ৰায় ৪০ কোটি টকা লাভ কৰিব বুলি তেওঁ কয়। তেওঁ কয় যে ৰাজ্যখনত প্ৰায় ৪০ লাখ আত্মসহায়ক গোটৰ সদস্যা আছে আৰু ইয়াৰে ইতিমধ্যে প্ৰায় ৮ লাখ মহিলাই বছৰি ব্যৱসায়-বাণিজ্য কৰি এক লাখ টকাতকৈও অধিক টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈ উঠিছে। এই মহিলাসকলৰ সংগঠিত শক্তিক সামাজিক আৰু ব্যক্তিগত দুয়োটা পৰ্যায়তে সহায়ৰ হাত আগবঢ়াই এখন আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান আৰম্ভ কৰিছে। আত্মসহায়ক গোটসমূহৰ সৈতে জড়িত হৈ নিজৰ পৰিয়ালৰ লগতে সামগ্ৰিকভাৱে ৰাজ্যখনৰ অৰ্থনীতিলৈ মহিলা সমাজে কিদৰে বৰঙণি আগবঢ়াইছে সেই দিশতো সভাত মুখ্যমন্ত্ৰীয়ে উদাহৰণ দাঙি ধৰে। ৰহা সমষ্টিৰ লাখপতি বাইদেউৰ সফলতাৰ কাহিনী উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সমষ্টিটোৰ দক্ষিণপাট সত্ৰ গাঁৱৰ বিজু মণি কাকতিয়ে ২০২৩ চনৰ পৰা সামূহিক বিনিয়োগ পুঁজি আৰু বেংক আদিৰ লগত জড়িত হৈ হস্ততাঁত আৰু মৰাপাটেৰে সামগ্ৰী প্ৰস্তুত কৰি আজি মাহে ৩০ হাজাৰ টকাকৈ বছৰি প্ৰায় ৩ লাখ ৬০ হাজাৰ টকাৰ ব্যৱসায় কৰিবলৈ সক্ষম হৈছে। তেনেদৰে, সমষ্টিটোৰ আমচৈ গাঁৱৰ সুন্দৰা পাটৰে গাহৰি, ছাগলি, কুকুৰা আৰু ধানখেতি আদিৰে মাহে ১৪ হাজাৰ টকাকৈ বছৰি প্ৰায় ১লাখ ৬৮ হাজাৰ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। তেওঁ কয় যে এই উদ্যমী মহিলাসকলৰ সাফল্যই প্ৰমাণ কৰিছে যে চৰকাৰৰ সদিচ্ছা আৰু সহায়ত মহিলা সমাজে স্ব-নিৰ্ভৰশীল হৈ সমাজ আৰু অৰ্থনীতিত গৌৰৱজনক স্থান লাভ কৰিব পাৰে। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ বিষয়ে সভাত উপস্থিত মহিলাসকলক অৱগত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উদ্যমিতা পুঁজি হিচাপে লাভ কৰা ১০ হাজাৰ টকাৰ প্ৰথম কিস্তিৰ ধন যদি মহিলাসকলে নিজৰ আত্মসহায়ক গোটত জমা কৰে, তেনেহলে ১ লাখ টকাৰ এটা পুঁজি গঠন হ'ব। এই পুঁজিৰে তেওঁলোকে সমূহীয়াভাৱে কোনো ব্যৱসায় আৰম্ভ কৰিব পাৰে। নতুবা তেওঁলোকে নিজস্বভাৱেও কোনো ব্যৱসায় আৰম্ভ কৰিব পাৰে, নাইবা পৰিয়ালৰ পূৰ্বতে থকা ব্যৱসায়ৰ সম্প্ৰসাৰণৰ কামতো এই পুঁজি ব্যৱহাৰ কৰিব পাৰে। ৬-৭ মাহ মানৰ পিছত চৰকাৰে এই পুঁজিৰ ব্যৱহাৰৰ মূল্যায়ন কৰিব বুলি উল্লেখ কৰি তেওঁ কয় যে মহিলাসকলে প্ৰাৰম্ভিক পুঁজি হিচাপে লাভ কৰা এই ১০ হাজাৰ টকা সদ্ ব্যৱহাৰ কৰিলে পৰৱৰ্তী পৰ্যায়ত ক্ৰমে ২৫ হাজাৰ টকা আৰু ৫০ হাজাৰ টকা লাভ কৰিব। অহা বছৰৰ পৰা বহু চৰকাৰী আঁচনি তিনিটাতকৈ বেছি সন্তান থকা পৰিয়ালে নাপাব বুলি সভাত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। বৰ্তমান চৰকাৰে মহিলাসকলৰ কল্যাণৰ বাবে নিৰন্তৰ কৰ্মযজ্ঞ অব্যাহত ৰাখিছে বুলি উল্লেখ কৰি তেওঁ কয় যে সামাজিক আৰু অৰ্থনৈতিকভাৱে মহিলাসকলৰ জীৱনলৈ পৰিৱৰ্তন অনাৰ দিশত ৰাজ্য চৰকাৰে কাম কৰি আছে। তেওঁ কয় যে বাল্য বিবাহৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ ফলত ৰাজ্যত বৰ্তমান বাল্য বিবাহ প্ৰায় বন্ধ হৈছে। চৰকাৰে বহু বিবাহ ৰোধৰ বাবে অসম বিধানসভাত আইন প্ৰণয়নৰ দিশত আগবঢ়াৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এজন পুৰুষে যদি দ্বিতীয় বিবাহ কৰে তেন্তে তেওঁৰ সাত বছৰ পৰ্যন্ত কাৰাবাস হ'ব। তেওঁ কয় যে এই সন্দৰ্ভত অহা ২৫ নৱেম্বৰত অসম বিধানসভাত এখন বিধেয়ক উত্থাপন কৰা হ'ব। এনেদৰে অসমৰ মহিলা সমাজক সুৰক্ষা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলিও তেওঁ কয়। মহিলা উদ্যমিতা অভিযান, বাল্য বিবাহ ৰোধ, বহু বিবাহ ৰোধৰ সমান্তৰালভাৱে চৰকাৰে কন্যাসকলৰ শিক্ষা গ্ৰহণত যাতে কোনো অসুবিধা নহয় তাৰ বাবে নিযুত মইনা আঁচনিখন আৰম্ভ কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে আজি অসমত বিদ্যালয়-মহাবিদ্যালয়সমূহত অধ্যয়নৰত ৪ লাখ ছোৱালীয়ে নিযুত মইনা আঁচনিৰ সুবিধা লাভ কৰি আছে। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনস্থ পৰিয়াললৈ ১১৭ টকাতে ১ কেজিকৈ মচুৰ দাইল, চেনি আৰু নিমখ যোগান আঁচনি আৰম্ভ কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অহা জানুৱাৰী মাহৰ পৰা ১০০ টকাতে ১ কেজিকৈ মচুৰ দাইল, চেনি আৰু নিমখ যোগান ধৰা হ'ব। ৰহা সমষ্টিত নতুনকৈ চাৰি হাজাৰ পৰিয়ালক অৰুণোদয় প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে মহিলাসকলৰ সুবিধাৰ্থে পূৰ্বৰ কোনো চৰকাৰে ইমানবোৰ আঁচনি তথা পদক্ষেপ গ্ৰহণ কৰা নাছিল। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ দৰিদ্ৰ জনসাধাৰণক সহায় কৰাৰ উদ্দেশ্যে আৰম্ভ কৰা অৰুণোদয় আঁচনিখনৰ বাবে মহিলাসকলৰ আদৰ-সন্মান বাঢ়িছে। আজিৰ এই অনুষ্ঠানত সামাজিক ন্যায় আৰু সবলীকৰণ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, বিধায়ক ক্ৰমে শশীকান্ত দাস, ৰূপক শৰ্মা, জিতু গোস্বামী, তিৱা স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰৰ উপৰি অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব বি কল্যাণ চক্ৰৱৰ্তী, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অভিযান সঞ্চালক কুন্তলমণি শৰ্মা বৰদলৈ প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে আজি ৰহা (২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ)ৰ পৰা চাপৰমুখ ৰে'লৱে জংচন আৰু পশ্চিম কাৰ্বি আংলং সংযোগী পথত ৮৪.৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ১.১৭৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ দুইলেনযুক্ত চাপৰমুখ ৰে'লৰে উৰণ সেতুখন উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসৰ উপৰি মাণ্ডলিক ৰে'ল প্ৰবন্ধক, লামডিঙৰ সমীৰ লোহানী প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# ডিব্ৰুগড়ত সত্ৰীয়া কলা কৃষ্টি কেন্দ্ৰৰ উদ্যোগত দুদিনীয়া ৰাস মহোৎসৱত বিপুল সঁহাৰি

### বৃন্দাবনলৈ ৰূপান্তৰ চৌকিডিঙ্গী খেলপথাৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৩ নৱেম্বৰ ঃ** প্ৰথমবাৰৰ বাবে ডিব্ৰুগড় চৌকিডিঙ্গী খেলপথাৰত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা শ্ৰীশ্ৰী কৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা সফল সামৰণি। ডিব্ৰুগড় চৌকিডিঙ্গী খেলপথাৰত ডিব্ৰুগড় সত্ৰীয়া কলা কৃষ্টি কেন্দ্ৰৰ উদ্যোগত আৰু ডিব্ৰুগড়বাসী ৰাইজৰ সহযোগত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা ৰাস মহোৎসৱৰ উপভোগ কৰিবলৈ হিল-দল ভাঙি ডিব্ৰুগড়বাসী ওলাই অহাৰ লগতে দুয়োদিনৰ কাৰ্যসূচীত ডিব্ৰুগড়বাসীৰ অভূতপূৰ্ব সঁহাৰি লাভ কৰাত উদ্যোক্তা সমিতিৰ তৰফৰ পৰা সভাপতি ডাঃ জয়ন্ত মাধৱ চলিহা আৰু সম্পাদক মোহন তামোলীয়ে ধন্যবাদ জ্ঞাপন কৰিছে। উদ্‌যাপন সমিতিৰ সহ- সম্পাদক চন্দন ফুকনে আঁতধৰা প্ৰথম দিনাৰ উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰি বক্তব্য প্ৰদান কৰে বিশিষ্ট সাহিত্যিক তথা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক, সাংবাদিক ৰাতুল বুঢ়াগোহাঁই, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° গোপাল হাজৰিকা, মটক স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্য্যবাহী সদস্য ডেভিড চেটিয়া, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰুণু গগৈ সোণোৱাল, আটছাৰ লাজাৰ নন্দ, তাই আহোম যুৱ পৰিষদৰ ৰাণা ৰঞ্জন গগৈ, মটক যুৱ ছাত্ৰ সন্মিলনৰ গিৰিশ পাত্ৰ আদিয়ে। আনহাতে দ্বিতীয় দিনা উদযাপন সমিতিৰ সম্পাদক মোহন তামোলীয়ে আঁত ধৰা অনুষ্ঠানত বন্তি প্ৰজ্বলন আৰু ৰাসলীলাৰ তাৎপৰ্য সন্দৰ্ভত বক্তব্য প্ৰদান কৰে শ্ৰী শ্ৰী আউনীআটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ শ্ৰীশ্ৰী দেৱানন্দ দেৱ গোস্বামীয়ে। অনুষ্ঠানত উপস্থিত থাকে আউনীআটী সত্ৰৰ নামাচাৰ্য লম্বিত বৰুৱা, ড° হৰেন্দ্ৰ নাৰায়ণ দত্ত, অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ডাঃ শান্তনু লহকৰ, বিশিষ্ট সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈ, লায়ন্স ক্লাবৰ সম্পাদক ৰক্তিম গগৈ, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, বিশ্বজিৎ গগৈ, সুভাষ দত্তকে প্ৰমুখ্য কৰি বিশিষ্ট ব্যক্তি সকল। ডিব্ৰুগড়ত ইতিমধ্যে পূৰ্বে বিভিন্ন প্ৰান্তত ৰাস উদযাপন কৰিছে যদিও নগৰৰ হৃদপিণ্ড চৌকিডিঙ্গী খেলপথাৰত ৰাস মহোৎসৱ অনুষ্ঠিত হোৱা নাছিল। ডিব্ৰুগড় সত্ৰীয়া কলা কৃষ্টি কেন্দ্ৰৰ উদ্যোগত ডিব্ৰুগড়ত বসবাস কৰা বিভিন্ন জাতি গোষ্ঠী, সম্প্ৰদায়ৰ লোকক লৈ বৃহৎ উদ্‌যাপন সমিতি গঠনেৰে তথা শিশু, কিশোৰী, যুৱতী, মহিলা আৰু যুৱকসকলে ৰাসৰ কলিত তথা "শৰৎকালৰ ৰাত্ৰি আতি বিতোপন/ ৰাস ক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল মন।" আদি সুন্দৰ ৰাসনৃত্যত মুগ্ধ কৰি তুলিলে সকলোকে। "আহা আহা সখীসব, বিন্দাবনে যাও/ বজাইছে মোহন বেণু নয়ন ভৰি চাওঁ।" শীৰ্ষক গানেৰে আকাশ বতাহ মুখৰিত কৰি তুলাৰ লগতে খোল, তালৰ শব্দ, গোপীৰ নৃত্য- ভংগীমা, পদচালনা, বচন, পয়াৰ, বিলাপ, নাটকৰ ৰাগ-তালযুক্ত গীতে মুখৰিত কৰিলে চৌকিডিঙ্গী খেলপথাৰ একপ্ৰকাৰ বৃন্দাবনলৈ ৰূপান্তৰ কৰি তুলিলে। প্ৰাণঢালি কৃষ্ণ, ৰাধা, যশোদা, কংস, শংখচূড় আদি ভাৱত অভিনয় কৰা শিল্পীসকলে সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলাৰ লগতে সত্ৰ নগৰী মাজুলীৰ ৰাসৰ সোৱাদ ডিব্ৰুগড়তে লাভ কৰিবলৈ সক্ষম হয়। ডিব্ৰুগড়বাসীৰ অভূতপূৰ্ব সঁহাৰিৰ বাবে তথা ৰাস মহোৎসৱৰ সফল সামৰণি বাবে ধন্যবাদ জ্ঞাপন কৰিছে উদযাপন সমিতিৰ সভাপতি আৰু সম্পাদকসহ অন্যান্য বিষয়ববীয়াই।

# শংকৰদেৱ শিশু নিকেতন মালিগাঁৱত সপ্তশক্তি সংগম শীৰ্ষক কাৰ্যসূচী

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৩ নৱেম্বৰ ঃ** বিদ্যা ভাৰতীৰ যোজনা অনুসৰি সমগ্ৰ দেশতে অনুষ্ঠিত হৈ থকা মাতৃ শক্তি জাগৰণৰ প্ৰচেষ্টা স্বৰূপ সপ্তশক্তি সংগম শীৰ্ষক কাৰ্যসূচী ১২ নৱেম্বৰ, বুধবাৰে শংকৰদেৱ শিশু নিকেতন মালিগাঁৱত সুকলমে অনুষ্ঠিত হৈ যায়। মুঠ ১৩০ গৰাকী মাতৃৰ উপস্থিতিত বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ এই অনুষ্ঠানত সভানেত্ৰীৰ আসন অলংকৃত কৰে প্ৰান্ত সংস্কাৰ কেন্দ্ৰ প্ৰমুখ পূৰ্ণকালীন কাৰ্যকৰ্তা তনুজা কলিতাই। উক্ত কাৰ্যক্ৰমত বিদ্যা ভাৰতী অখিল ভাৰতীয় মন্ত্ৰী ডাঃ মধুশ্ৰী সঞ্জীৱ সাৰ, ৰাষ্ট্ৰ সেৱিকা সমিতি উত্তৰ অসম প্ৰান্তৰ প্ৰান্ত প্ৰচাৰিকা নিতা দেৱী, ক্ষেত্ৰীয় বালিকা শিক্ষাৰ সহ সংযোজিকা কল্যাণী ঠাকুৰীয়া, পূৰ্বোত্তৰ ক্ষেত্ৰৰ সপ্ত শক্তি সংগমৰ সংযোজিকা ড° মিলন ৰাণী জামাতিয়া, মাতৃ ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সংযোজিকা অনিমা শৰ্মা উপস্থিত থাকে। প্ৰধান আচাৰ্যা দীপা চেত্ৰীয়ে সঞ্চালন কৰা এই কাৰ্যসূচীত প্ৰস্তাৱিক ভাষণ আগবঢ়ায় কল্যাণী ঠাকুৰীয়াই। প্ৰচাৰ প্ৰমুখ মুকুটেশ্বৰ গোস্বামীয়ে জানিবলৈ দিয়া মতে "পৰিয়াল প্ৰবোধন আৰু পৰিবেশ সম্বন্ধত ভাৰতীয় দৃষ্টিভংগী" বিষয়ত ভাষণ প্ৰদান কৰে বিদ্যা ভাৰতী অখিল ভাৰতীয় মন্ত্ৰী ডাঃ মধুশ্ৰী সঞ্জীৱ সাৰে। তেখেতে পৰিয়ালত তথা সন্তানৰ প্ৰতি এগৰাকী মাতৃৰ ব্যৱহাৰ, তাৰ প্ৰভাৱ কেনে হোৱা উচিত এই বিষয়ে মাতৃসকলক মাৰ্গদৰ্শন কৰে। নিতা দেৱীয়ে "ভাৰতবৰ্ষৰ বিকাশত মহিলাৰ অৱদান" বিষয়ত ভাষণ প্ৰদান কৰে। তেখেতে প্ৰাচীন কালত নাৰীসকলৰ অৱদান তথা দেশ এখন উন্নতিৰ দিশত আগবাঢ়িব লাগিলে তাত মহিলা সকলৰ অৱদান যে উল্লেখযোগ্য, এই বিষয়ে বক্তব্য দাঙি ধৰে। ইয়াৰ পিছতে সমাজ আৰু দেশৰ মংগলৰ হকে নিজৰ অৱদান আগবঢ়োৱা দুগৰাকী মাতৃ জুবলী পোদ্দাৰ বৈশ্য আৰু পুৰবী তালুকদাৰক সন্মান প্ৰদান কৰা হয়। শেষত সংকল্প পাঠেৰে এই কাৰ্যসূচীৰ সামৰণি পৰে।

**ক্ৰীড়াবিদ অৰ্জুন বঁটা বিজয়ী নয়নমণি শইকীয়াৰ একতাৰ পদযাত্ৰাত অংশগ্ৰহণ**

# লৌহমানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০ সংখ্যক জন্মজয়ন্তীৰ লগত সংগতি ৰাখি নগাঁৱৰ নেহৰুবালি খেলপথাৰৰ পৰা বৃহৎ একতাৰ পদযাত্ৰা




**অসম বাৰ্তা, বড়মপুৰ, নগাঁও, ১৩ নৱেম্বৰ ঃ** লৌহমানৱ চৰ্দাৰ বল্লভভাই পেটেল ডাঙৰীয়াৰ ১৫০ সংখ্যক জন্মজয়ন্তী উপলক্ষে ভাৰত চৰকাৰে সমগ্ৰ ৰাষ্ট্ৰজুৰি ঐক্যৰ পদযাত্ৰাৰ আয়োজন কৰিছে। দেশৰ ঐক্য আৰু অখণ্ডতাৰ প্ৰতি শ্ৰদ্ধাৰ বল্লভভাই পেটেল ডাঙৰীয়াৰ অতুলনীয় অৱদানক প্ৰতীকী সন্মান জনায়, ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ "এক ভাৰত, আত্মনিৰ্ভৰ ভাৰত" গঢ়াৰ সংকল্পৰ লগত সংগতি ৰাখি সমগ্ৰ দেশজুৰি এই একতাৰ পদযাত্ৰা সমদলৰ আয়োজন কৰা হৈছে। ইয়াৰে লগত সংগতি ৰাখি আজি ইংৰাজী ১৩ নৱেম্বৰ, ২০২৫ তাৰিখে, পুৱা ভাগতে নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত জিলাখনৰ ঐতিহ্যমণ্ডিত নেহৰুবালি বাকৰিৰ পৰা একতাৰ পদযাত্ৰাৰ সমদল উলিওৱা হয়। এই উপলক্ষে নেহৰুবালিৰ বাকৰিত আয়োজিত অনুষ্ঠানটিত প্ৰথমেই বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ পিছতেই লৌহমানৱ গৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলী অৰ্পণ কৰে জিলা আয়ুক্ত দেৱাশিস শৰ্মা, ভাঃপ্ৰঃসেঃ ডাঙৰীয়া আৰু উপস্থিত বিশিষ্ট অতিথিবৃন্দই। অনুষ্ঠানত ভাষণ প্ৰদান কৰি জিলা আয়ুক্ত গৰাকীয়ে, লৌহমানৱ গৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি, দেশৰ প্ৰতি তেখেতৰ অৱদান আৰু তেখেতৰ জীৱনৰ ওপৰত বিস্তৃত ব্যাখ্যা আগবঢ়াই। অনুষ্ঠানটিত নগাঁও ছোৱালী মহাবিদ্যালয়ৰ এটি ছাত্ৰীৰ দলে সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰি অনুষ্ঠানস্থলীত এক আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰে। আজিৰ অনুষ্ঠানতেই পদযাত্ৰাটিৰ আইকন হিচাপে উপস্থিত থকা বিশিষ্ট ক্ৰীড়াবিদ অৰ্জুন বঁটা বিজয়ী নয়নমণি শইকীয়া ডাঙৰীয়ানীক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পিছত আজিৰ পদযাত্ৰাটিৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে জিলা আয়ুক্ত ডাঙৰীয়াই। আজিৰ এই পদযাত্ৰাত নগাঁও চহৰখনৰ পাঁচ সহস্ৰাধিক বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, নৱম অসম আৰক্ষী বাহিনীৰ বেণ্ড, ধিং খ্ৰাইষ্টজ্যোতি স্কুলৰ এন.চি.চি. বেণ্ড, কঠীয়াতলি চেইণ্ট থমাছ স্কুলৰ বেণ্ড আৰু হলী ক্ৰছ স্কুলৰ বেণ্ডৰ দল, এন.চি.চি, এন.এছ.এছ, আৰক্ষী আৰু বিশিষ্ট নাগৰিক সকলে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, এই একতাৰ পদযাত্ৰায়ে চহৰখনৰ বিভিন্ন অঞ্চল পৰিভ্ৰমণ কৰি পুনৰ নেহৰুবালি বাকৰিত সমাপ্ত হয়। পদযাত্ৰাৰ সময়ছোৱাত নগাঁও ক্লক টাৱাৰৰ সমীপত বাটৰ নাট আৰু কমাৰ্চ কলেজৰ সমীপত নগাঁও ছোৱালী মহাবিদ্যালয় ছাত্ৰীসকলে বড়ো নৃত্য পৰিৱেশন কৰে। আজিৰ অনুষ্ঠানৰ লগত সংগতি ৰাখি নেহৰুবালিৰ অনুষ্ঠানস্থলীত কেবাখনো আত্মনিৰ্ভৰ বিপনীৰ ষ্টল স্থাপন কৰা হয়। আজিৰ এই অনুষ্ঠানত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ চিকাৰীয়া, নগাঁও জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলি হাজৰিকা, অতিৰিক্ত আয়ুক্ত ক্ৰমে- সুদীপ নাথ, দেবহুতি বৰা, বড়মপুৰ নৱম অসম আৰক্ষী বাহিনীৰ অধিনায়ক মুকুট ৰাভা, সমাজকৰ্মী সুৰেশ বৰাকে প্ৰমুখ্য কৰি জিলা ক্ৰীড়া বিষয়া প্ৰতিম বৰুৱা, জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল, ক্ৰীড়া বিভাগৰ বিষয়া-কৰ্মচাৰীসকল আৰু বহুসংখ্যক ৰাইজ উপস্থিত থাকে।

# শিক্ষণ-শিকন সামগ্ৰীৰ প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, জাঁজী, ১৩ নৱেম্বৰ ঃ** নাজিৰা শিক্ষাখণ্ডৰ অন্তৰ্গত বৰুৱা আলি আৰু লোণপুৰীয়া মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত আজি দেওপানী বনুৱা নৱজ্যোতি প্ৰাথমিক বিদ্যালয়ত মণ্ডল ভিত্তিত আয়োজিত শিক্ষণ-শিকন সামগ্ৰীৰ প্ৰদৰ্শনী আৰু প্ৰতিযোগিতা সুকলমে সম্পন্ন হয়। অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগ তথা সমগ্ৰ শিক্ষা, অসমৰ আদেশানুসৰি নিপুণ অসম অভিযানৰ অংশস্বৰূপে আয়োজিত এই প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাখনিত মণ্ডল দুটাৰ অধীনৰ ২১খন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰী সকলে অংশগ্ৰহণ কৰে। বৰুৱাআলি মণ্ডলৰ সমন্বয়ক মহেন্দ্ৰ নাথে আঁত ধৰা সমগ্ৰ অনুষ্ঠানটিত প্ৰতিখন বিদ্যালয়ে বুনিয়াদী সাক্ষৰতা আৰু বুনিয়াদী সাংখ্যিকতা শাখাত এটাকৈ শিক্ষণ-শিকন সামগ্ৰী প্ৰদৰ্শন কৰাৰ লগতে প্ৰতিযোগিতাত অংশ লয়। যোৰহাট জিলাৰ পূব যোৰহাট শিক্ষাখণ্ডৰ জ্যেষ্ঠ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক ইন্দ্ৰনীল দোলাকাষৰীয়া, আমগুৰি শিক্ষাখণ্ডৰ জ্যেষ্ঠ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক যদুমণি বড়া, নাজিৰা শিক্ষাখণ্ডৰ জ্যেষ্ঠ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক সত্যনাথ দাস আৰু শিখামণি বৰা হাজৰিকা অতিথি তথা বিচাৰক হিচাপে উপস্থিত থকা অনুষ্ঠানটিতে সাক্ষৰতা আৰু সাংখ্যিকতা দুয়োটা শাখাতে মণ্ডল অনুসাৰে পৃথক পৃথককৈ স্থানপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী সকলক ট্ৰফী আৰু মানপত্ৰসহ পুৰস্কৃত কৰা হয়। লোণপুৰীয়া মণ্ডলৰ সমন্বয়ক ঋতুৰাজ বৰুৱাই শলাগ জ্ঞাপন কৰা অনুষ্ঠানটিত উপস্থিত অতিথি সকলৰ সাৰগৰ্ভ বক্তব্যই অংশগ্ৰহণকাৰী সকলৰ লগতে সকলো শিক্ষক-শিক্ষয়ত্ৰী তথা স্থানীয় ৰাইজক উপকৃত কৰে।

# মনীষা শৰ্মাৰ গ্ৰন্থ "ব্ৰজভূমিৰ বৈভৱ" উন্মোচন

**অসম বাৰ্তা, পাথৰিঘাট, ১৩ নৱেম্বৰ ঃ** দিছপুৰ প্ৰেছ ক্লাৱত এখন গ্ৰন্থ উন্মোচনী সভাত কেইবাখনো গ্ৰন্থৰ লেখিকা, সমাজকৰ্মী মনীষা শৰ্মাৰ গৱেষণাধৰ্মী তথা ভ্ৰমণ সাহিত্য বিষয়ক গ্ৰন্থ 'ব্ৰজভূমিৰ বৈভৱ' উন্মোচন কৰে। বিশিষ্ট শিক্ষাবিদ, লেখক সমালোচক ড° দয়ানন্দ পাঠকে। গ্ৰন্থ উন্মোচনী সভাত বিশিষ্ট নিৰন্ধকাৰ, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ উত্তৰ-পূব ভাৰতৰ বৌদ্ধিক প্ৰচাৰ প্ৰমুখ শংকৰ দাস, সাহিত্য অকাডেমী বঁটা প্ৰাপক সাহিত্যিক জয়ন্ত মাধৱ বৰা, সাহিত্য অকাডেমীৰ অনুবাদ সাহিত্য বঁটা প্ৰাপক বিশিষ্ট অনুবাদক কবি তথা বনফুল প্ৰকাশনৰ প্ৰকাশন উপদেষ্টা বিপুল দেউৰী উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। লেখিকা মনীষা শৰ্মাৰ গৱেষণাধৰ্মী তথা ক্ষেত্ৰভিত্তিক অধ্যয়নৰে ৰচিত গ্ৰন্থখন লেখিকাই পাছ বছৰে মথুৰা, বৃন্দাবন, গোকুললৈ বহুবাৰ গৈ গোটোৱা তথ্যৰ ফচল। গ্ৰন্থখন প্ৰকাশ কৰিছে বনলতা প্ৰকাশনে। গ্ৰন্থখন উন্মোচন কৰি ড° দয়ানন্দ পাঠকে কয় যে লেখিকাই যথেষ্ট কষ্ট কৰি, শ্ৰম কৰি, গৱেষণা কৰি "ব্ৰজভূমিৰ বৈভৱ" গ্ৰন্থখন লিখিছে। গভীৰ বিষয় বস্তুৰ গ্ৰন্থখন পাঠকে পঢ়ি উপকৃত হ'ব। গভীৰ বিষয় বস্তুৰ গ্ৰন্থখন পাঠকে পঢ়ি উপকৃত হ'ব। আজিৰ নাৰীয়ে মোৰ দৃষ্টিত ত্ৰিনয়নেৰে জনা যায়। এই ক্ষেত্ৰত মনীষা শৰ্মা ব্যতিক্ৰম নহয়। বৌদ্ধিক প্ৰমুখ আৰু নিবন্ধকাৰ শংকৰ দাসে কয় যে বিজ্ঞান দৰ্শন আৰু আধ্যাত্মিকতাৰ মাজেৰে কিদৰে জীৱনক অনুধাৱন কৰিব সেই সম্পৰ্কে এক মনস্তাত্বিক বিশে-ষণ আগবঢ়োৱাৰ লগতে ব্ৰজভূমিৰ বৈভৱ অসমীয়া সাহিত্যলৈ এক উল্লেখনীয় অৱদান হৈ পৰিব বুলিও মন্তব্য আগবঢ়ায়। নিজৰ ভাষণ প্ৰসংগত তেওঁ কয় অসমৰ পাঠক সমাজে নিশ্চিয় লেখিকাৰ পূৰ্বৰ গ্ৰন্থসমূহৰ দৰে এইখনৰো আকোৱালি ল'ব। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সাহিত্য অকাডেমি বঁটা বিজয়ী লেখক জয়ন্ত মাধৱ বৰাই কয় যে অতি সম্প্ৰতি মহিলা সকলৰ কোনো ক্ষেত্ৰতে পিছ পৰি ৰোৱা নায়। সাহিত্য -সংস্কৃতিৰ লগতে সমাজৰ বিভিন্ন ক্ষেত্ৰত মহিলা সকলে নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব পাৰিছে। এই ক্ষেত্ৰত মনীষা শৰ্মাই একেই গতিৰে আগবাঢ়ি আছে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা বিপুল দেউৰীয়ে নিজৰ বক্তব্যত ব্ৰজভূমিৰ বৈভৱ গ্ৰন্থখন এখন ডকুমেণ্টৰী লিটাৰেছাৰ বুলি উল্লেখ কৰে। সাংবাদিক লেখিকা দৰ্শনা বৰুৱাই আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাখনৰ আৰম্ভণিতে নিশা চক্ৰৱৰ্তী, ড° মঞ্জুলা গোস্বামী আৰু ডাঃ তামান্না গোস্বামীয়ে বন্তি প্ৰজ্বলন কৰে। সভাত ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা গুৱাহাটী পৌৰ নিগমৰ প্ৰাক্তন আয়ুক্ত দেৱেশ্বৰ মালাকাৰকে ধৰি কেইবাগৰাকীও গণ্য মান্য ব্যক্তি উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ ধৰ্মঘটত অচল হৈ পৰিছে বৰক্ষেত্ৰীৰ পঞ্চায়তসমূহৰ কাম-কাজ**

# বৰক্ষেত্ৰীৰ পোন্ধৰখন পঞ্চায়তৰ কাম-কাজ অচল

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৩ নৱেম্বৰ ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত পোন্ধৰখন গাঁও পঞ্চায়তৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলে চাকৰি নিয়মীয়াকৰণ, দৰমহা বৃদ্ধিকে ধৰি কেইবাটাও দাবীৰ ভিত্তিত ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ অসম পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ আহ্বান মৰ্মে বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ কৰ্মচাৰীসকলেও ন্যায্য দাবীত ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ আটাইকেইখন পঞ্চায়তৰ অৰ্ধশতাধিকতকৈও অধিক ঠিকাভিত্তিক কৰ্মচাৰীয়ে কালিৰে পৰা কৰ্মবিৰতি কাৰ্যসূচী ৰূপায়ণ কৰিছে। কৰ্মচাৰীসকলে আজি মুকালমুৱাস্থিত বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ কাৰ্যালয় চৌহদত থকা ড° ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। পুৱাৰে পৰা কৰ্মচাৰীসকলে চাকৰি নিয়মীয়াকৰণ, দৰমহা বৃদ্ধি, প্ৰতিবছৰে ন্যূনতম ১০% বেতন বৃদ্ধি, ৬০ বছৰ বয়সলৈকে চাকৰি সুৰক্ষা নিশ্চিত, এইচ আৰ পলিচি নীতি প্ৰণয়ন আৰু প্ৰয়োগ কৰাকে ধৰি বিভিন্ন দাবীৰে ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। কৰ্মচাৰীসকলে নিজৰ নিজৰ ন্যায্য দাবীত হাতে-হাতে প্লেকাৰ্ড লৈ বিভিন্ন শ্লোগান প্ৰদান কৰি চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। বিগত পোন্ধৰ বছৰ ধৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত সেৱা আগবঢ়াই অহা ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ সমস্যা সন্দৰ্ভত চৰকাৰে গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ তুলিছে। চৰকাৰে এইসকল কৰ্মচাৰীক প্ৰতাৰণা কৰাৰ অভিযোগ তুলি ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা বুলি কয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বৰক্ষেত্ৰীৰ সভাপতি ভূপাল বৰ্মন আৰু সম্পাদক চাইদুৰ ৰহমানে। যদিহে কৰ্মচাৰী সকলৰ দাবী শীঘ্ৰেই সমাধান নকৰে তেন্তে অনাগত দিনত তীব্ৰতৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰো প্ৰদান কৰে। ইপিনে ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ ধৰ্মঘটৰ ফলত আজি বৰক্ষেত্ৰীৰ পোন্ধৰখন পঞ্চায়তৰ কাম-কাজ অচল হৈ পৰে।

# ৰূপহীহাটৰ গড়া-জানৰ অৱসৰী শিক্ষক দুলা মিঞাৰ বিয়োগ

**অসম বাৰ্তা, ৰূপহীহাট, ১৩ নৱেম্বৰ ঃ** ৰূপহীহাটৰ গড়াজানৰ পূৱ আমৰাকান্ধাৰ অৱসৰী শিক্ষক দুলা মিঞাৰ আজি ৰাতিপুৱা গুৱাহাটীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ। অৱসৰী শিক্ষক জনৰ মৃত্যুৰ বাতৰি য়ে অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। অৱসৰী শিক্ষকজনে শিক্ষকতা কৰাৰ লগতে সমাজৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। আজি আবেলি সহস্ৰাধিক লোকৰ উপস্থিত তেওঁৰ জানাজা নামাজ সম্পন্ন কৰা হয়। তেওঁৰ জানাজাত ৰূপহীহাটৰ প্ৰাক্তন বিধায়ক আব্দুল আজিজ, গড়াজান জিলা পৰিষদৰ সদস্য মুশকুৰ ৰহমান, প্ৰাক্তন জিলা পৰিষদৰ সদস্য ছেলিম জাবেদ, ৰাইজৰ দলৰ যুৱ নেতা হিফজুৰ ৰহমান উপস্থিত থাকি পৰিয়াল বৰ্গলৈ গভীৰ শোক প্ৰকাশ কৰে।

# তিনিচুকীয়া জিলাৰ প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ পিএমশ্ৰী বিদ্যালয়মূহৰ বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ প্ৰশিক্ষণ সম্পন্ন




**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৩ নৱেম্বৰ ঃ** সমগ্ৰ শিক্ষা, তিনিচুকীয়া জিলাৰ উদ্যোগত ৰাষ্ট্ৰীয় শিক্ষানীতিৰ লক্ষ্য আৰু উদ্দেশ্য কাৰ্যকৰী ৰূপত প্ৰতিষ্ঠিত কৰি একোখন আদৰ্শ বিদ্যালয় (Examplar) গঢ়ি তোলাৰ উদ্দেশ্যে জিলাখনৰ প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ পি এম শ্ৰী বিদ্যালয়মূহৰ বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ (SMC/SMDC) যোৱা ১১ নৱেম্বৰৰ পৰা ১৩ নৱেম্বৰলৈ তিনিচুকীয়াস্থিত বিপিন বৰা উচ্চ মাধ্যমিক বিদ্যালয় আৰু ডুমডুমাস্থিত হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত তিনিদিনীয়াকৈ প্ৰশিক্ষণ অনুষ্ঠিত হয়। সমগ্ৰ শিক্ষা, তিনিচুকীয়াৰ জিলা আঁচনি বিষয়া ত্ৰিদিব শৰ্মা তামোলীয়ে দুয়োটা স্থানতে বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে বিদ্যালয় উন্নয়ন প্ৰক্ৰিয়াত পৰিচালনা সমিতিৰ যি দায়িত্ব বা ভূমিকা থাকে সেই বিষয়ে বিতং আলোচনা তথা শিক্ষা বিভাগৰ পৰা অহা নীতি নিৰ্দেশনা, বিত্তীয় সাহায্য কেনেধৰণেৰে ব্যৱহাৰ কৰিব পাৰি সেই বিষয়ে অৱগত কৰাৰ উপৰিও সমগ্ৰ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য, বিদ্যালয় উন্নয়ন পৰিকল্পনাৰ প্ৰস্তুতি আৰু ৰূপায়ণ, স্বচ্চ বিদ্যালয়, ৰাষ্ট্ৰীয় শিক্ষানীতিৰ নিৰ্দেশনা, শিক্ষাসেতু, গুণোৎসৱ, আৰোহন, বিদ্যাঞ্জলি, সম্প্ৰীতি ভোজন, ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ লক্ষ্যত ৰূপায়িত কাৰ্যসূচী, শিকন ফলাফল, নিপুন অসম, বিদ্যালয়ে লাভ কৰা অনুদান সমূহৰ সঠিক ব্যৱহাৰ আদি বিষয়সমূহ আলোচনাত অন্তৰ্ভুক্ত হৈছে বুলি উল্লেখ কৰে। লগতে পিএমশ্ৰী আঁচনিৰ লক্ষ্য আৰু উদ্দেশ্য, ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত পিএমশ্ৰী আঁচনি ৰূপায়ণ কৰাৰ বাবে ধাৰ্য কৰা ৬টা স্তম্ভ (Six pillar) আৰু School Quality Assesment Format (SQAF) উন্নীতকৰণ সম্পৰ্কে বিস্তৃত আলোচনা আগবঢায়। তিনিদিনীয়া প্ৰশিক্ষণটোত বিপিন বৰা উচ্চ মাধ্যমিক বিদ্যালয়ত সমল ব্যক্তি হিচাপে আছিল ক্ৰমে জাহ্নৱী ফুকন, পল্লৱী গগৈ, বিশ্বজিত বৰা আনহাতে হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দিতুল চেতিয়া, উদেন চুতীয়া আৰু দিৰস বৰশইকীয়া। প্ৰশিক্ষণৰ সময়ছোৱাত সমগ্ৰ শিক্ষাৰ জিলা আৰু খণ্ড পৰ্যায়ৰ বিষয়ববীয়া তথা তিনিচুকীয়া ডায়েটৰ প্ৰবক্তাৰ উপস্থিতিয়ে প্ৰশিক্ষণটোৰ যোগেদি শৈক্ষিক আৰু সহ বিদ্যায়তনিক দিশৰ সামগ্ৰিক উন্নয়নৰ দ্বাৰা ছাত্ৰ সমাজক সৰ্বাংগীণ বিকাশৰ দিশে আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত এই প্ৰশিক্ষণটোৰ দ্বাৰা সকলো পিএমশ্ৰী বিদ্যালয় যথেষ্ট উপকৃত হ'ব বুলি আশা কৰা হৈছে আৰু সক্ৰিয় বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সহযোগত এখন সমৃদ্ধিশালী শৈক্ষিক সমাজ নিৰ্মাণ কৰিবলৈ সক্ষম হ'ব বুলি অংশগ্ৰহণকাৰীসকলে মত প্ৰকাশ কৰে। বিপিন বৰা উচ্চ মাধ্যমিক বিদ্যালয়ত ৮খন বিদ্যালয়ৰ ৭ জনকৈ ৫৬ গৰাকী আনহাতে হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৬খন বিদ্যালয়ৰ ৪২ গৰাকী সহ মুঠ ৯৮ গৰাকী সদস্য-সদস্যাক প্ৰশিক্ষণ প্ৰদান কৰা হয়।

## সম্পাদকীয়

# আমি সঁচাকৈয়ে সাজু নে?

আজি ১৪ নৱেম্বৰ। পণ্ডিত জৱাহৰলাল নেহেৰুৰ জন্মদিন। দেশজুৰি শিশু দিৱস পালন কৰিছে। বিদ্যালয়ত গান-নাচ, ভাষণ, মিঠাই বিলোৱা হৈছে। কিন্তু এই উলহ-মালহৰ মাজত এটা প্ৰশ্ন আমি প্ৰতিগৰাকী অভিভাৱক-শিক্ষক-নাগৰিকে নিজকে সোধা উচিত: পৰিৱৰ্তিত এই সময়ত আমি আমাৰ শিশুক ভৱিষ্যতৰ বাবে সঁচাকৈয়ে সাজু কৰিছোনে? ক'ভিডৰ পিছত অসমৰ শিক্ষা ব্যৱস্থাই এটা বৃহৎ পৰিৱৰ্তনৰ সন্মুখীন হৈছে। শিক্ষাবৰ্ষ এপ্ৰিল-মাৰ্চ হ'ল। দশম শ্ৰেণীৰ পৰা এইচ এছ এল চি পৰীক্ষালৈ সময় এতিয়া মাত্ৰ দহ মাহ। পূৰ্বৰ চৈধ্য মাহৰ বিলাসিতা নাই। অভিভাৱকৰ মনত প্ৰশ্ন: "এনেকৈ কেনেকৈ হ'ব?" শিক্ষকৰ মনত দ্বিধা: "খৰধৰকৈ শিকালে ছাত্ৰই বুজিবনে?" কিন্তু সঁচা কথাটো হ'ল— সমস্যা সময়ৰ নহয়, আমাৰ পুৰণি অভ্যাসৰ। আমি এতিয়াও ভাবো যে শিক্ষকে শিকাই শেষ কৰিলেহে ছাত্ৰই পঢ়িবলৈ আৰম্ভ কৰিব। নৱেম্বৰত বিদায়ৰ পিছত তিনি মাহ ঘৰতে বহি "গুহাত সোমাই" পঢ়াৰ দিন আছিল। সেই দিন গুচিল। এতিয়া ছাত্ৰই শিক্ষকৰ লগে লগে পঢ়িব লাগিব, আয়ত্ত কৰিব লাগিব। "পিছত পঢ়িম" বুলি থৈ ৰখাৰ বিলাসিতা নাই। এইটোৱে হ'ল নতুন নিয়ম। যি ছাত্ৰ-অভিভাৱকে এই নিয়ম মানি ল'ব, তেওঁলোকৰ বাবে দহ মাহো যথেষ্ট ; যি নমানিব, তেওঁলোকৰ বাবে চৈধ্য মাহো কম। দ্বিতীয় পৰিৱৰ্তনটো আৰু গুৰুতৰ। পৰীক্ষাৰ প্ৰশ্নৰ ধৰণ সলনি হৈছে। নৱমৰ পৰা এইচ এছ এল চিলৈ ৫০ শতাংশ বহুবিকল্পী প্ৰশ্ন বাধ্যতামূলক। এই প্ৰশ্নবোৰ কেৱল মুখস্থ কৰটো ফলদায়ক নহয়। ইয়াৰ বাবে ধাৰণাৰ গভীৰতা, যুক্তি, বিশ্লেষণ আৰু প্ৰয়োগ লাগে। যিসকলে এতিয়াও ভাবে "কিতাপ মুখস্থ কৰিলেই হ'ল", তেওঁলোকৰ সন্তানে আগন্তুক পৰীক্ষাত মুখ থেকেঁচা খাব। দুবছৰৰ পিছতে সেই একে ছাত্ৰই এন ই ই টি, জে ই ই, চি এল এ টিৰ সন্মুখীন হ'ব— য'ত ৯০-১০০ শতাংশ প্ৰশ্ন বহুবিকল্পী। তেতিয়া এইচ এছ এল চিৰ শতকৰা ৯৫ নম্বৰে কোনো কামত নাহিব যদিহে ধাৰণা পৰিষ্কাৰ নহয়। এতিয়াৰ পৰাই প্ৰশ্ন উঠে— আমি আমাৰ সন্তানক কেৱল নম্বৰৰ বাবে পঢুৱাই আছোঁ, নে জীৱনৰ প্ৰতিযোগিতাৰ বাবে সাজু কৰি আছোঁ? আৰু এটা কথা মন কৰিব লাগে— এইচ এছ এল চি এতিয়া কেৱল এটা স্তৰহে। ইয়াক জীৱন-মৰণৰ পৰীক্ষা বুলি চাপ দি ছাত্ৰক ভাঙি পেলোৱাৰ দিন গ'ল। বৰঞ্চ ই এক মহৰা— য'ত ছাত্ৰই নিজৰ দুৰ্বলতা চিনি পায়, পৰৱৰ্তী দুবছৰৰ বাবে সাজু হয়। আমি যিমান সোনকালে এই সত্য মানি লওঁ, আমাৰ সন্তানৰ সিমান সোনকালে মানসিক স্থিৰতা বৃদ্ধি পাব। আৰু শেষত, শিশু দিৱস কেৱল বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে নহয়। যিসকল শিশু আজিও চাহ বাগিচাৰ চাহ তুলিছে, হোটেলত বাচন ধুইছে, কাৰখানাত খাটিছে— তেওঁলোকৰ শৈশৱ আমি হৰণ কৰি আছোঁ। দাৰিদ্ৰ্যৰ দোহাই দি আমি দায়িত্ব এৰা নাই কৰিবলৈ। সমাজ হিচাপে আমাৰ দায়িত্ব— প্ৰতিগৰাকী শিশুক বিদ্যালয়লৈ অনা। শিশু দিৱসে আমাক সুযোগ দিয়ে প্ৰশ্ন কৰাৰ: আমি কেৱল উদযাপন কৰি সন্তুষ্ট হৈ থাকিম, নে পৰিৱৰ্তনৰ সহযাত্ৰী হম? নতুন শিক্ষা ব্যৱস্থাৰ সৈতে খাপ খাই, পুৰণি অভ্যাস ত্যাগ কৰি, অযথা চাপ নিদি, প্ৰতিগৰাকী শিশুৰ হাতত সপোন তুলি দিয়াটোৱেই হ'ল আজিৰ দিনৰ প্ৰকৃত কৰণীয়। নেহেৰুৰ সপোনৰ ভাৰত গঢ়াটো আমাৰ হাতত। আমি সাজু নে? এই প্ৰশ্নৰ উত্তৰ আজিৰ পৰাই দিব লাগিব।

◀◀ ভাৰত তথা অসমৰ শিশুসকলৰ এনে অৱস্থাৰ মূলতেই হৈছে প্ৰধানতঃ পিতৃ-মাতৃৰ নিৰক্ষৰতা, পৰিয়ালৰ নিম্ন আয়, দৰিদ্ৰতা, পুষ্টিহীনতা, অধিক সন্তানৰ জন্ম দিয়া আৰু সন্তানৰ প্ৰতি অমনোযোগিতা। এই ক্ষেত্ৰত চৰকাৰ আৰু স্বেচ্ছাসেৱী সংগঠনসমূহৰ উপযুক্ত নীতি আৰু কাৰ্যপন্থাইহে শিশুসকলৰ অধিকাৰ ৰক্ষা কৰিব পাৰিব। তাৰ বাবে আমাৰ প্ৰত্যেকৰে কিছু মৰম আৰু সহানুভূতিৰো প্ৰয়োজন নিশ্চয় আছে।▶▶

# শিশু দিৱস, শিশুৰ অধিকাৰ আৰু আমাৰ সমাজ

**অঞ্জল বৰা**

শিশুৰ অধিকাৰ, সুৰক্ষা আৰু শিক্ষা এই তিনিটা মূল উদ্দেশ্যৰে প্ৰতি বছৰে ২০ নবেম্বৰ দিনটো 'বিশ্ব শিশু দিৱস' আৰু ভাৰতত ১৪ নবেম্বৰ দিনটো 'শিশু দিৱস' হিচাপে পালন কৰি আহিছে। শিশুসকলক এটা নিৰাপদ পৰিৱেশত বাঢ়িবলৈ দি উপযুক্ত শিক্ষাৰে দেশৰ প্ৰগতি আৰু উন্নতিৰ বাবে প্ৰস্তুত কৰি তোলাৰ সমান্তৰালভাৱে ভৱিষ্যতৰ এজন দায়িত্বসম্পন্ন সু-নাগৰিক হিচাপে গঢ়ি তোলাই হৈছে শিশু দিৱসৰ মূল কথা। কিন্তু এইখিনিতে প্ৰশ্ন হয়, প্ৰতি বছৰে উদ্‌যাপন কৰা এই দিৱসে প্ৰকৃততে তাৰ উদ্দেশ্যত আগুৱাব পাৰিছেনে? পাৰিছেনে প্ৰকৃততে অধিকাৰ, সুৰক্ষা আৰু শিক্ষাৰ প্ৰয়োজন থকা শিশুসকলক এই দিৱসে সামৰি ল'ব? শিশু দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা অনুষ্ঠানবোৰত আমাৰ সমাজৰ অৱহেলিত শিশুসকলে অংশ গ্ৰহণৰ সুবিধা পাইছেনে? তেন্তে কাৰ বাবে শিশু দিৱস? আমি চাৰিওফালে চকু ফুৰালেই দেখিম যে আজি লাখ লাখ বঞ্চিত আৰু অৱহেলিত শিশুৱে শিশু শ্ৰমিক হিচাপে হাড়ভঙা পৰিশ্ৰম কৰি একোখন ঘৰ, এটা পৰিয়াল চলাই আছে। আজি চাৰিওফালে মন কৰিলে দেখা পোৱা যায় যে অনেক শিশুৱে হাতত একোটা বস্তা লৈ ৰাস্তাৰ কাষৰ প্লাষ্টিক, টিং, গ্লাছ আদিৰ টেমা, বটল বুটলি ফুৰিছে। বিভিন্ন ফে'ৰীত বিপজ্জনক কামত নিজকে নিয়োজিত কৰিছে। আপোনাৰ-মোৰ জোতা চাফা কৰিছে। চিটী বাছ-ট্ৰেকাৰৰ হেণ্ডিমেনৰ কাম কৰিছে। হোটেলত বাচন ধুইছে বা টেবুল চাফা কৰিছে নাইবা কোনোবা মাংসৰ দোকানত মাংস কাটিছে। পৰিতাপৰ কথা যে আমাৰ সভ্য সমাজত বাস কৰা শিক্ষিত লোকসকলেও বহু ক্ষেত্ৰত শিশুসকলৰ জৰিয়তেই কাম কৰাই আনন্দ পায়। নিজৰ আলসুৱা কণমানি শিশুটোক প্ৰতিপালন কৰিবলৈ, বিদ্যালয়ৰ পৰা অনা-নিয়া কৰিবলৈ, ঘৰৰ যাৱতীয় কামবোৰত সহায় কৰিবলৈ নিজৰ সন্তানৰ বয়সীয়া শিশুসকলকে ব্যৱহাৰ কৰে। ইয়াৰ মূলতে হৈছে কামৰ বিনিময়ৰ কোনো মজুৰি নিদি খাবৰ বাবে কেইটামান ভাত, পিন্ধিবৰ বাবে সন্তানে ব্যৱহাৰ কৰা পুৰণি এটা চোলা আৰু থাকিবলৈ এখন সুৰক্ষিত চালি দিয়েই সন্তুষ্টি লাভ কৰিব পাৰি। ভাবিলে আচৰিত লাগে যে মাতৃত্বৰ মৰমেৰে নিজৰ সন্তানক আঁকোৱালি লোৱা একোগৰাকী মহিলায়েও এনে শিশুসকলক বহু ক্ষেত্ৰতে দুৰ্ব্যৱহাৰ কৰাৰ লগতে শাৰীৰিক আৰু মানসিক অত্যাচাৰ চলায়। ফলত খাদ্য, মৰম, স্বাধীনতা আৰু শিক্ষাৰ পৰা বঞ্চিত আৰু অৱহেলিত এই শিশুসকলেই পলাই আহি এদিন আশ্ৰয় লয় বিভিন্ন অসামাজিক কামত, ভিক্ষা বৃত্তিত নাইবা কোনো ফে'ৰীৰ শিশু শ্ৰমিক হিচাপে।



শিশু শ্ৰমিকৰ বিপক্ষে টেলিভিছনৰ পৰ্দাত জিলিকি উঠে 'He is just a child. Do not burden him.' কিন্তু ভাৰতৰ প্ৰায় ২০ নিযুত শিশোৱেই পিঠিত কিতাপৰ গধুৰ বোজা কঢ়িওৱাতকৈ মূৰৰ ওপৰত তুলি লয় ইটা, বালি, শিলৰ গধুৰ টুকুৰা, পিঠিত কঢ়িয়াই থাকে তাৰ বয়সতকৈয়ো বেছি ওজনৰ বোজা, নাইবা দিনভৰ সোমাই থাকে বিড়ি, ফটকা, গ্লাছ, জুইশলা আদি বিপজ্জনক বস্তু তৈয়াৰ কৰা ফে'ৰীত, নিজৰ সকলো সপোন-কল্পনা প্ৰয়োগ কৰে কোনো কাৰ্পেট তৈয়াৰ কৰা কাৰখানাত, গধুৰ হাতুৰীৰে পিটি পিটি গঢ়ি তোলে গাড়ীৰ ইঞ্জিন, মচি মচি পৰিষ্কাৰ কৰে আপুনি-মই খোৱা টেবুলৰ টেবুল-গিলাছ ইত্যাদি। বৰ্তমান সময়ত শিশু উত্‌পীড়ন (Child Abused) শিশুসকলৰ অধিকাৰ খৰ্ব কৰাৰ আন এক ব্যাধি। বিশেষকৈ শিশুসকল শাৰীৰিক, মানসিক, যৌন উত্‌পীড়ন, অৱহেলা, শোষণ আদিৰ সন্মুখীন হ'ব লগা হয়।

কল্পনাৰ ৰঙীন দলিচাত বহি সপোন দেখা শিশুসকলৰ মনবোৰত অনেক সৃষ্টিশীল গুণ ভৰি থাকে। কাগজৰ নাও সাজি, আকাশত চিলা উৰুৱাই, বালিৰ ঘৰ সাজি গঢ়ি তোলে মনৰ কল্পনা আৰু সপোনবোৰ। সেইবাবেই আনৰ ঘৰত কাম কৰোঁতে মালিকৰ ল'ৰা-ছোৱালীৰ মুখত শুনি শুনিয়েই মাতিব পৰা হয় কোনো কবিতাৰ পংক্তি, দূৰদৰ্শনৰ পৰ্দাত চাই চাই গুৰুৰ অবিহনেই নাচিব পাৰে কোনো নৃত্য, শুনি শুনি গাই দিব পাৰে গীতৰ কলি। কিন্তু এই সকলো ক্ষন্তেকীয়া সুখৰ দৰে আহে আৰু যায়। ক্ৰমে ক্ৰমে পাহৰি যায় সপোন দেখিবলৈ, বালিৰে কল্পনাৰ ৰঙীণ কাৰেংঘৰ সাজিবলৈ। একোখন ঘৰ চলাবলৈ অভাৱগ্ৰস্ত অশিক্ষিত মাক-দেউতাকে টকাৰ বিনিময়ত কোনোবা সম্ভ্ৰান্ত ব্যক্তিৰ ঘৰত এক প্ৰকাৰ বিক্ৰী কৰি দিয়ে নিজৰ সন্তানবোৰক। ভাবিলে আচৰিত লাগে — যেতিয়া এটি শিশুৱে মঙহৰ দোকানত মনত কোনো ধৰণৰ প্ৰতিক্ৰিয়া নোহোৱাকৈ একে ঘাপে হাঁহ-কুকুৰাৰ ডিঙি কাটি চিৰাচিৰ কৰি দিয়ে, দৌৰ মাৰি চলন্ত ট্ৰেকাৰ, কেণ্টাৰত জাঁপ মাৰি উঠে! ক'ত পায় এই সাহস? প্ৰাপ্তবয়স্ক মানুহৰ দৰে গভীৰ দায়িত্ববোধেৰে এমোকোৰা হাঁহি লৈ পালন কৰে প্ৰতিটো কাম।

ভাৰত তথা অসমৰ শিশুসকলৰ এনে অৱস্থাৰ মূলতেই হৈছে প্ৰধানতঃ পিতৃ-মাতৃৰ নিৰক্ষৰতা, পৰিয়ালৰ নিম্ন আয়, দৰিদ্ৰতা, পুষ্টিহীনতা, অধিক সন্তানৰ জন্ম দিয়া আৰু সন্তানৰ প্ৰতি অমনোযোগিতা। এই ক্ষেত্ৰত চৰকাৰ আৰু স্বেচ্ছাসেৱী সংগঠনসমূহৰ উপযুক্ত নীতি আৰু কাৰ্যপন্থাইহে শিশুসকলৰ অধিকাৰ ৰক্ষা কৰিব পাৰিব। তাৰ বাবে আমাৰ প্ৰত্যেকৰে কিছু মৰম আৰু সহানুভূতিৰো প্ৰয়োজন নিশ্চয় আছে। এখন দেশক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ অৱদান থকা শিশুসকলৰ বৰ্তমানটোৰ কথা আমি চিন্তা নকৰিলে অদূৰ ভৱিষ্যতে হ'ব লগা যিকোনো সমস্যাৰ কাৰণে আমিয়েই জগৰীয়া হ'ব লাগিব। এই ক্ষেত্ৰত প্ৰয়াত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহেৰু আৰু প্ৰয়াত ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালামৰ শিশুৰ প্ৰতি থকা আন্তৰিকতা আৰু শিশুসকলকলৈ দেখা এখন উজ্জ্বল ৰাষ্ট্ৰৰ সম্ভাৱনাত আমিও হাত উজান দিব পাৰিলেহে শিশু দিৱসৰ প্ৰকৃত তাত্‌পৰ্য ৰক্ষা কৰা হ'ব।



# সমাজৰ উন্নতিত শিশুৰ গুৰুত্ব

**আয়শা ছিদ্দিকা (আছৰি)**

আমি সদায় এই এটা কথা কিতাপৰ পৃষ্ঠাত হওক কিংবা মানুহৰ মুখত হওক কিংবা কোনো মঞ্চৰ শক্তিশালী ভাষণত পাই থাকোঁ। কথাটো হ'ল "আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যত।"

বৰ্তমান সমাজত শিশুৰ চিন্তা শক্তি, আচৰণ আৰু ব্যৱহাৰে নিৰ্ণয় কৰে সমাজ এখন বা দেশ এখনৰ আগন্তুক চিত্ৰ কিংবা অৱস্থা কেনেকুৱা হ'ব। যাৰ বাবে চৰকাৰেও শিশুৰ সৰ্বাংগীণ বিকাশৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি বিভিন্ন কাৰ্য্যসূচী ৰূপায়ণ কৰাও দেখা যায়।

ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী তথা ভাৰতৰত্ন প্ৰাপ্ত পণ্ডিত জৱাহৰলাল নেহৰু, যিজন ব্যক্তিয়ে শিশুসকলক স্বাৰ্থহীনভাৱে ভাল পাইছিল আৰু শিশু সকলেও মৰমতে "চাচা" সম্বোধন কৰিছিল। সেই মহান ব্যক্তিজনৰ জন্মদিনক স্মৰণ কৰি আজিৰ দিনতো ১৪ নৱেম্বৰ তাৰিখে শিশু দিৱস পালন কৰা হয়।

বৰ্তমান সময়ত শিশুৰ শাৰীৰিক, মানসিক, আৰু নৈতিক বিকাশৰ প্ৰতি গুৰুত্ব দিয়া দেখা যায়। শিশুৰ মনত সৃষ্টিশীলতা, যুক্তিবাদিতা, সহনশীলতা, আৰু দেশপ্ৰেমৰ দৰে গুণৰ বিকাশ নহ'লে এখন উন্নত সমাজ গঢ়ি উঠা অসম্ভৱ। চৰকাৰে ইয়াৰ বাবে শিক্ষাৰ সৰ্বজনীনতা, শিশু স্বাস্থ্যৰ যত্ন, আৰু শিশুৰ মৌলিক অধিকাৰৰ ৰক্ষণাবেক্ষণ আদি পদক্ষেপ লোৱাও দেখা যায়। এই পদক্ষেপসমূহে শিশুক সুস্থ, সক্ষম, আৰু দায়বদ্ধ নাগৰিক হিচাপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিয়ে।

সামাজিক দায়বদ্ধতাৰ অংশ হিচাপে প্ৰত্যেক ব্যক্তি, পৰিয়াল, আৰু সমাজে শিশুৰ উন্নতিৰ বাবে একোটা সুস্থ পৰিৱেশৰ ব্যৱস্থা কৰিব লাগে। শিশুৱে যাতে নিজৰ সম্ভাৱনাৰ পূৰ্ণ বিকাশ কৰিব পাৰে, তাৰ বাবে শিক্ষা, স্বাস্থ্য, আৰু নৈতিক মূল্যবোধৰ দিশত পূৰ্ণ সমৰ্থন আগবঢ়োৱাটো অতি প্ৰয়োজনীয়। শিশুৱেই হ'ল আমাৰ ভৱিষ্যতৰ ৰূপকাৰ। শিশুৰ সঠিক দিশনিৰ্দেশনা আৰু বিকাশে এখন সমাজক অগ্ৰসৰ, ন্যায়পূৰ্ণ, আৰু সমৃদ্ধিশালী কৰি তুলিব পাৰে। শিশুক কেন্দ্ৰ কৰি যি কোনো উন্নয়নমূলক কাৰ্য্য পৰিকল্পনা ৰূপায়ণ কৰাটো এখন ৰাষ্ট্ৰৰ দীৰ্ঘদৰ্শী চিন্তাৰ ইঙ্গিত বহন কৰে।

বাস্তৱত এই বিষয়ে বিশ্লেষণ কৰিব গ'লে সকলো শিশু একে পৰিমাণৰ সুযোগ পোৱা নাই। বৰ্তমানতো বহু শিশু দাৰিদ্ৰ্য, অনাহাৰ, অশিক্ষা আৰু শিশু শ্ৰমিকতাৰ বলি হৈ পৰিছে। বহুজন শিশোৱে বিদ্যালয়লৈ যোৱাৰ সুযোগ নাপায় বিনামূল্য শিক্ষা ব্যৱস্থা হোৱাৰ পিছতো। এতিয়া আমাৰ সমাজৰ কৰ্তব্য হ'ব লাগে এই পিছপৰা শিশুবোৰকও শিক্ষাৰ মূল প্ৰবাহত অন্তৰ্ভুক্ত কৰা, তেওঁলোকক সুৰক্ষিত পৰিৱেশ প্ৰদান কৰা, আৰু তেওঁলোকৰ মনত আশা আৰু সপোন বাস্তৱায়িত কৰাৰ চেষ্টা কৰা।

শিশুবোৰৰ মাজত মানৱতা, নৈতিকতা, কৰুণা আৰু সামাজিক দায়িত্ববোধৰ শিক্ষা দিয়া হয় যদিও ইয়াৰ ওপৰত আৰু গুৰুত্ব দিয়া উচিত। পাঠ্যক্ৰমত শিক্ষাৰ উপৰিও তেওঁলোকক সত্যবাদী, সহিষ্ণু আৰু ন্যায়প্ৰিয় নাগৰিক হিচাপে গঢ়ি তোলা হ'লেহে সমাজ এখন দেশ এখন সুন্দৰ হিচাপে গঢ়ি উঠিব। শিশুবোৰ ফুলৰ দৰে কোমল আৰু দেশৰ ভৱিষ্যতৰ মূল সেই কাৰণে তেওঁলোকক সঠিক যত্ন, শিক্ষা আৰু সহিষ্ণুতাৰ দিশে আগবঢ়াই নিব লাগে। সমাজত চলি থকা শাসনৰ নামত শিশু নিৰ্যাতন, উপাৰ্জনৰ তাগিদাত শিশু অত্যাচাৰ নিপাত যাওক সকলোৱে সপোনৰ পূৰ্ণতাৰে সুন্দৰ, সুশীল হিংসা-বিবাদ নথকা সমাজ গঢ়ি উঠক।

# শিশু দিৱস এক উল্লেখযোগ্য স্মাৰোৎসৱ



**নিবেদিতা হাজৰিকা**

ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনটো (১৪ নৱেম্বৰ) সমগ্ৰ দেশতে আন্তৰ্জাতিক শিশু দিৱস হিচাপে পালন কৰা হয়। শিশু দিৱস হৈছে শিশু আৰু শৈশৱৰ গুৰুত্ব, অধিকাৰ, সুৰক্ষা আৰু সুখ-সমৃদ্ধিৰ প্ৰতি সজাগতা বৃদ্ধিৰ উদ্দেশ্যে উদ্‌যাপন কৰা এটা বিশেষ দিন। এই দিনটোৱে শিশু সকলৰ অধিকাৰ, তেওঁলোকৰ শিক্ষা আৰু তেওঁলোকৰ সুৰক্ষা নিশ্চিত কৰাৰ বিষয়ে চিন্তা কৰিবলৈ অনুপ্ৰাণিত কৰে।

শিশু দিৱস পালন কৰাৰ অৰ্থই হ'ল দেশৰ শিশুসকলক আনন্দ কৰাৰ বাট দেখুৱাই এটা সুন্দৰ ভৱিষ্যৎ গঢ়ি শিক্ষা - দীক্ষাৰে উন্নত কৰি তোলা তথা শিশুক মানসিক, শাৰীৰিক আৰু সামাজিক ভাৱে সঠিক বিকাশৰ বাবে সহায়ক পৰিৱেশ প্ৰদান কৰা।

এই দিৱসটো সমাজৰ শিশুবোৰৰ সমস্যা সমূহ যেনে - শিশু শ্ৰম, শিশু বিবাহ বা বাল্য বিবাহ, অপুষ্টি আৰু শিক্ষা নোলোৱা পৰিস্থিতিৰ প্ৰতি সজাগ কৰাৰ এটা সুযোগ। ই শিশুসকলক এক সুৰক্ষিত, মৰম আৰু সুস্থ পৰিৱেশত ডাঙৰ-দীঘল হোৱাৰ অধিকাৰৰ বিষয়ে সচেতন কৰে, শিশু শ্ৰমিকৰ বিৰুদ্ধে সজাগতা বৃদ্ধি কৰা, শিশুসকলক নিৰ্যাতন আৰু দুৰ্ব্যৱহাৰৰ পৰা ৰক্ষা কৰা তথা এক মৰমিয়াল পৰিৱেশ নিশ্চিত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত এই দিনটোত আলোকপাত কৰা হয়।

যিখন সমাজত শিশুৰ মৰমক পূৰ্ণ মৰ্যাদা প্ৰদান কৰি 'শিশু দিৱস' উদ্‌যাপন কৰা হয়, সেইখন সমাজত কিন্তু বৰ্তমান সময়তো বহু শিশুৱে একমাত্ৰ পেটৰ তাড়ণাত, ঘৰুৱা আৰ্থিক দুৰৱস্থাৰ বাবে সময়তকৈ আগতেই গধুৰ দায়িত্ব পালন কৰিব লগা হৈছে, বোজা কঢ়িযাব লগাত পৰিছে। এনে শিশুৰ বাবে শিশু দিৱস বা শিশু শ্ৰম বিৰোধী দিৱসৰ কোনো অৰ্থ নাই। কিয়নো এই দিৱস পালনৰ অৰ্থ বুজি পাবলৈ তেওঁলোক অক্ষম বা বুজি পাইও উপায়বিহীন।

শিশু দিৱস কেৱল এক অনুষ্ঠান নহয়, ই শিশু সকলৰ অধিকাৰ, সুৰক্ষা আৰু উন্নত ভৱিষ্যতৰ বাবে এক গুৰুত্বপূৰ্ণ স্মৰণোৎসৱ। শিশু সকলৰ বাবে এক উন্নত ভৱিষ্যত গঢ়ি তুলিবলৈ অনুপ্ৰাণিত কৰা এই দিৱসৰ বিশেষ তাৎপৰ্য আছে। চৰকাৰেও শিশু সকলৰ বহু আঁচনি, কাৰ্যসূচী আদি গ্ৰহণ কৰিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত এই সমূহ কিমান দূৰ ফলৱতী হৈছে ই এক গুৰুত্বৰ বিষয় বা প্ৰশ্ন। কিয়নো, যদিও শিশু দিৱস পালন কৰা হৈছে, তথাপি শিশু সকলৰ অধিকাৰ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত সমাজ আৰু বহু সময়ত চৰকাৰেও সম্পূৰ্ণ উপযুক্ত ভূমিকা পালন বা গ্ৰহণ কৰিছে বুলি ক'ব নোৱাৰি বা ক'ব পৰা নাযায়। কিয়নো শিশু কেন্দ্ৰিক বহু সমস্যা যেনে - শিশু শ্ৰম, অপুষ্টি আৰু শিক্ষাৰ অভাৱ এক গভীৰ সমস্যা হিচাপে আজিও পৰিগণিত হৈ আছে। যিটো সময়ত শিশু সকলৰ মুকলি মনেৰে খেলা-ধূলা, পঢ়া-শুনা কৰাৰ বয়স সেই সময়তেই আমাৰ দেশৰ বহুতো শিশুৱে হাড় ভঙা পৰিশ্ৰম কৰি পেটৰ ভাত মোকোলাব লগা হৈছে। বহু নিঠৰুৱা পৰিয়ালৰ গুৰি ধৰিব লগা হৈছে সেই পৰিয়ালৰ অপৰিপক্ক শিশুটিয়েই। এই নিঠৰুৱা শিশুসকলক চৰকাৰে প্ৰণয়ন কৰা কোনো আঁচনিয়েই ঢুকি নাপায়। শুনিবলৈ আচহুৱা যেন লাগিলেও এই কথা অপ্ৰিয় সত্য যে, যিখন দেশৰ এজন প্ৰধান মন্ত্ৰীয়ে শিশুসকলক তেওঁৰ ভালপোৱাৰ প্ৰতিদান স্বৰূপে নিজৰ জন্মদিনটো দান দি থৈ গৈছিল, যিজন ব্যক্তিয়ে জীৱনৰ অধিকাংশ সময় সমাজৰ শিশু সকলৰ বাবে উছৰ্গা কৰিছিল, চিন্তা কৰিছিল সেইখন দেশতেই বৰ্তমান শিশুসকল আটাইতকৈ অৱহেলিত। পণ্ডিত জৱাহৰলাল নেহৰু দেৱে কৈছিল - "আজিৰ ল'ৰা-ছোৱালীয়ে কালিলৈ ভাৰত নিৰ্মাণ কৰিব" এই চিন্তাধাৰা সকলো সময়তে পালন কৰা উচিত, কেৱল শিশু দিৱসতে নহয়। শিশু দিৱসৰ দিনা বিভিন্ন অনুষ্ঠান, প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰি খেল-ধেমালি, মিঠাই আদি বিতৰণ কৰিলেই শিশু সকলৰ কল্যাণ নহয়।

# প্ৰতিগৰাকী শিশু ভৱিষ্যতৰ সুনাগৰিক হওক

**বেণুৰাম ৰাভা**

দেশৰ প্ৰথম গৰাকী প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ জন্ম তিথি উপলক্ষে ১৪ নভেম্বৰ তাৰিখে সমগ্ৰ দেশতে শিশু দিৱস হিচাপে পালন কৰা হয়। কাৰণ তেওঁ শিশুসকলৰ প্ৰতি থকা বহুতো মৰম আৰু বিশ্বাসৰ বাবে এই বিশেষ কাৰ্যসূচী আৰু স্কুলত শিশুসকলক সংগীনুস্থান, কবিতা আবৃত্তি, খেলা- ধূলা, আদিৰ দ্বাৰা শিশুসকলৰ প্ৰতিভা সমূহ উলিয়াই অনা হৈছিল। এই শিশু দিৱসৰ মূল উদ্দেশ্য হৈছে শিশুৰ অধিকাৰ, শিক্ষা আৰু কলণাৰ বাবে বিশেষ সজাগতা বৃদ্ধি কৰা। শিশুসকলক প্ৰতিটো দিশতে যাতে দক্ষ কৰি তুলিব পাৰি তাৰ বাবে বৰ্তমানৰ প্ৰাথমিক শিক্ষা ব্যৱস্থাই শিক্ষা ব্যৱস্থাখনক শিশুকেন্দ্ৰীক কৰি তুলিছে যাতে দেশৰ সংবিধানৰ ৮৬ নং অনুচ্ছেদ অনুযায়ী প্ৰাথমিক শিক্ষাৰ মৌলিক অধিকাৰ সমূহ কাৰ্যকৰী হয়। আজিৰ শিশু কেন্দ্ৰীক শিক্ষা ব্যৱস্থাখনত শিশুৰ সৰ্বাংগীণ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি শিশুৰ মানসিক, শাৰীৰিক, বৌদ্ধিক দিশত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। শিশুসকলে যাতে নিজে নিজৰ পৰিশ্ৰমৰ মাধ্যমেৰে জ্ঞান আহৰণ কৰি ল'ব পাৰি আৰু নতুন নতুন জ্ঞান অৰ্জনৰ যোগে ভৱিষ্যতৰ একো একোগৰাকী সুনাগৰিক হ'ব পাৰে তাৰ প্ৰতি লক্ষ্য ৰখা হয়।

বিদ্যালয় আৰু পৰিয়ালৰ পৰিৱেশ সুস্থ হোৱাত অধিক গুৰুত্ব প্ৰদান কৰিব লাগে যাতে শিশুসকলৰ দৈহিক, মানসিক, সামাজিক, আৱেগিক আৰু নৈতিক বিকাশৰ দিশত পৰিয়াল আৰু বিদ্যালয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে শিশুৰ বিকাশত। মাজে-মাজে শিশুসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, নৃত্য-গীত প্ৰতিযোগিতা সমূহ পাতি শিশুসকলৰ প্ৰতিভা সমূহ উলিয়াই অনাত সহায় কৰিব লাগে। ইয়াৰ বাহিৰেও শিশুসকলক সমাজৰ ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, অনুশাসন ব্যৱস্থা, সমাজৰ চাল চলণ, ধৰণ - কৰণৰ দিশতো শিশুসকলক প্ৰস্তুত কৰি তোলাৰ লগতে শিশুসকলৰ ব্যক্তিত্বৰ বাহ্যিক আচৰণৰ দিশটো সমাজৰ গ্ৰহণযোগ্যতা ৰূপত গঢ়ি উঠাত সহায়ক হ'ব লাগে। সেই দৰে সামাজিক জীৱনত নিজকে সমাজৰ মাজত কেনেদৰে থাকিব লাগিব বা পৰিয়াল মাজত থকা আস্থা নিস্থা, বিশ্বাসে সামাজিক আৰু সাংস্কৃতিক দিশত এজন শিশোৱে সমাজ তথা পৰিয়ালৰ সেই জ্ঞান সমূহ কেনেদৰে আয়ত্ব কৰিব লাগিব তাৰ বাবে ও শিশুসকলক সাজু কৰি তুলিব লাগিব। পৰিয়ালৰ মাজত থকা এনে এটা সামাজিক পৰিস্থিতি আৰু প্ৰভাৱে শিশুৰ নৈতিক জীৱনৰ ন্যায় - অন্যায়, উচিত অনুচিত, আদি বিচাৰ বিবেচনাৰ মনোভাৱ আৰু আচৰণ গঢ়ি তোলাত সহায়ক হ'ব।

এজন শিশোৱে তেওঁৰ সামাজিক পৰিৱেশতে সামগ্ৰীকভাৱে তাৰ ব্যক্তিত্বৰ বুনিয়াদ ৰচনা কৰাত সহায়ক হ'ব। বৰ্তমানৰ শিক্ষা ব্যৱস্থাখনে শিশুৰ ব্যক্তিত্ব বিকাশৰ বাবে অধিক গুৰুত্ব প্ৰদান কৰে। শিশোৱে যাতে সুস্থ পৰিৱেশত থাকি অধ্যয়ন কৰিব পাৰি তাৰ বাবে স্কুলৰ কাৰ্যসূচী অধ্যয়ন কৰা আৰু মানসিক ভাৱে সচেতনতাৰ ভাৱ প্ৰস্তুত কৰি আৰু পৰিচালনা কৰাত সহায়ক হোৱাকৈ সাজু কৰি তুলিব লাগিব। শিশুৰ ব্যক্তিত্ব গঠনত বিদ্যালয় আৰু পৰিৱেশে হৈছে সচেতনভাৱে নিয়ন্ত্ৰিত আৰু পৰিচালিত কৰা এক সামাজিক পৰিৱেশ। শিশোৱে বিদ্যালয়ত নিজকে সাপ খুৱাই চলিব পৰাকৈ সমাজে এক পৰিৱেশ গঠন কৰি তুলিব লাগে যাতে বিদ্যালয়ৰ পৰাই প্ৰতিগৰাকী শিশোৱে একো একোগৰাকী দেশৰ ভৱিষ্যতৰ সুনাগৰিক হোৱাত সহায়ক হ'ব লাগে। বিদ্যালয়ৰ পৰাই শিশুসকলক নিজৰ ভাব অনুভূতি, চিন্তা, অভিজ্ঞতা আদিৰ আনৰ সৈতে ভাৱ বিনিময় কৰিব পাৰি তাৰ বাবে প্ৰস্তুত কৰি তুলিব লাগিব।

আজিৰ শিশু কাইলৈ দেশৰ সুনাগৰিক হৈ গঢ় লৈ উঠক প্ৰতিগৰাকী শিশু। শিশোৱে নিজৰ মানসিক আৰু আৱেগিক অৱস্থা বিদ্যালয়ৰ সামাজিক পৰিৱেশতে গঢ়লৈ উঠাকৈ শিক্ষা ব্যৱস্থাখন প্ৰস্তুত হ'ব লাগে আৰু ব্যক্তিগত অৱস্থাৰ আৱশ্যকীয় সংশোধন কৰা আৰু পৰিবৰ্তন সাধন কৰিব পাৰি তাৰ বাবে প্ৰস্তুত কৰি তুলিব লাগিব। সময়ে সময়ে শিশুসকলক বিভিন্ন ঠাইত শিক্ষামূলক ভ্ৰমণত নিব লাগে যাতে শিশুসকলে বিদ্যালয়ৰ জ্ঞান আয়ত্ত কৰাৰ লগতে বাহিৰৰ জ্ঞানখিনিও কিছু আহৰণ কৰিব পাৰি। শিশুসকলক বিদ্যালয় পৰ্য্যায়তে সকলো ধৰণৰ খেলা ধূলা, নাচ গান, কবিতা আবৃত্তি, দুৰ প্ৰতিযোগিতা আদিৰ প্ৰতিভা সমূহ উলিয়াই আনি সামাজিক ভাৱে প্ৰস্তুত কৰাব লাগে। এনে খেলা ধূলা দ্বাৰা এজন শিশোৱে নিজৰ ভাব অনুভূতি ব্যক্ত কৰিবৰ বাবে সুযোগ পাই, ভাষাৰ শব্দ জ্ঞান বৃদ্ধি পাই আৰু সামাজিক ভাৱে শিশোৱে নিজকে সমাজৰ এজন অনুশাসনক গঢ়ি উঠে আৰু সমাজৰ এগৰাকী দায়িত্বশীল ব্যক্তি হিচাপে গঢ় লৈ উঠে।

এই ১৪ নভেম্বৰৰ পৰাই দেশৰ প্ৰতি গৰাকী শিশোৱে দেশৰ ভৱিষ্যতৰ একো একোগৰাকী সুনাগৰিক হিচাপে গঢ় লৈ উঠক। আৰু প্ৰতি গৰাকী শিশু শিক্ষিত হ'লে হে আমাৰ সমাজৰ নীতি নিয়ম, অনুশাসন, সাংস্কৃতিক, অৰ্থনৈতিক আদি ঠণ ধৰি উঠিব। আজিৰ শিশু কাইলৈ দেশৰ সুনাগৰিক হওক।

# শিশু দিৱস আৰু ইয়াৰ তাৎপৰ্য

**এছ ইছলাম**

আজি শিশু দিৱস। প্ৰতি বছৰে ১৪ নবেম্বৰত আমাৰ দেশত পালন কৰা হয় শিশু দিৱস। আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যত। এই শিশোৱে হ'ল মানৱ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ জীৱন। যি চিৰ সুন্দৰ। শিশুৰ মন অভিজ্ঞতাৰ আঘাতে নোকোবোৱা এধানি কলি স্বৰূপ। শিশু সকলৰ বাবে ই এক উল্লেখযোগ্য দিন। এই দিনটো শিশু সকলৰ বাবে উৎসৰ্গীত দিন। শিশুৰ প্ৰতি স্নেহৰ বাবে বিখ্যাত সেইজন মহান মনিষী, আমাৰ সকলোৱে পৰিচিত মুক্তিযোদ্ধা স্বাধীনতা আন্দোলনৰ নেতা, প্ৰথম প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ প্ৰতি সন্মান জনাই তেখেতৰ জন্ম দিনটো শিশু দিৱস হিচাপে পালন কৰা হয়। শিশু সকলক তেওঁলোকৰ অধিকাৰ, যত্ন আৰু শিক্ষাৰ বিষয়ে সজাগতা বৃদ্ধি আৰু সৱলীকৰণ কৰাৰ উদ্দেশ্যে উদ্‌যাপন কৰা হয়।

প্ৰতি বছৰে ১৪ নবেম্বৰ দিনটো শিশু দিৱস হিচাপে পালন কৰা হয়। ১৪ নবেম্বৰ দিনটো ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্ম হয়। শিশু সকলৰ প্ৰতি থকা তেওঁৰ অনুৰাগৰ বাবে সকলোৱে তেওঁক খুৰা বুলি কয়। তেখেতৰ শিশু সকলৰ প্ৰতি থকা অগাধ মৰমক শ্ৰদ্ধা জনাই প্ৰতি বছৰে তেখেতৰ জন্ম দিনটো 'শিশু দিৱস' হিচাপে পালন কৰা হয়। তেখেত শিশু সকলক ৰাষ্ট্ৰৰ ভৱিষ্যত আৰু কাইলৈ দেশৰ নাগৰিক হিচাপে গণ্য কৰা হয়। জৱাহৰলাল নেহৰুৱে কৈছিল,— "আজিৰ সন্তান কাইলৈৰ ভাৰতগঢ়ি তুলিব। আমি তেওঁলোকক যি ধৰণে ডাঙৰ-দীঘল কৰিম সেয়াই দেশৰ ভৱিষ্যত নিৰ্ণয় কৰিব।"

শিশু সকলৰ মাজত নেহৰু খুৰা নামেৰে পৰিচিত পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্ম হৈছিল ১৮৮৯ চনৰ ১৪ নবেম্বৰত এলাহাবাদৰ আনন্দ ভৱনত। তেখেতৰ পিতৃ আছিল মতিলাল নেহৰু আৰু মাতৃ আছিল স্বৰূপা ৰাণী। নেহৰু আছিল তেওঁলোকৰ একমাত্ৰ সন্তান। স্বাধীন ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী হিচাপে নিৰ্বাচিত হৈ কাৰ্য্য নিৰ্বাহ কৰাৰ পাছত তেওঁ ১৯৬৪ চনত ২৭ মে'ত এই মহান নেতাজন ইহলীলা সম্বৰণ কৰে। ১৪ নৱেম্বৰৰ এই দিনটো শিশু দিৱস হিচাপে পালন কৰাৰ প্ৰধান তাৎপৰ্য হ'ল— শিশু সকলৰ প্ৰতি থকা নেহেৰুৰ অকৃত্ৰিম ভালপোৱা আৰু আকাংখা। তেখেত কৈছিল—"আজিৰ শিশু কাইলৈ দেশৰ নাগৰিক। তেওঁলোকৰ সৰ্বপ্ৰকাৰে উন্নতিৰ কাৰণে আমি সদায় যত্নপৰ হ'ব লাগে।" শিশু সকলক নেহৰুৱে বাগিচাৰ ফুলৰ কলিৰ লগত লগত তুলনা কৰিছিল। তেখেত ১৯৫৫ চনত কেৱল শিশুৰ বাবে "চিল্ডাৰচ ফিল্ম ছচাইটি, ইণ্ডিয়া" স্থাপন কৰি শিশু দিৱস হিচাপে উচৰ্গা কৰিছিল। ১৯৫৬ চনৰ পৰা ভাৰতবৰ্ষত ২০ নবেম্বৰ দিনটো শিশু দিৱস হিচাপে উৎযাপন কৰা হৈছিল যদিও জৱাহৰলাল নেহৰুৰ মৃত্যুৰ পাছত ভাৰতীয় সংসদে দেশৰ প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ 'জন্ম জয়ন্তী'ক শিশু দিৱস হিচাপে পালন কৰাৰ এক প্ৰস্তাৱ গৃহীত কৰে। এনে কৰাৰ কাৰণ আছিল নেহৰুৱে শিশুৰ শৈক্ষিক, মানসিক, বৌদ্ধিক বিকাশৰ বাবে অহোপুৰুষাৰ্থ বাবে কাম কৰিছিল। উল্লেখযোগ্য যে নেহৰুয়ে আছিল একমাত্ৰ প্ৰধান মন্ত্ৰী যি শিশুৰ বাবে নিজৰ জীৱনৰ বেছি ভাগ সময় নিয়োজিত কৰিছিল।



# দেৰগাঁৱত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ কৰ্ম বিৰতি-অৱস্থান ধৰ্মঘট

**অসম বাৰ্তা, দেৰগাঁও, ১৩ নৱেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে দেৰগাঁও দক্ষিণ উন্নয়ন খণ্ডৰ সমূহ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীয়ে যোৱা ১১ নৱেম্বৰৰ পৰা তিনিদিনীয়াকৈ কৰ্মবিৰতি ও অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰে। তেওঁলোকে দাবী সমূহ এনে ধৰণেৰে উপস্থাপন কৰিছে। বৰ্তমানে পোৱা বেতনৰ উপৰিও ন্যূনতম ৩০০০০/- টকা এককালীন বেতন বৃদ্ধি কৰি সমকামৰ সমমৰ্যাদা প্ৰদান কৰা। প্ৰতি বছৰে ন্যূনতম ১০ শতাংশ বেতন বৃদ্ধি কৰা। দীৰ্ঘদিনে আগবঢ়োৱা সেৱাৰ স্বীকিস্বৰূপে ৬০ বছৰ বয়সলৈ চাকৰি সুৰক্ষা নিশ্চিতকৰণ কৰা HR Policy নীতি প্ৰণয়ন ও প্ৰয়োগৰ জৰিয়তে আমাৰ অধিকাৰ সুনিশ্চিত কৰা। এই দাবীসমূহ চৰকাৰ তথা বিভাগীয় মন্ত্ৰী ও বিষয়াই কাৰ্যকৰীকৰণ কৰি তেওঁলোকৰ লগতে তেওঁলোকৰ পৰিয়ালৰ ভৱিষ্যত সুনিশ্চিত কৰাৰ দাবী জনোৱাৰ লগতে গুৰুত্বসহকাৰে বিবেচনা কৰিবৰ বাবে অনুৰোধ জনাই ছে। লগতে তেওঁলোকে আক্ষেপ প্ৰকাশ কৰে যে তেওঁলোকে বিভিন্ন সমস্যাৰ মাজেদি পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ বিভিন্ন আঁচনি যেনে কভিড ডিউটি, Election Duty, PMAY (G) Survey, MGNREGA NSAP, Orunodoi আদি যিমানখিনি পঞ্চায়তৰ উন্নয়নমূলক কাম কৰি পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ ৰাষ্ট্ৰীয় পৰ্যায়ত সন্মান পাবলৈ সক্ষম কৰোৱাৰ পাছতো তেওঁলোকে যোগ্য প্ৰাপ্য পাবলৈ সক্ষম হোৱা নাই। বৰ্তমান মূল্যবৃদ্ধিৰ দিনত তেওঁলোকে পোৱা ন্যূনতম দৰমহাৰে পৰিয়াল তথা ল'ৰা- ছোৱালীক উচ্চ শিক্ষাৰ পৰা বঞ্চিত কৰিব লগীয়া হৈছে। উল্লেখ্য যে পঞ্চায়ত কৰ্মচাৰী সকলে বিভিন্ন চৰকাৰী চাকৰিৰ তুলনাত তেওঁলোকে অসম চৰকাৰৰ পৰা সম মৰ্যাদা নোপোৱাৰ বাবে কৰ্মচাৰী সকলে ক্ৰমে ৬০ বছৰলৈ চাকৰি সুনিশ্চিত কৰা, সকলো কৰ্মচাৰীৰ সম কামৰ সম বেতন নীতি প্ৰযোজ্য কৰা, সকলো কৰ্মচাৰীৰ আৰ অ পি (ROP) ব্যৱস্থা কৰা, চৰকাৰী কৰ্মচাৰী সকলে লাভ কৰা সকলো সুবিধা প্ৰদান কৰা, বিভাগত খালি হোৱা প্ৰতিটো পদৰ বিপৰীতে অভিজ্ঞতা আৰু যোগ্যতা অনুসৰি সকলো ঠিকাভিত্তিক কৰ্মচাৰীক বিভাগীয়ভাৱে পৰীক্ষা পাতি নিযুক্তি প্ৰদান কৰা আদি বিভিন্ন দাবীৰে কৰ্ম বিৰতি আৰু অৱস্থান ধৰ্মঘট পালন কৰে। কৰ্মচাৰী সকলে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত দিনৰাতি একাকাৰ কৰি কাম কৰি থকাৰ পাচতো চৰকাৰে এই সকল কৰ্মচাৰীক মাহী আইৰ চকুৰে চোৱাৰ অভিযোগ উত্থাপন কৰে। একাংশ কৰ্মচাৰীয়ে ন্যূনতম দৰমহাত কাম কৰি আছে যদিও এইক্ষেত্ৰত চৰকাৰে কোনো কাৰ্যব্যৱস্থা গ্ৰহণ নকৰাত প্ৰতিক্ৰিয়া ব্যক্ত কৰে কৰ্মচাৰী সকলে। পৰিতাপৰ বিষয় যে, বিভিন্ন সময়ত এইসকল কৰ্মচাৰীৰ ফালৰ পৰা বিভাগীয় মন্ত্ৰী তথা মুখ্যমন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান কৰিছিল যদিও গা লৰা নাই গ্ৰামোন্নয়ন বিভাগৰ মূল হোতাসকলৰ। ইয়াৰ পাচতো যদিহে চৰকাৰে দাবী মানি নলয় তেতিয়া হ'লে আগন্তুক দিনত অধিক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি কৰ্মচাৰীসকলে জানিবলৈ দিয়ে। অৱস্থান ধৰ্মঘট কাৰ্যসূচীত অংশগ্ৰহণ কৰা কৰ্মচাৰী সকলে তেওঁলোকৰ দাবী সমূহ পূৰণ কৰিবলৈ অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ দাবী কৰিছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ গ্ৰাম ৰোজগাৰ সহায়ক, কম্পিউটাৰ সহায়ক, গাণনিক সহায়ক, গাঁও পঞ্চায়ত সমন্বয়ক, স্বীকৃতিপ্ৰাপ্ত অভিযন্তা, ব্লক এম আই এছ মেনেজাৰ সকলৰ এনে কৰ্মবিৰতিৰ পৰিণতিত এতিয়া বিভাগটোৰ সকলো কাম-কাজ বন্ধ হৈ পৰিছে।

## স্বীকৃতিয়ে মানুহক অধিক দায়বদ্ধ কৰি তোলে - ড° দেৱজিৎ শইকীয়া

# 'সমাজ হিতৈষী' তুলসী ৰাজখোৱাক মাজুলী মহাবিদ্যালয়ৰ সম্বৰ্ধনা

**অসম বাৰ্তা, উজনী মাজুলী, ১৩ নৱেম্বৰ ঃ** সোণালী জয়ন্তী বৰ্ষ গৰকা মাজুলীৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান কমাৰ গাঁও ৰূপালী যুৱক সংঘৰ দ্বাৰা প্ৰৱৰ্তিত 'সমাজ হিতৈষী বঁটা'প্ৰাপক মাজুলী মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তুলসী ৰাজখোৱাক আজি মহাবিদ্যালয় শিক্ষক গোটে সম্বৰ্ধনা জনায়। মহাবিদ্যালয় কৰ্তৃপক্ষৰ সহযোগত দুপৰীয়া ১২ বজাৰ পৰা শিক্ষক জিৰণি কোঠাত আয়োজিত সম্বৰ্ধনা অনুষ্ঠানত সভাপতিত্ব কৰে মহাবিদ্যালয় শিক্ষক গোটৰ সভাপতি ডঃ ব্ৰজেন চন্দ্ৰ নেওগে। গোটৰ সম্পাদক ড° অনুপ কুমাৰ দলেয়ে আঁত ধৰা সভাখনি উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, "স্বীকৃতিয়ে মানুহক অধিক দায়বদ্ধ কৰি তোলে। সমাজ-কৰ্ম কৰি পোৱা তৃপ্তিৰ সমান সুখ পৃথিৱীত নাই। এনে সুখ সমাজ সেৱকসকলৰ বাহিৰে আনে অনুভৱ কৰিব নোৱাৰে। অধ্যাপক তুলসী ৰাজখোৱাও এজন সমাজ কৰ্মেৰে নিজকে সুখী কৰি ৰাখিব খোজা লোক। তেওঁ নিজৰ বৃত্তিগত কৰ্ম সুসম্পাদন কৰাৰ পাছতো সমাজৰ বাবে যিখিনি কৰিছে, তাক প্ৰশংসা কৰিবই লাগিব।" আজিৰ সভাত তুলসী ৰাজখোৱাক গোটৰ লগতে মহাবিদ্যালয় কৰ্তৃপক্ষৰ তৰফৰ পৰা অংগবস্ত্ৰ, কিতাপৰ টোপোলা, স্মাৰক আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাত বক্তব্য দাঙি ধৰি মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া আৰু জ্যেষ্ঠ অধ্যাপিকা গীতাৰাণী গোস্বামীয়ে মাজুলীৰ সমাজ-সংস্কৃতিৰ বৃহৎ ক্ষেত্ৰখনলৈ অত্যন্ত নিষ্ঠাসহকাৰেবৰঙনি যোগাই যোৱা তুলসী ৰাজখোৱাক 'সমাজ হিতৈষী বঁটা' প্ৰদান কৰি যোগ্যজনক যোগ্য সন্মান যচা বুলি উল্লেখ কৰে।



সম্বৰ্ধনা গ্ৰহণ কৰি বঁটাপ্ৰাপক তুলসী ৰাজখুৱাই সহকৰ্মীসকলৰ পৰা পোৱা স্বীকৃতি বা আদৰৰ মূল্যই সুকীয়া বুলি মন্তব্য কৰে। সম্বৰ্ধনা সভাত মহাবিদ্যালয় অভ্যন্তৰীণ মান নিশ্চিকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, জ্যেষ্ঠ অধ্যাপিকা ইন্দিৰা বড়া, ডঃ ৰূপজ্যোতি বৰা, সুৰেন চন্দ্ৰ দাস, প্ৰণীতা ৰাজখোৱা, অপূৰ্বজ্যোতি হাজৰিকা, ড° দুলাল হাজৰিকা, প্ৰণৱজ্যোতি বৰা, ড° প্ৰফুল্ল বৰা, দেৱজ্যোতি খাটনিয়াৰ, নৱজিৎ চেলেং, ড° জয়া কলিতা গগৈ, ডঃ অৰূপ বুঢ়াগোহাঁই, ড° জুলি গগৈ, ড° দেৱজ্যোতি ভট্টাচাৰ্য, সুদৰ্শনা ফুকন, গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাস, মহাবিদ্যালয় কৰ্মচাৰী গোটৰ সভাপতি পদ্মধৰ বৰুৱা, সম্পাদক উৎপল বৰুৱা প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি বঁটাপ্ৰাপক তুলসী ৰাজখোৱাক অভিনন্দন জনায়।

# ৰূপহীহাটৰ শিঙিমাৰী-গড়াজান উন্নয়ন খণ্ডত শান্তিপূৰ্ণ প্ৰতিবাদেৰে ধৰ্মঘট কাৰ্যসূচী পালন

**অসম বাৰ্তা, ৰূপহীহাট, ১৩ নৱেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে আজি শিঙিমাৰী আৰু গড়াজান উন্নয়ন খণ্ডতো ঠিকাভিত্তিক কৰ্মচাৰী সকলে শান্তিপূৰ্ণ প্ৰতিবাদেৰে ধৰ্মঘট কাৰ্যসূচী পালন কৰে। সদৌ অসম গ্ৰাম উন্নয়ন আৰু পঞ্চায়ত বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ আহ্বান ক্ৰমে এই কাৰ্যসূচী পালন কৰে। ঠিকাভিত্তিক কৰ্মচাৰীৰ সকলে চাৰি দফীয়া দাবীৰে এই ধৰ্মঘট কাৰ্যসূচী পালন কৰে। ঠিকাভিত্তিক কৰ্মচাৰীৰ চাৰি দফীয়া দাবী কেইটা হল বৰ্তমান পোৱা বেতন উপৰিও ন্যূনতম ৩০.০০০ টকাৰ এককালীন বেতন বৃদ্ধি কৰি সমকামৰ সমমৰ্যাদা প্ৰদান কৰা, প্ৰতি বছৰে ন্যূনতম ১০ শতাংশ বেতন বৃদ্ধি স্থায়ীভাৱে প্ৰয়োগ কৰা, দীৰ্ঘদিনীয়া আগবঢ়োৱা সেৱাৰ স্বীকৃতি হিচাপে ৬০ বছৰ বয়সলৈ চাকৰি সুৰক্ষা নিশ্চিতকৰণ কৰা আৰু এইছআৰ পলিসি নীতি প্ৰণয়ন আৰু প্ৰয়োগৰ জৰিয়তে ঠিকাভিত্তিক কৰ্মচাৰীৰ অধিকাৰ সুনিশ্চিত কৰা। চৰকাৰে অতিশীঘ্ৰে দাবী সমূহ মানি নললে আগন্তুক দিনত জিলা ভিত্তিক পৰৱৰ্তী সময়ত ৰাজ্যিক ভিত্তিক গ্ৰাম পঞ্চায়তৰ কৰ্মচাৰীয়ে এই ধৰ্মঘট কাৰ্যসূচী তীব্ৰতৰ কৰাৰ হুংকাৰ প্ৰদান কৰে। উল্লেখ্য যে ২০২২ চনতে ঠিকাভিত্তিক কৰ্মচাৰীসকলে অনিৰ্দিষ্টকালীন প্ৰতিবাদৰ কাৰ্যসূচী হাতত লৈ কৰ্মবিৰতি আৰম্ভ কৰিছিল। সেই সময়ত ধৰ্মঘটৰ ফলত কাৰ্যালয় অচল হৈ পৰাত চৰকাৰে আলোচনা কৰি সমস্যা সমাধানৰ আশ্বাস দিছিল যদিও পৰৱৰ্তী সময়ত সেই বোৰ ভেঁকোভাওনাত পৰিণত হয়। যাৰ বাবে পুনৰ কৰ্মচাৰীসকলে আজি এই ধৰ্মঘট ৰূপায়ণ কৰি চৰকাৰে কৰা প্ৰতাৰণা কথা সোৱঁৰাই দি প্ৰাপ্য দাবী পুৰণ কৰিবলৈ পদক্ষেপ নললে আগন্তুক দিনত তীব্ৰ প্ৰতিবাদী কাৰ্যসূচীৰ পন্থা বাচি ল'ব বুলি বঞ্চিত কৰ্মচাৰীসকলে ক্ষোভ প্ৰকাশ কৰে।

# পথালিপাহাৰ সন্মিলিত নাট্য সমাজৰ উদ্যোগত নাট সমাৰোহৰ আয়োজন

**অসম বাৰ্তা, বান্দৰদেৱা, ১৩ নৱেম্বৰ ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী বৃহত্তৰ পথালিপাহাৰ অঞ্চলটোৰ অন্যতম স্বেচ্ছাসেৱী, সামাজিক সাংস্কৃতিক, আৰু নাট্য চৰ্চাৰ অনুষ্ঠান পথালিপাহাৰ সন্মিলিত নাট্য সমাজৰ উদ্যোগত প্ৰতি বছৰৰ দৰে এইবাৰো অঞ্চলটোৰ বাচক বনীয়া শিল্পী সকলক লৈ দুদিনীয়া কাৰ্যসূচীৰে নাট সমাৰোহৰ আয়োজন কৰিছে। সেই উদ্দেশ্যে যোৱা বুধবাৰে সন্ধিয়া দুখন নাটকৰ আনুষ্ঠানিকভাৱে শুভ মহুৰত কৰা হয়। মঞ্চাধক্ষ দেৱব্ৰত কাকতিয়ে আঁতধৰা উক্ত অনুষ্ঠানত নাট্য সমাজৰ শিল্পী কলা-কুশলী সকলৰ উপস্থিতিত সভাপতি প্ৰবীণ বৰুৱাৰ লগতে কাৰ্যকৰী সভাপতি, বিশ্বেশ্বৰ দত্তই আনুষ্ঠানিকভাৱে বন্তি প্ৰজ্বলন কৰি নাট দুখনি শুভাৰম্ভ কৰে। অভিজিত ভট্টাচাৰ্যৰ ৰচনা আৰু সুদক্ষ অভিনেতা তথা ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ নাট্যশিল্পী, বাবুল বৰাৰ পৰিচালনাত "ৰুদ্ৰ সাগৰ" আৰু সংকল্প হাজৰিকাৰ ৰচনাৰে স্থানীয় নাট্যশিল্পী ৰূপম দত্তৰ পৰিচালনাত "চুম্বক" শীৰ্ষক নাট দুখনি মঞ্চস্থ কৰিব। সেয়েহে অহা ডিচেম্বৰ মাহৰ ১২ আৰু ১৩ তাৰিখত মঞ্চস্থ হ'ব লগা দুয়োটি নিশাৰ নাট উপভোগ কৰিবলৈ নাট্যপ্ৰেমী ৰাইজক আমন্ত্ৰণ জনোৱাৰ লগতে সকলোৰে সহায় সহযোগিতা কামনা কৰিছে নাট্য সমাজৰ স্থায়ী সভাপতি প্ৰবীণ বৰুৱা আৰু সম্পাদক ৰঞ্জিত বৰাই।

# পালনাম মহোৎসৱৰ উপলক্ষে আঞ্চলিক জনতা কৃষ্টি সংঘই ১৪ আৰু ১৫ নৱেম্বৰত মঞ্চায়ন কৰিব শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা

**অসম বাৰ্তা, মাজুলী, ১৩ নৱেম্বৰ ঃ** আউনীআটী সত্ৰৰ সমীপৱৰ্তী ১৪খন গাঁৱৰ সন্মিলীত প্ৰচেষ্টা গঢ়লৈ উঠা আঞ্চলিক জনতা কৃষ্টি সংঘই ১৯৯০ চনৰ পৰা কৃষ্ণৰ ৰাসলীলা মঞ্চায়ন কৰি আহিছে। জুগুনীধাৰী গাঁৱৰ নিবাসী প্ৰয়াত বিপিন চন্দ্ৰ বৰা ৰচিত শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা নাটেৰে এই মঞ্চৰ উপৰিও মাজুলী মিলন সংঘ তথা বহুকেইটা মঞ্চত উপস্থাপন কৰা নাটখনে বিশেষভাৱে জনপ্ৰিয়তা অৰ্জন কৰিছে। প্ৰতিষ্ঠা কালৰে পৰা মূল ৰাসৰ উপৰিও আউনীআটী পালনাম মহোৎসৱৰ সময়ত সমবেত হোৱা দৰ্শনাৰ্থীৰ প্ৰতি সন্মান জনাই শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা প্ৰদৰ্শন কৰি আহিছে। অসমৰ বিভিন্ন ঠাইৰ পৰা অহা দৰ্শনাৰ্থীয়ে প্ৰসংশিত ৰাসলীলা ভাগ অনুষ্ঠিত কৰাৰ বাবে অনুৰোধ জনোৱাৰ বাবে অনুষ্ঠিত কৰাৰ বাবে পৰিচালনা সমিতিয়ে সিদ্ধান্ত কৰা বুলি সংবাদ মাধ্যম জানিবলৈ দিয়ে। এই বাৰ ৰাসলীলাৰ প্ৰথম দিনটোত শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা অনুষ্ঠিত কৰি পিচৰ দুদিন স্থগিত ৰখা হৈছিল। বৰ্তমান অঞ্চলটোৰ বচা বচা শিল্পীক লৈ দিনৰ ভাগত অনুশীলন অব্যাহত ৰাখিছে। সম্পূৰ্ণ আধ্যাত্মিক পৰিবেশৰ মাজত অনুষ্ঠিত কৰিবলগীয়া ৰাসলীলা প্ৰদৰ্শন উপভোগ কৰিবলৈ ইতিমধ্যে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰৱেশ পত্ৰৰ বাবে ফোন যোগে যোগাযোগ কৰিছে। আঞ্চলিক জনতা কৃষ্টি সংঘৰ সভাপতি-সম্পাদক ক্ৰমে ৰমেশ বৰা আৰু পংকজ দোলাকাষৰীয়াই ৰাসলীলা অনুষ্ঠানত ৰাইজৰ সহযোগিতা বিচাৰি গোহাৰি জনাইছে। উল্লেখযোগ্য যে ১২ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা পালনাম মহোৎসৱ ১৬ নৱেম্বৰত আহোৰাত্ৰ হ'ব। বাকী কেইদিনত ৰাতিলৈ পালনামৰ কাৰ্যসূচী নাথাকে বাবে ৰাসলীলাত প্ৰতিবছৰে দৰ্শকৰ ভীৰ দেখিবলৈ পোৱা যায়। ইতিমধ্যে পালনাম মহোৎসৱৰ দ্বিতীয় দিনাও ভক্তপ্ৰাণ ৰাইজৰ লগতে দেশী বিদেশী পৰ্যটকৰ সত্ৰলৈ আগমন ঘটিছে। তদুপৰি পালনামক কেন্দ্ৰ কৰি সত্ৰলৈ সোমোৱা পথৰ দুয়ো কাষে আৰু অসম ভাওনা সমাৰোহ অনুষ্ঠিত কৰা মনিকাঞ্চন ক্ষেত্ৰতভ অসমৰ বিভিন্ন ঠাইৰ পৰা অহা এখন বৃহৎ বজাৰ বহিছে। ইফালে নিমাতী ঘাট আৰু উত্তৰ পাৰৰ ঘাট সমূহত যাত্ৰীৰ ভীৰ বাঢ়িছে বুলি আভ্যন্তৰীণ জল পৰিবহণৰ বিভাগৰ সূত্ৰত প্ৰকাশ। পালনামৰ ভক্ত সকলৰ বাবে আউনীআটী সত্ৰই ভোগৰ ব্যৱস্থা কৰিছে। পালনাম মহোৎসৱৰ উপলক্ষে অসম বাসীলৈ আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে স্বাগতম জনোৱাৰ লগতে ভক্ত প্ৰাণ ৰাইজৰ কুশল কামনা কৰিছে।

# পঞ্চায়ত আৰু গ্ৰমোন্নয়ণ বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ অৱস্থান ধৰ্মঘট



**অসম বাৰ্তা, কলিয়াবৰ, ১৩ নৱেম্বৰ ঃ** সমগ্ৰ অসমৰ লগতে কলিয়াবৰতো পঞ্চায়ত আৰু গ্ৰমোন্নয়ণ বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ অসহযোগিতাৰ বাবে আজি তিনিদিন ধৰি বিভাগটোৰ কাম-কাজ অচল হৈ পৰে। যোৱা ১১ নৱেম্বৰৰ পৰা 'আমাৰ কাম একে, আমাৰ বেতনো একে হওক!' শ্ল'গানেৰে সমগ্ৰ ৰাজ্যৰ ৮০০০ ঠিকাভিত্তিক কৰ্মচাৰীয়ে তেওঁলোকৰ ন্যাযপ্ৰাপ্য দাবীত প্ৰতিখন জিলাৰ উন্নয়ন খণ্ড কাৰ্যালয়ে কাৰ্যালয়ে অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচী পালন কৰি আহিছে। কলিয়াবৰটো কলিয়াবৰ উন্নয়ন খণ্ড কাৰ্যালয়ৰ সন্মুখত কৰ্মচাৰীসকলে অৱস্থান ধৰ্মঘট পালন কৰে। তেওঁলোকৰ মূল দাবীসমূহ- সমকামৰ সম মৰ্যাদা প্ৰদান কৰি বৰ্তমানৰ বেতনৰ লগত ন্যূনতম ৩০, ০০০.০০ টকা বৃদ্ধি কৰাৰ লগতে নিয়মিয়া কৰ্মচাৰীৰ দৰে সুবিধা প্ৰদান কৰা। প্ৰতি বছৰে বেতনৰ লগত দহ শতাংশ দৰমহা স্থায়ী ভাৱে বৃদ্ধি কৰা। চাকৰীৰ কাৰ্যকাল ৬০ বছৰলৈকে বৃদ্ধি কৰা। এইচ আৰ পলিচি নীতি প্ৰনয়ণ আৰু প্ৰয়োগ কৰি কৰ্মচাৰীক সুৰক্ষা প্ৰদান কৰা আদি দাবীৰে কৰ্মচাৰীসকলে আন্দোলন কৰি আহিছে। ১৭ নৱেম্বৰত ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ সমান্তৰালকৈ অহা ১৮ আৰু ১৯ নৱেম্বৰত জিলা পৰ্যায়ত আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি জানিব দিয়ে। আঠ হাজাৰ পৰিয়ালৰ জীৱন আৰু জীৱিকা সুৰক্ষিত কৰাৰ স্বাৰ্থত পঞ্চায়ত আৰু গ্ৰমোন্নয়ণ বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলে দীৰ্ঘদিন ধৰি আন্দোলন কৰি আহিছে যদিও আজিলৈকে চৰকাৰে কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে ঠিকা ভিত্তিক কৰ্মচাৰীসকলে।

## ২৭ নৱেম্বৰৰ পৰি তিনিদিনীয়া বিশাল কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত কৰাৰ ব্যাপক প্ৰস্তুতি

# মৰিগাঁৱত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা সোঁৱৰণী সদৌ অসম একাংক নাট প্ৰতিযোগিতাৰ লাইখুঁটা স্থাপন

## ৰাজ্যৰ আগশাৰীৰ দুকুৰি নাট্যদলৰ যোগদান

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৩ নৱেম্বৰ ঃ** মৰিগাঁও চহৰত ২৭ নৱেম্বৰৰ পৰা তিনিদিনীয়া বিশাল কাৰ্যক্ৰমনিকাৰে অনুষ্ঠিত হ'বলগা কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা সোঁৱৰণী সদৌ অসম একাংক নাট প্ৰতিযোগিতাৰ আজি এক মাংগলিক অনুষ্ঠানৰ জৰিয়তে লাইখুঁটা স্থাপন কৰা হয়। মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'বলগা প্ৰতিযোগিতাখনৰ মূল মণ্ডপৰ আজি পুৱাৰ ভাগত লাইখুঁটা স্থাপন কৰে নাট প্ৰতিযোগিতাখনৰ পৰিচালনা সমিতিৰ সভাপতি লিপিকা বৰুৱাই। আনহাতে এগছি বন্তি প্ৰজ্বলনৰে অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে বিশিষ্ট শিক্ষাবিদ, মৰিগাঁও জিলা জ্যেষ্ঠ নাগৰিক সন্থাৰ সভাপতি মহেন্দ্ৰনাথ হাজৰিকাই। তেখেতে এটি চমু ভাষণত প্ৰয়াত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱাৰ কৰ্মৰাজি আৰু প্ৰয়াত বৰুৱাৰ মৃত্যুৰ দিনটোৰ কথা সোঁৱৰি আৱেগিক হৈ পৰে। অনুষ্ঠানটোৰ আঁত ধৰি কাৰ্যকৰী সভাপতি, জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মাই অসমৰ নাট্য আন্দোলনত হাত উজান দি অহা ৰাজ্যৰ আগশাৰীৰ নাট প্ৰতিযোগিতাখন সফল কৰি তোলাত ক্ষেত্ৰত নাট্যপ্ৰেমী ৰাইজৰ সহায়, সহযোগ, উপস্থিতি আৰু আশীৰ্বাদ কামনা কৰে। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ মুখ্য উপদেষ্টা তথা মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বুবুমনি গোস্বামী, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক বাবুল বৰা, সদৌ অসম গ্ৰাম্য পুঁথিভঁৰাল সন্থাৰ সভাপতি, জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকা, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, জ্যেষ্ঠ সাংবাদিক ডালিম ফুকন, মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি মুন ঠাকুৰীয়া, প্ৰাক্তন সাধাৰণ সম্পাদক ৰাজু শৰ্মা, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ উপ-সভাপতি কল্পতৰু চৌধুৰী প্ৰমুখ্যে মৰিগাঁৱৰ সমাজ, সাংস্কৃতিক আৰু বৌদ্ধিক ক্ষেত্ৰখনৰ ভালেসংখ্যক গণ্য মান্য ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে এইবাৰৰ ৩২ সংখ্যক সদৌ অসম ভিত্তিক নাট প্ৰতিযোগিতাৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা ৫৫টা আগশাৰীৰ নাট্য দলে পাণ্ডুলিপি প্ৰেৰণ কৰিছিল যদিও ইয়াৰ মাজৰ পৰা ৪০টা দলক প্ৰতিযোগিতাৰ বাবে বাছনি কৰে পাণ্ডুলিপি উপ সমিতিয়ে। ইপিনে আজিৰ এই অনুষ্ঠানতে নাট পৰিচালনা সমিতিৰ বিভিন্ন উপ সমিতি সমূহক দায়িত্ব অৰ্পন কৰে মূল সমিতিয়ে। নাট পৰিচালনাৰ ক্ষেত্ৰত দক্ষতা, সু-পৰিকল্পনা আৰু অতিথি আপ্যায়ণৰ বেলিকা অৰ্জন কৰা সুখ্যাতিৰ বাবে ইতিমধ্যে সমগ্ৰ অসমতে এক বিশেষ পৰিচয় লাভ কৰিছে কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা সোঁৱৰণী সদৌ অসম একাংক নাট প্ৰতিযোগিতাখনিয়ে। আনকি দুবাৰকৈ অসম নাট্য সন্মিলনৰ পৰা বঁটা লাভ কৰিবলৈও সক্ষম হোৱা এই নাট প্ৰতিযোগিতাখনৰ মঞ্চ গঢ়কা বহুতেই এতিয়া অসমৰ বোলছবি আৰু ভ্ৰাম্যমাণ নাট্য জগতত জিলিকি আছে।

# নামতিত শিক্ষণ-শিকন সামগ্ৰীৰ প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, গেলেকী, ১৩ নৱেম্বৰ ঃ** নাজিৰা শিক্ষাখণ্ডৰ অন্তৰ্গত বৰুৱা আলি আৰু লোণপুৰীয়া মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত আজি দেওপানী বনুৱা নৱজ্যোতি প্ৰাথমিক বিদ্যালয়ত মণ্ডল ভিত্তিত আয়োজিত শিক্ষণ-শিকন সামগ্ৰীৰ প্ৰদৰ্শনী আৰু প্ৰতিযোগিতা সুকলমে সম্পন্ন হয়। অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগ তথা সমগ্ৰ শিক্ষা, অসমৰ আদেশানুসৰি নিপুণ অসম অভিযানৰ অংশস্বৰূপে আয়োজিত এই প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাখনিত মণ্ডল দুটাৰ অধীনৰ ২১খন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰী সকলে অংশগ্ৰহণ কৰে। বৰুৱাআলি মণ্ডলৰ সমন্বয়ক মহেন্দ্ৰ নাথে আঁত ধৰা সমগ্ৰ অনুষ্ঠানটিত প্ৰতিখন বিদ্যালয়ে বুনিয়াদী সাক্ষৰতা আৰু বুনিয়াদী সাংখ্যিকতা শাখাত এটাকৈ শিক্ষণ-শিকন সামগ্ৰী প্ৰদৰ্শন কৰাৰ লগতে প্ৰতিযোগিতাত অংশ লয়। যোৰহাট জিলাৰ পূব যোৰহাট শিক্ষাখণ্ডৰ জ্যেষ্ঠ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক ইন্দ্ৰনীল দোলাকাষৰীয়া, আমগুৰি শিক্ষাখণ্ডৰ জ্যেষ্ঠ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক যদুমণি বড়া, নাজিৰা শিক্ষাখণ্ডৰ জ্যেষ্ঠ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক সত্যনাথ দাস আৰু শিখামণি বৰা হাজৰিকা অতিথি তথা বিচাৰক হিচাপে উপস্থিত থকা অনুষ্ঠানটিতে সাক্ষৰতা আৰু সাংখ্যিকতা দুয়োটা শাখাতে মণ্ডল অনুসাৰে পৃথক পৃথককৈ স্থানপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী সকলক ট্ৰফী আৰু মানপত্ৰসহ পুৰস্কৃত কৰা হয়। লোণপুৰীয়া মণ্ডলৰ সমন্বয়ক ঋতুৰাজ বৰুৱাই শলাগ জ্ঞাপন কৰা অনুষ্ঠানটিত উপস্থিত অতিথি সকলৰ সাৰগৰ্ভ বক্তব্যই অংশগ্ৰহণকাৰী সকলৰ লগতে সকলো শিক্ষক-শিক্ষয়ত্ৰী তথা স্থানীয় ৰাইজক উপকৃত কৰে।

## সামৰণী অনুষ্ঠানত ফুকন বড়ো আৰু জিতু ডেকা ব্ৰহ্মৰ গীতৰ শৰাই

# টংলা আঞ্চলিক ৰাস উৎসৱৰ স্মৰণিকা 'মুৰুলী' উন্মোচন



**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৩ নৱেম্বৰ ঃ** ওদালগুৰি জিলাৰ বৰজলাহ আদৰ্শ গাঁৱৰ হুদুমা নদীৰ পাৰত অনুষ্ঠিত টংলা আঞ্চলিক ৰাস উৎসৱত ১১ নৱেম্বৰৰ সন্ধিয়া উদ্‌যাপন সমিতিৰ দ্বাৰা প্ৰকাশিত সমাজকৰ্মী কুশেশ্বৰ বৰুৱাৰ পবিত্ৰ সোঁৱৰণত উৎসৰ্গিত হেমন্ত বৰুৱাই সম্পাদন কৰা স্মৰণিকা মুৰুলী উন্মোচন কৰি টংলা মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপিকা ড° প্ৰভা বৰুৱাই সমাজখনত আধ্যাত্মিক, শান্তি সম্প্ৰীতিৰ বাতাবৰণ অটুট থাকিব বুলি মন্তব্য কৰা লগতে গ্ৰন্থ প্ৰেমী সকলে মুৰুলী আদৰি ল'ব বুলি আশা প্ৰকাশ কৰে। মুৰুলী সম্পাদনা সমিতিৰ সম্পাদক হেমন্ত বৰুৱাই আঁত ধৰা উন্মোচনী অনুষ্ঠানত ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, জ্যেষ্ঠ সাংবাদিক গৌৰী শংকৰ দাস আৰু ৰাস উৎসৱ উদযাপন সমিতিৰ সভাপতি যোগেন্দ্ৰ নাথে ভাষণ দিয়ে। অনুষ্ঠানত স্থায়ী সমিতিৰ সভাপতি অতুল চহৰীয়া, প্ৰতিষ্ঠাপক সভাপতি বিশিষ্ট সমাজকৰ্মী বলিৰাম ডেকা, মুৰুলী সম্পাদনা সমিতিৰ সভাপতি তপেশ্বৰ ৰাভা, ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন উপসভাপতি আদিত চন্দ্ৰ কলিতা, অৱসৰী কৃতী শিক্ষক মহেশ্বৰ চহৰীয়া, ৰাস উৎসৱ উদযাপন সমিতিৰ সম্পাদক বিপুল দাস, সহ সম্পাদক ধ্ৰুৱ জ্যোতি শৰ্মা, উপ সভাপতি নগেন বৰুৱা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। আনহাতে নিশা ৮ঃ৩০ বজাত ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়াই জনপ্ৰিয় নাগাৰা নামৰ পাঠক কৈলাস তালুকদাৰ আৰু মণ্টু ডেকাৰ নামৰ প্ৰদৰ্শন উদ্বোধন কৰে। উল্লেখ্য যে ৫ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা ২৯ সংখ্যক টংলা আঞ্চলিক ৰাস উৎসৱ ১৩ নৱেম্বৰত দিগন্ত বৰুৱাই উদ্বোধন কৰিব লগীয়া সাংস্কৃতিক সন্ধিয়াত ফুকন বড়ো আৰু জিতু ডেকা ব্ৰহ্মৰ গীতৰ শৰাইৰে সামৰণি পৰিব।

# বালিসত্ৰত শ্ৰীশ্ৰী কৃষ্ণ ৰাস মহোৎসৱৰ ব্যাপক আয়োজন

**অসম বাৰ্তা, বটদ্ৰৱা, ১৩ নৱেম্বৰ ঃ** শৰতৰ ৰাত্ৰি অতি বিতোপন ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল মন। শৰৎ কালৰ আগমনৰ লগে লগে ৰাজ্যৰ চৌপাশ শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস লীলাৰ অমীয়া ধ্বনিৰে আকাশ বতাহ মুখৰিত হৈ পৰা দেখিবলৈ পোৱা যায়। অঞ্চল সমূহত বিৰাজ কৰে এক আধ্যাত্মিক পৰিবেশে। পিছ পৰি ৰোৱা নাই নগাঁও জিলাৰ বটদ্ৰৱাৰ সমীপৰ বালিসত্ৰও। বিগত বছৰ কেইটিৰ দৰে এই বছৰো বালিসত্ৰত এদিনীয়াকৈ ৰাস মহোৎসৱৰ আয়োজন কৰিছে সত্ৰবাসীয়ে। অহা অসমীয়া ৫ আঘোন ইং ২২ নৱেম্বৰ তাৰিখে উদযাপন কৰিবলৈ লোৱা শ্ৰীশ্ৰীকৃষ্ণ ৰাস মহোৎসৱ পৰিচালনা কৰিবলৈ যোৱা ইং ১৬ অক্টোবৰ ২০২৫ তাৰিখে বালিসত্ৰ ঊষাপুথি ভড়াল প্ৰাংগণত বালিসত্ৰৰ যুৱ সমাজ সেৱক মাণিক বৰাৰ সভাপতিত্বত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। উদীয়মান যুৱক কুশল কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত সাংস্কৃতিবান যুৱক মুন বৰদলৈ, নিপন বৰদলৈৰ লগতে সত্ৰখনৰ প্ৰায় শতাধিক মহিলা, যুৱক, যুৱতীৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাৰ মাজৰ পৰা সকলোৰে সহমতত গীতা মনি ভূঞাক সভানেত্ৰী আৰু জিলি বৰাক সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি এখন ৩১ জনীয়া ৰাস পৰিচালনা সমিতি গঠন কৰে। অহা ২২ নৱেম্বৰত উদ্‌যাপন কৰিবলৈ লোৱা ৰাস মহোৎসৱ সফল কৰি তুলিবলৈ ইতিমধ্যে সত্ৰ খনৰ সকলো মহিলা, যুৱতী-যুৱক সকল ৰাস কাৰ্যত লাগি পৰা দেখিবলৈ পোৱা গৈছে। ৰাস মহোৎসৱৰ সকলো কাৰ্যসূচীত বৃহত্তৰ ডুমডুমীয়া-বালিসত্ৰ অঞ্চলৰ ভক্ত প্ৰাণ ৰাইজৰ লগতে জিলা খনৰ সমূহ ৰাস প্ৰেমী ৰাইজৰ উপস্থিতি আৰু সহায় সহযোগ ৰাস উদযাপন সমিতিয়ে আন্তৰিকতাৰে কামনা কৰিছে।

# সাংবাদিক-লেখিকা মুবিনা আখতাৰলৈ ডিব্ৰুগড় জিলা মহিলা সমিতিৰ 'অনন্যা নাৰী অনন্য গ্ৰন্থ বঁটা'

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৩ নৱেম্বৰ ঃ** শতিকা প্ৰাচীন ডিব্ৰুগড় জিলা মহিলা সমিতিয়ে প্ৰতি দুবছৰৰ মূৰে মূৰে আগবঢ়াই অহা 'অনন্যা নাৰী অনন্য গ্ৰন্থ' বঁটা ২০২৪-২৫ বৰ্ষৰ বাবে নিৰ্বাচিত কৰিছে বিশিষ্ট লেখিকা, সংগঠক, প্ৰকৃতি কৰ্মী, সমাজসেৱিকা আৰু এগৰাকী আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সাংবাদিক মুবিনা আখতাৰক। সমাজলৈ আগবঢ়োৱা অনবদ্য বৰঙনি আৰু বহু সমাদৃত 'অসমৰ বন্যপ্ৰাণী' নামৰ শেহতীয়া গ্ৰন্থখনিৰ বাবে আখতাৰক এই বঁটা আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে মহিলা সংগঠনটোৰ সভানেত্ৰী দীপালি শইকীয়াই। অহা ১২-২২ ডিচেম্বৰ/২০২৫ লৈ অনুষ্ঠিতব্য চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাত আয়োজিত মহিলা সমিতিৰ এক অনুষ্ঠানত লেখিকা গৰাকীক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব বুলি অনুষ্ঠানৰ তৰফৰ পৰা জনাই ছে। আনহাতে লেখিকা মুবিনা আখতাৰৰ আন কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হৈছে "প্ৰকৃতি-পৰিৱেশ- প্ৰত্যাহ্বানৰ গ্ৰীন ৰিপ'ৰ্টিং" আৰু "সোণালী সূতাৰ ভৱিষ্যৎ।" নব্বৈ দশকৰ পৰাই পৰিৱেশ, প্ৰকৃতি তথা জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ বাবে সজাগতা সৃষ্টি কৰিবলৈ সক্ষম হোৱা অসমৰ মুষ্টিমেয় সাংবাদিকৰ ভিতৰত মুবিনা আখতাৰ হৈছে অন্যতম মহিলা সাংবাদিক। অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে সমানে দক্ষতাৰে সাংবাদিকতা কৰি অহা আখতাৰে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰশংসিত হৈছে। ২০২২ বৰ্ষত অসম চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ পৰা মানৱ আৰু বন্যপ্ৰাণী সংঘাত ৰোধত আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ ক্ষেত্ৰত আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে তেওঁক "পৰিৱেশ মিত্ৰ" সন্মান প্ৰদান কৰিছিল। উল্লেখ্য যে এই বঁটা পূৰ্বে লাভ কৰিছিল ক্ৰমে বিশিষ্ট লেখিকা, সমাজকৰ্মী তথা কেঞ্চাৰ গৱেষিকা ডাঃ গায়ত্ৰী গগৈ আৰু আদৰ্শ মাতৃ, সমাজকৰ্মী প্ৰয়াত শান্তি গগৈ আৰু ঔপন্যাসিক জুৰী বৰা বৰগোহাঞি আৰু বিশিষ্ট লেখিকা নীলিমা গোস্বামীয়ে।

## ৮ বোমাৰুৰ দেশ ৰক্তাক্ত কৰাৰ ভয়ংকৰ পৰিকল্পনা

মতে, প্ৰায় আঠজন সন্দেহযুক্ত লোকে চাৰিটা স্থানত সমন্বিত বিস্ফোৰণ সংঘটিত কৰিবলৈ সাজু হৈছিল বুলি অভিযোগ উঠিছে, দুজনকৈ লোকে একোখনকৈ নিৰ্দিষ্ট চহৰত নিযুক্ত কৰি কাম কৰিছিল। প্ৰাথমিক তথ্য অনুসৰি প্ৰতিটো গোটে একেলগে আক্ৰমণৰ বাবে একাধিক ইম্প্ৰভাইজড বিস্ফোৰক যন্ত্ৰ (আই ই ডি) লৈ যোৱাৰ কথা আছিল। তদন্তৰ অধীনত থকাসকলৰ ভিতৰত ইতিমধ্যে পূৰ্বৰ সন্ত্ৰাসবাদী গোচৰৰ সৈতে জড়িত ব্যক্তিও আছে, য'ত আছে লালকিল্লা বিস্ফোৰণৰ অভিযুক্ত ডাঃ মুজাম্মিল, ডাঃ আদিল, ডাঃ উমৰ আৰু ডাঃ শ্বাহীন। সূত্ৰসমূহে জনোৱা মতে, অভিযুক্তসকলে সামুহিকভাৱে প্ৰায় ২০ লাখ টকা সংগ্ৰহ কৰিছিল, যিটো ওমৰক কাৰ্যকৰী খৰচৰ বাবে গতাই দিয়া হৈছিল। এই ধনেৰে গুৰুগ্ৰাম, নুহ আৰু ওচৰৰ অঞ্চলৰ পৰা ২০ কুইণ্টলতকৈ অধিক এন পি কে সাৰ — নাইট্ৰজেন, ফছফৰাছ আৰু পটাছিয়ামৰ মিশ্ৰণ — ক্ৰয় কৰা বুলি অভিযোগ উঠিছে, যাৰ মূল্য প্ৰায় 3 লাখ টকা। তদন্তকাৰীয়ে এইটোও জানিব পাৰিছে যে ওমৰে নিৰাপদে কাৰ্যকলাপৰ সমন্বয় সাধন কৰিবলৈ দুজনৰ পৰা চাৰিজন সদস্যৰে গঠিত এটা ব্যক্তিগত চিগনেল গ্ৰুপ গঠন কৰিছিল। তদন্তকাৰী সংস্থাসমূহৰ মতে, সন্ত্ৰাসবাদী সহযোগীসকলৰ সৈতে যোগাযোগ বজাই ৰখাৰ পিছত ২০২১ চনৰ পৰা ২০২২ চনৰ ভিতৰত আইছিছৰ এটা শাখা আনছাৰ গাজৱাত-উল-হিন্দৰ প্ৰতি ডাঃ মুজাম্মিল প্ৰবল আসক্ত হৈ পৰিছিল। তেওঁক নেটৱৰ্কৰ সৈতে পৰিচয় কৰাই দিছিল ইৰফান ওৰফে মৌলবীয়ে। ২০২৩ আৰু ২০২৪ চনত উদ্ধাৰ হোৱা অস্ত্ৰ-শস্ত্ৰসমূহ এই মডিউলে এটা স্বতন্ত্ৰ সন্ত্ৰাসবাদী সংগঠন গঠনৰ প্ৰচেষ্টাৰ অংশ হিচাপে ক্ৰয় কৰা বুলি অনুমান কৰা হৈছে। কৰ্তৃপক্ষই জনোৱা মতে, গোটটোৱে অদূৰ ভৱিষ্যতে আক্ৰমণ সংঘটিত কৰাৰ বাবে প্ৰস্তুতি চলাইছিল আৰু এতিয়া ইয়াৰ লগত জড়িত বহল নেটৱৰ্ক চিনাক্তকৰণৰ ওপৰত তদন্ত কেন্দ্ৰীভূত হৈছে। বুধবাৰে ফৰিদাবাদ আৰক্ষীয়ে দিল্লী বিস্ফোৰণ গোচৰৰ প্ৰধান অভিযুক্ত ডাঃ ওমৰ উন নবীৰ সৈতে সম্পৰ্ক থকা সন্দেহযুক্ত ৰঙা ৰঙৰ ইকোস্পৰ্ট (পঞ্জীয়ন নম্বৰ ডি এল ১০ চি কে ০৪৫৮) জব্দ কৰে। খান্দাৱলী গাঁৱৰ সমীপতে গাড়ীখন ৰখাই থোৱা অৱস্থাত উদ্ধাৰ হয়। দিল্লী আৰক্ষীয়ে বৃহস্পতিবাৰে নিশ্চিত কৰে যে বিস্ফোৰণ সংঘটিত কৰা ব্যক্তিজন ডাঃ ওমৰ। ফৰেনছিক ডি এন এ পৰীক্ষাত তেওঁৰ জৈৱিক নমুনাৰ সৈতে তেওঁৰ মাতৃৰ নমুনাৰ মিল থকাৰ পিছতে এই বিস্ফোৰণ সংঘটিত কৰা ব্যক্তিজন ডাঃ ওমৰ বুলি নিশ্চিত হয় সংস্থাসমূহ। এএনআইৰ সৈতে হোৱা কথা-বতৰাত আৰক্ষীৰ জ্যেষ্ঠ বিষয়াসকলে কয় যে কেইবাদিনো বিশদ ফৰেনছিক বিশ্লেষণৰ পিছত এই নিশ্চিতকৰণ কৰা হৈছে। এজন জ্যেষ্ঠ আৰক্ষী বিষয়াই কয়, "বিস্ফোৰণৰ পিছত ওমৰৰ ভৰিখন গাড়ীৰ ষ্টিয়াৰিং আৰু এক্সিলেটৰৰ মাজত আবদ্ধ হৈ থকা দেখা গৈছিল, যাৰ পৰা অনুমান কৰিব পাৰি যে গাড়ীখন বিস্ফোৰণ ঘটোতে তেওঁ ষ্টিয়াৰিঙত আছিল।" বিষয়াগৰাকীয়ে লগতে কয়, "ডি এন এ প্ৰফাইলিঙে মৃত ব্যক্তিজনক ডাঃ ওমৰ উন নবী বুলি নিৰ্ণায়কভাৱে চিনাক্ত কৰিছে। তেওঁৰ নমুনাটো মাকৰ ডি এন এৰ সৈতে মিলাই সম্পৰ্ক স্থাপন কৰা হৈছিল।" বুধবাৰে ডাঃ ওমৰৰ মাতৃ আৰু ভাতৃৰ ডি এন এ নমুনা সংগ্ৰহ কৰি এইমছৰ ফৰেনছিক লেবৰেটৰীলৈ প্ৰেৰণ কৰা হয়, য'ত দিল্লীৰ লোক নায়ক চিকিৎসালয়ত ৰখা মৃতদেহৰ অৱশিষ্টৰ সৈতে মিলাই চোৱা হয়।

## মেঘালয়ৰ ডাউকীৰ অসমৰ যুৱকৰ মৃতদেহ উদ্ধাৰ

নামৰ অঞ্চলত সংঘটিত হৈছে এই ঘটনা। বুধবাৰে নিশা উদ্ধাৰ হয় লোকজনৰ মৃতদেহ। জানিব পৰা মতে, লোকজন গুৱাহাটী মহানগৰীৰ বশিষ্ঠৰ বাসিন্দা। ব্যৱসায় সূত্ৰে তপন দে শনিবাৰে চুবুৰীয়া ৰাজ্য মেঘালয়লৈ গৈছিল। কিন্তু ডাউকীলৈ যোৱা তপন আৰু ঘৰলৈ ঘূৰি নাহিল। কোনোৱে হত্যা কৰি তেওঁক গছত ওলোমাই থয়। কোনে, কি কাৰণে এই কাণ্ড সংঘটিত কৰিলে এতিয়ালৈকে জানিব পৰা হোৱা নাই। ইতিমধ্যে মেঘালয় আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। ঘটনাস্থলীত উপস্থিত হৈছে তপন দেৰ পৰিয়ালৰ লোক। আজি বিয়লিলৈ লোকজনৰ মৃতদেহ পৰিয়ালক ঘূৰাই দিয়াৰ সম্ভাৱনা আছে। সম্প্ৰতি ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। গতিকে তদন্তৰ অন্তত জানিব পৰা যাব লোকজনক কোনে, কেনেকৈ আৰু কিয় হত্যা কৰিলে। ইফালে আজি বিয়লি পৰিয়ালক গতাই দিয়া হয় লোকজনৰ মৃতদেহ।

## '২৬ত উত্তৰ-পূৰ্বাঞ্চলক প্ৰতিনিধিত্ব কৰিব অসমে

গৈছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে নিজৰ এক্স (পূৰ্বৰ টুইটাৰ) হেণ্ডেলত লিখিছে, "অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এয়া এক গৌৰৱৰ কথা। প্ৰথমবাৰৰ বাবে চিআৰপিএফৰ বাৰ্ষিক পেৰেড গুৱাহাটীত অনুষ্ঠিত হ'বলৈ গৈ আছে। এই সিদ্ধান্তই অসমক ৰাষ্ট্ৰীয় পৰ্যায়ত আৰু এখোজ আগুৱাই লৈ যাব।" উল্লেখ্য, চিআৰপিএফৰ বাৰ্ষিক পেৰেড সাধাৰণতে নতুন দিল্লীতহে অনুষ্ঠিত হৈ আহিছে। উত্তৰ-পূৰ্বাঞ্চলৰ কোনো চহৰত এনে পেৰেডৰ আয়োজন এয়াই প্ৰথম হ'ব। ৰাজ্য চৰকাৰৰ এই সফলতাক ৰাজনৈতিক মহলতো এক বৃহৎ কূটনৈতিক আৰু প্ৰশাসনিক জয় হিচাপে গণ্য কৰা হৈছে। এই পেৰেডে অসমক কেৱল ৰাষ্ট্ৰীয় মঞ্চত প্ৰতিনিধিত্ব কৰাই নহয়, পৰ্যটন আৰু অৰ্থনীতিৰ ক্ষেত্ৰতো নতুন দিগন্ত মুকলি কৰিব বুলি বিশ্বাস কৰা হৈছে।

## দিল্লী বিস্ফোৰণৰ পিছত সৰ্বদলীয় বৈঠকৰ দাবী

সৰ্বদলীয় বৈঠক আহ্বান কৰাৰ লগতে সংসদৰ শীতকালীন অধিৱেশনৰ তাৰিখ আগুৱাই অনাৰ দাবী জনাইছে। কংগ্ৰেছৰ মুখপাত্ৰ পৱন খেৰাই কয়, "এইটো কেৱল দিল্লীৰ বিস্ফোৰণ নহয়, এয়া দেশৰ নিৰাপত্তাৰ এক গুৰুতৰ প্ৰত্যাহ্বান। প্ৰধানমন্ত্ৰীয়ে তৎকালীনভাৱে সৰ্বদলীয় বৈঠক মাতি সকলো দলৰ সৈতে আলোচনা কৰা উচিত। আমি সংসদৰ শীতকালীন অধিৱেশনো আগুৱাই আনিবলৈ দাবী জনাইছোঁ যাতে এই বিষয়ত খোলাখুলি আলোচনা হ'ব পাৰে।" ২০০৮ চনৰ মুম্বাই আক্ৰমণৰ পিছত তেতিয়াৰ গৃহমন্ত্ৰী শিৱৰাজ পাটিলে পদত্যাগ কৰা ঘটনাৰ উল্লেখ কৰি খেৰাই কয়, "জঙ্গি আক্ৰমণৰ সময়ত আমি সদায় চৰকাৰৰ কাষত থিয় দিছোঁ আৰু ভৱিষ্যতেও থাকিম। কিন্তু এই বিফলতাৰ দায়িত্ব কোনে ল'ব, সেই প্ৰশ্ন আমি উত্থাপন কৰিম। চৰকাৰে নৈতিক দায়িত্ব স্বীকাৰ কৰা উচিত।" তেওঁ পেহেলগাম আক্ৰমণ আৰু অপাৰেচন সিন্ধুৰৰ পিছত চৰকাৰে দিয়া ঘোষণাৰ কথা সোঁৱৰাই দি কয়, "চৰকাৰে তেতিয়া কৈছিল যে যিকোনো সন্ত্ৰাসবাদী আক্ৰমণক দেশৰ বিৰুদ্ধে যুদ্ধ হিচাপে গণ্য কৰা হ'ব। এতিয়া সেই নীতি এতিয়াও জীয়াই আছেনে? চৰকাৰে এই প্ৰশ্নৰ উত্তৰ দিয়ক।" উল্লেখ্য, বুধবাৰে কেন্দ্ৰীয় চৰকাৰে এই বিস্ফোৰণক স্পষ্টভাৱে সন্ত্ৰাসবাদী আক্ৰমণ বুলি অভিহিত কৰিছিল। এই ঘটনাত ১৩জন লোকৰ মৃত্যু হোৱাৰ লগতে বহুতো আহত হৈছে। ভূটানৰ পৰা উভতি অহাৰ পিছত প্ৰধানমন্ত্ৰী মোদীয়ে কেবিনেটৰ বৈঠকত তদন্তকাৰী সংস্থাসমূহক সৰ্বোচ্চ পেছাদাৰিত্বৰে তদন্ত কৰিবলৈ নিৰ্দেশ দিছে। কংগ্ৰেছৰ এই দাবীৰ পিছতে ৰাজনৈতিক মহলত সৰ্বদলীয় বৈঠক আৰু সংসদৰ বিশেষ অধিৱেশনৰ সম্ভাৱনাক লৈ চৰ্চা আৰম্ভ হৈছে।

## ৰাজ্যৰ শিক্ষা বিভাগত ৮,২০৬ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ

ডাঃ ৰণোজ পেগুকে ধৰি কেইবাগৰাকী মন্ত্ৰী উপস্থিত থাকে। উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ২৬৩ গৰাকী সহকাৰী অধ্যাপকক নিযুক্তি পত্ৰ বিতৰণৰ উপৰি ১১০ গৰাকী তৃতীয় বৰ্গৰ কৰ্মচাৰীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। একেদৰে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত এহেজাৰ ২৭৫ গৰাকী স্নাতকোত্তৰ শিক্ষক আৰু ৬ হাজাৰ ৫২২ গৰাকী স্নাতক শিক্ষকক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ সঞ্চালকালয়ৰ অধীনত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত ২৮ গৰাকী প্ৰৱক্তা আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদত ৮ গৰাকী সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়।

## অসমৰ ৰাজনীতিত এতিয়া তিনি গগৈৰ তোলপাৰ

বোকা পানী চটিওৱাত এতিয়া ব্যস্তপ্ৰায়। প্ৰতিদিনেই পুৱাৰ পৰা ৰাতি দুপৰলৈকে দলীয় সভা-সমিতি পাতি বিৰোধী পক্ষৰ অৰ্থাৎ অন্যান্য দলৰ নেতা-পালিনেতাবোৰক প্ৰকাশ্যে সমালোচনা কৰা, কুৎসা ৰচনা কৰা আৰু গালি-গালাজ আদি কৰা কামতেই অবিৰতভাৱে জড়িত হৈ পৰিছে। কথা-বতৰা, আলাপ-আলোচনা আদিবোৰত গঠনমূলক আঁচনি পৰিকল্পনাদি কৰাতকৈ নানান প্ৰকাৰৰ অহেতুক কথা আৰু কামৰ নমুনাহে উজৰা কামত লাগিছে এতিয়া।

ড° হিমন্ত বিশ্ব শৰ্মাৰ তত্ত্বাৱধানত বিজেপি অৰ্থাৎ ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰখনে দুটা কাৰ্যকাল প্ৰায় সম্পূৰ্ণ কৰিবলৈ গৈ আছে। ৰাজনৈতিক দল-সংগঠনবোৰৰ গতি-বিধি পৰ্যবেক্ষণ কৰি এটা কথা উপলব্ধি কৰিব পাৰিছোঁ যে শাসকীয় বিজেপি চৰকাৰে তৃতীয়টো কাৰ্যকালৰ বাবে শাসনৰ বাঘজৰী লোৱাত এইবাৰ কিছু প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব। বিজেপি মিত্ৰজোঁটে এইবাৰ আশা কৰা ধৰণে মূৰকত গৈ যোৱাবাৰৰ দৰে আসন হয়তো নাপাবগৈয়ো পাৰে। ইয়াৰ মাজতেই আমি প্ৰত্যক্ষ কৰিছোঁ যে সংখ্যাগৰিষ্ঠ বিৰোধী দল কংগ্ৰেছৰ গৌৰৱ গগৈ, ৰাইজৰ দলৰ অখিল গগৈ আৰু অসম জাতীয় পৰিষদৰ লুৰীণজ্যোতি গগৈ- এই তিনি গগৈৰ দল আৰু নাম এতিয়া প্ৰায় চৰ্চা হ'বলৈ ধৰিছে। কংগ্ৰেছ দলৰ দলনেতা হিচাপে অসম ৰাজ্যৰ তিনিবাৰৰ মুখ্যমন্ত্ৰী স্বৰ্গগত তৰুণ গগৈৰ সুপুত্ৰ গৌৰৱ গগৈৰ নাম উচ্চাৰণৰ শীৰ্ষত স্থান পাই আছে। এগৰাকী সাংসদ হিচাপে গৌৰৱ গগৈৰ গুৰুত্ব বেছ যোগাত্মকভাৱে চৰ্চা হৈ আহিছে। সাংসদ হিচাপে গৌৰৱ গগৈৰ গ্ৰহণযোগ্যতা কোনোপধ্যেই ওলাই কৰিব নোৱাৰি। ধীৰ-স্থিৰ, গুৰু-গম্ভীৰ, বাকপটুতা তেওঁৰ উল্লেখযোগ্য বৈশিষ্ট্য। কিন্তু হ'লেও দীৰ্ঘদিন ধৰি বিদেশত থাকি বিদেশী ছোৱালীৰ পানি গ্ৰহণ কৰি সম্প্ৰতি অসমৰ পৰিমণ্ডলৰ পৰা দলনেতাৰ ভূমিকা লৈ নিৰ্বাচন খেলাৰ কচৰৎ কৰিছে যদিও মুখ্যত কিমান সফলতা লাভ কৰিব পাৰিব এই লৈ আমাৰ ভাৰত কিছু সন্দেহ ঘনীভূত হৈছে। কাৰণ অসমৰ ৰাজনৈতিক পৰিৱেশ-পৰিস্থিতি বৰ ভাল নহয়। সেয়ে সময়েহে ক'ব তিনি গগৈৰ অংক কিমান ফলৱতী হ'য়।

দ্বিতীয় দল - বিৰোধী পক্ষত অবিৰতভাৱে নিৰ্দলীয় নেতাৰ অভিনয়ত চিঞৰ-বাখৰ কৰি তালফাল লগাইছে অখিল গগৈয়ে। এজন সচেতন, অতি সচেতন জননেতা হিচাপে নানান প্ৰকাৰৰ তথ্যসমৃদ্ধ যুক্তি প্ৰদানেৰে অসম বিধানসভাৰ মজিয়াত এক প্ৰকাৰ উত্তাল ভংগিমাৰে খলকণি লগাই আহিছে অখিল গগৈয়ে। অখিল গগৈৰ কথাবোৰত যুক্তি আছে, ভিত্তি আছে আৰু আছে ন্যাৰ্যতা। কিন্তু হলেও এজাক ধুমুহা-বতাহ, বিজুলী-ঢেৰেকণিৰে চৌদিশ চূৰমাৰ কৰাৰ পাছত প্ৰকৃতি ৰাজ্য এটিবাৰ নিজম পৰি যোৱাৰ দৰে অখিল ভাৰতীয় আস্ফালনবোৰেও তেনে ৰূপেই লয়। কথা অখিল গগৈয়ে ঠিকেই কয় কিন্তু কামৰ নমুনাহে শেষত শূন্য হোৱা দেখা পোৱা যায়। বহু সময়ত ৰাইজে লক্ষ্য আৰু প্ৰত্যক্ষ কৰিছে যে অখিল গগৈয়ে তিলটোকে তালটো কৰি সৰু এটা কথাকে বহল কৰি সমস্যা সমাধান কৰক চাৰি সমস্যাবোৰ জটিল কৰি তুলিহে ভাল পায় যেন লাগে। অসমীয়াত এযাৰি বৰ সুন্দৰ প্ৰবচন আছে - "ৰাতি হ'লে সাত হাল বায়, পুৱা হ'লে এহালো নাই।" অখিল গগৈ ডাঙৰীয়াৰ দৃঢ়তাতকৈ আৱেগৰ প্ৰাবল্যহে বেছি তীব্ৰ। তাতে নিৰ্দলীয় মঞ্চৰ পৰা দলনেতাৰ ভূমিকা লৈ চৰকাৰ গঠন কৰিব পৰা নমুনা অসমত নায়েই বুলি কব পাৰি।

এতিয়া আহিছোঁ আমি অসম জাতীয় পৰিষদ দল প্ৰসঙ্গলৈ। দলটিৰ মুখ্য চালিকা শক্তি হৈছে কনিষ্ঠতম দলনেতা লুৰীণজ্যোতি গগৈ। এজন মহান জননেতা হোৱাৰ সপোন ৰচনা কৰা লুৰীণজ্যোতি গগৈয়ে অপৰিসীম শক্তি সঞ্চয় কৰি ইমান প্ৰমাণ প্ৰতীয়মান কৰিব বিচাৰিছে এইজনা যুৱ নেতাই। লুৰীণজ্যোতি গগৈ ডাঙৰীয়াৰ বেলিকা আমাৰ এটা কথা ক'বলৈ মন গৈছে - ভীমৰ বল গাত সঞ্চিত নোহোৱাকৈয়ে গদা দাঙিবলৈ প্ৰয়াস কৰাৰ দৰেহে লাগে। ছাত্ৰ সংগঠনৰ মঞ্চত দিয়া ডাঙৰ ডাঙৰ ভাষণৰ দৰে জগতৰ জনতাক জিনাটো ভবাৰ দৰে যে সহজ নহ'য়, সেই কথা তেওঁ বুজি উঠিব লাগিব। সপোন দেখাটো যেনিবা ভাল কথা, কিন্তু ন ন সপোনক দিঠক বা বাস্তৱ কৰিবলৈ যোৱাৰ পৰিমণ্ডল কিমান পূৰঠ আৰু ব্যৱহাৰিক হ'ব লাগিব এই কথাটোহে এটা নজনা সাঁথৰ যেন লাগে। যুৱ নেতা লুৰীণজ্যোতি গগৈয়ে এইক্ষেত্ৰত ক'ৰবাত যাতে উজুটি খাবলগীয়া নহয় তাৰ প্ৰতি লক্ষ্য ৰখা উচিত। এয়াই হৈছেগৈ এতিয়া আমাৰ তিনি দলৰ তিনি গগৈৰ আস্ফালন। তথাপি নকৈ নোৱাৰিছোঁ - 'যোগ্য ভোগ্যই বসুন্ধৰা'। এয়াই সত্য, শাশ্বত।

## মহম্মদ জয়নাল বিকৃত মনৰ মানুহ! অধ্যাপক শব্দটোৱেই

পোষ্ট দিয়াৰ লগতে ভাৰতীয় মহিলা আৰু যুৱতীসকলৰ বিৰুদ্ধে অশ্লীল ও অপমানজনক মন্তব্য কৰাৰ অভিযোগত গোসাঁইগাঁও আৰক্ষীয়ে জয়নাল অবেদিনৰ বিৰুদ্ধে দেশদ্ৰোহিতাৰ গোচৰ (FIR নং ৬৫/২০২৫) ৰুজু কৰি BNSৰ ধাৰাৰ অধীনত গ্ৰেপ্তাৰ কৰিছিল। ন্যায়াধীশ সূৰ্য কান্ত আৰু ন্যায়াধীশ জয়মাল্য বাগচীৰ ডিভিজন বেঞ্চে জামিন আবেদন নাকচ কৰি কঠোৰ মন্তব্য কৰে যে, "এইগৰাকী ব্যক্তি বিকৃত মনৰ। ইণ্টাৰনেটৰ অপব্যৱহাৰ কৰি সমাজৰ বাবে বিপদ সৃষ্টি কৰিব পাৰে। 'অধ্যাপক' শব্দটোৱেই তেওঁ কলংকিত কৰিছে। এনে ব্যক্তি শিক্ষানুষ্ঠানত থকাটো অতি লজ্জাজনক। অপৰাধমূলক মনোভাৱ থকা এজন লোকক সহজে জেলৰ পৰা মুকলি কৰিলে সমাজৰ বাবে বিপজ্জনক হ'ব।" আবেদনকাৰীৰ আইনজীৱিয়ে আদালতত যুক্তি দাঙি ধৰিছিল যে অধ্যাপকজনে নিজৰ ভুল স্বীকাৰ কৰি ক্ষমা বিচাৰিছে আৰু গোচৰত চাৰ্জশ্বিটো ইতিমধ্যে দাখিল হৈছে। কিন্তু গোসাঁইগাঁও আদালতত ছয় মাহ ধৰি ন্যায়িক বিষয়া নিযুক্তি নোহোৱাৰ বাবে বিচাৰ আৰম্ভ হোৱা নাই। সৰ্বোচ্চ ন্যায়ালয়ে এই যুক্তিও গ্ৰহণ নকৰিলে। উল্লেখ্য, জয়নাল অবেদিনৰ বিৰুদ্ধে ভাৰত-বিৰোধী কাৰ্যকলাপ আৰু অনলাইনত মহিলাসকলৰ মৰ্যাদা ক্ষুণ্ণ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। তিনিটা স্তৰৰ ন্যায়ালয়ে জামিন নাকচ কৰাৰ পিছত এতিয়া তেওঁৰ নিয়মীয়া জামিনৰ আবেদনৰ ওপৰতহে শেহতীয়া আশা অৱশিষ্ট আছে।

## ৰাজ্যত পুনৰ বন্যহস্তীৰ কৰুণ মৃত্যু

ওলাই অহা বন্যহস্তীৰ জাকে গ্ৰামাঞ্চলত প্ৰবেশ কৰি তাণ্ডৱ চলাই আহিছে। জিলাখনৰ ভূটান সীমান্তবৰ্তী অঞ্চলৰ ৰাইজে এতিয়া সহবাস কৰিবলগীয়া হৈছে বন্যহস্তীৰ সৈতে। হাতীৰ উপদ্ৰৱত উজাগৰী নিশা কটাবলগীয়া হৈছে সীমান্তৱৰ্তী গঞাই। হাতী-মানুহৰ সংঘাতত প্ৰতিবছৰে জিলাখনত ১৫/২০ গৰাকীকৈ নিৰীহ লোকে প্ৰাণ দিবলগীয়া হোৱাৰ বিপৰীতে জীৱশ্ৰেষ্ঠৰ জীঘাংসাৰো বলি হ'ৱলগীয়া হৈছে বন্যহস্তী। হাতী মানুহৰ সংঘাত ৰোধৰ বাবে কোনো এখন চৰকাৰে ফলপ্ৰসূ কাৰ্যব্যৱস্থা গ্ৰহণ নকৰাৰ বাবেই ওদালগুৰিত ভয়ংকৰ ৰূপ লৈছে হাতী মানুহৰ সংঘাতে। সম্প্ৰতি জিলাখনত বন্যহস্তীৰ মৃত্যুৰ সংখ্যা অভাৱনীয় হাৰত বৃদ্ধি পোৱা ঘটনাই উদ্বিগ্ন কৰি তুলিছে প্ৰকৃতিপ্ৰেমী সকলক। বিগত এক মাহৰ ভিতৰতে জিলাখনত ৪ টাকৈ বন্যহস্তীৰ অজ্ঞাত কাৰণ মৃত্যু ঘটিছে। বুধবাৰে ওদালগুৰিৰ আমজুলিৰ হাতীখুলিত উদ্ধাৰ হয় এটা হাতীৰ মৃতদেহ। স্থানীয় ৰাইজে হাতীৰ মৃতদেহ প্ৰত্যক্ষ কৰি বনবিভাগক খবৰ দিয়ে। ৰাইজৰ খবৰৰ ভিত্তিত চিকিৎসক সহ বনবিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ মৃত হাতীটোৰ মৰোনোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। প্ৰাপ্তবয়স্ক হাতীটোৰ মৃত্যুৰ কাৰণ এতিয়ালৈকে পোহৰলৈ অহা নাই। ভূটান সীমান্তৱৰ্তী অঞ্চলটোত ব্যাপক হাৰত বনাঞ্চল ধ্বংস আৰু বেদখলৰ বাবেই তীব্ৰ খাদ্য সংকট আৰু বাসস্থানৰ অভাৱত বনাঞ্চলৰ হাতী জনাঞ্চললৈ ওলাই আহিছে। অঞ্চলটোৰ এলিফেণ্ট কৰিডৰ সমূহ দখল কৰি এচাম মানুহে বাসস্থান গঢ়ি তোলাৰ বাবেই এতিয়া অঞ্চলটোত হাতী মানুহৰ সংঘাতে ভয়ংকৰ ৰূপ ধাৰণ। জিলাখনৰ হাতী মানুহৰ সংঘাত ৰোধৰ ক্ষেত্ৰত বনবিভাগক ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ভুক্তভোগী ৰাইজে।

## ৰণক্ষেত্ৰলৈ পৰিণত অগপৰ আলোচনা সভা

হয়। বৈঠকত চুতীয়া যুৱ সন্মিলনৰ প্ৰতিনিধিক অৱজ্ঞা কৰাৰ অভিযোগ উত্থাপিত হোৱাৰ পিছতে পৰিস্থিতি ক্ৰমাৎ উত্তপ্ত হৈ পৰে। প্ৰথমে তৰ্কযুদ্ধ, তাৰ পিছত হাতে-হাতে ঠেলা-ঠেলি আৰু শেষত হতাহতিৰ পৰ্যায়লৈকে গৈ পৰিব খোজা পৰিস্থিতিৰ সৃষ্টি হয়। অগপৰ যোৰহাট জিলা সভাপতি সৌৰভপ্ৰাণ বৰাই হাতযোৰ কৰি সকলোকে শান্ত কৰিবলৈ চেষ্টা কৰাৰ দৃশ্যও প্ৰত্যক্ষ কৰা হয়। অৱশেষত উপায়ন্তৰ হৈ জিলা সভাপতিজনে সাংবাদিকসকলকো কৰযোৰ কৰি বাহিৰলৈ ওলাই যাবলৈ অনুৰোধ জনায়। এটা অংশৰ চুতীয়া কৰ্মীয়ে বৈঠক আধাতে এৰি গুচি যায়। অগপৰ শীৰ্ষ নেতৃত্বই এই গোটেই পৰিস্থিতি নীৰৱ দৰ্শক হৈ চাই থাকিবলগীয়া হয়। উল্লেখ্য যে, মৰাণ, মটক, টাই-আহোম, চাহ জনগোষ্ঠী, কোচ-ৰাজবংশী আৰু চুতীয়া— এই ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীক লৈ দীৰ্ঘদিন ধৰি আন্দোলন চলি আহিছে। চৰকাৰৰ অংশীদাৰ দল অগপই এই দাবীৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই আহিছে যদিও ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ পটভূমিত উজনিৰ ভোটৰ সমীকৰণক লৈ দলটোৱে বিভিন্ন জনগোষ্ঠীৰ সংগঠনৰ সৈতে ৰুদ্ধদ্বাৰ বৈঠকৰ শৃংখলা আৰম্ভ কৰিছে। যোৰহাটৰ এই বৈঠকো সেই শৃংখলাৰে এটা অংশ আছিল। কিন্তু সংগঠনৰ নিজৰ মাজতে মতানৈক্য আৰু অভিমানৰ ফলত আলোচনাৰ মূল বিষয়বস্তু আঁতৰত ৰৈ গ'ল আৰু বৈঠকখন এক অপ্ৰত্যাশিত দিশলৈ গতি কৰিলে। এই ঘটনাই জনজাতিকৰণৰ দাবীৰ প্ৰতি অগপৰ সমৰ্থনৰ প্ৰতি নতুন প্ৰশ্নৰ সৃষ্টি কৰিছে বুলি সামাজিক মহলত চৰ্চা আৰম্ভ হৈছে।

## জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত এ পি ডব্লিউৰ শপতনামা

গুৱাহাটীৰ চানমাৰীস্থিত খাদী আৰু গ্ৰামোদ্যোগ কাৰ্যালয় প্ৰাঙ্গণত ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ নেতৃত্বত গঠিত এজনীয়া ন্যায়িক তদন্ত আয়োগৰ সন্মুখত সংগঠনটোৰ তৰফে এখন বিশদ শপতনামা দাখিল কৰা হয়। শপতনামাত জুবিনৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত উত্থাপিত হোৱা বহুকেইটা গুৰুতৰ প্ৰশ্ন আৰু সন্দেহৰ কথা উল্লেখ কৰি আয়োগৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে। শপতনামা দাখিলৰ পিছত সংবাদ মাধ্যমৰ আগত এ পি ডব্লিউৰ সভাপতি অভিজিৎ শৰ্মাই কয়, "জুবিন গাৰ্গৰ অনুৰাগীসকল যেন হঠাৎ শুই পৰিল। আজি যেন তেওঁলোক নোহোৱা হৈ গ'ল। কিন্তু জুবিনৰ ন্যায়ৰ বাবে আমি কেতিয়াও থমকি ৰ'ব নোৱাৰোঁ। আমি সদায় লাগি থাকিম আৰু আগুৱাই যাম।" শপতনামাত উত্থাপিত মূল প্ৰশ্নসমূহৰ ভিতৰত আছে—জুবিনৰ মৃত্যুৰ পিছতো নৰ্থ-ইষ্ট ফেষ্টিভেলৰ অনুষ্ঠান চলি থকাৰ কথা কোৱা শ্যামকানু মহন্তই পিছত মিছা কিয় ক'লে? ঘটনাস্থলীত উপস্থিত থকা ১৮ জনৰ ভিতৰত মাত্ৰ চাৰিজনক গ্ৰেপ্তাৰ কৰি বাকী ১৪ জনক কিয় হাত দিয়া নহ'ল? বিশেষকৈ ছিংগাপুৰ নিবাসী প্ৰবাসী অসমীয়া অভিমন্যু তালুকদাৰক কিয় গ্ৰেপ্তাৰ কৰা নহ'ল? ট্ৰেণ্ড এম এম এছৰ সঞ্চালক শ্যামকানু মহন্তৰ পত্নীৰ বিৰুদ্ধে কিয় কোনো ব্যৱস্থা লোৱা নহ'ল, যাৰ ঘৰ চীল কৰাৰ পিছতো আগতীয়াকৈ খুলি দিয়া হৈছিল? নৰ্থ-ইষ্ট ফেষ্টিভেলৰ পি আৰ মেনেজাৰ অনুজ কুমাৰ বৰুৱাই অনুষ্ঠান বাতিল হোৱা বুলি মিছা প্ৰচাৰ কিয় কৰিছিল আৰু জুবিনৰ মৃত্যুক 'স্কুবা ডাইভিং দুৰ্ঘটনা' বুলি প্ৰচাৰ কৰাত তেওঁৰ ভূমিকা কি আছিল? জুবিনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা এতিয়াও দিল্লীত অনুজ বৰুৱাৰ সহায়ত আত্মগোপন কৰি আছে নেকি? জুবিন আৰু সহযোগী শিল্পীসকলৰ ছিংগাপুৰৰ ভিছা কি প্ৰকাৰৰ আছিল? সাংস্কৃতিক কৰ্মীৰ বাবে বিশেষ ভিছা লোৱা হৈছিল নেকি? গৰিমা শইকীয়া গাৰ্গৰ ভিছা বাতিল হৈছিল নে আবেদনেই কৰা হোৱা নাছিল? ছিংগাপুৰৰ কঠোৰ আইন থকা সত্ত্বেও সকলোৱে লাইফ জেকেট নোহোৱাকৈ পানীত নামিবলৈ কেনেকৈ অনুমতি পালে? ঘটনাৰ পিছত আধা ঘণ্টালৈকে কেৱল য়াটৰ কেপ্তেইনে সি পি আৰ দিয়াৰ পিছতো সাগৰীয় এম্বুলেন্সৰ ব্যৱস্থা কিয় ব্যৱহাৰ কৰা নহ'ল? জুবিনৰ মৰণোত্তৰ পৰীক্ষা দিল্লীৰ এইমছত নকৰি গুৱাহাটীত কিয় কৰা হ'ল? বতৰৰ সতৰ্কবাণী অমান্য কৰি য়াটখন সেই দ্বীপলৈ কিয় লৈ যোৱা হৈছিল? য়াটৰ এছ অ' পি চিগনেল পৰীক্ষা কৰা হৈছিলনে? লুক আউট চাৰ্কুলাৰ থকা সত্ত্বেও শ্যামকানু মহন্তই দিল্লীলৈ কেনেকৈ আহিব পাৰিলে? জুবিনৰ ভাতৃ তথা আৰক্ষীৰ উচ্চপদস্থ বিষয়া সন্দীপন গাৰ্গে নিজৰ কৰ্তব্য সঠিকভাৱে পালন কৰিছিলনে? শপতনামা দাখিল কৰি অভিজিৎ শৰ্মাই কয়, "আমি এই সকলোবোৰ প্ৰশ্ন আয়োগৰ আগত তুলি ধৰিছোঁ। কিছুমান কথা এতিয়া প্ৰকাশ কৰাটো উচিত নহ'ব বুলি ভাবিছোঁ। আয়োগে বিচাৰিলে আমি আকৌ আহিম। জুবিন গাৰ্গৰ ন্যায়ৰ বাবে আমাৰ যুঁজ অব্যাহত থাকিব।" জুবিন গাৰ্গৰ মৃত্যুৰ পিছত এই প্ৰথমবাৰৰ বাবে কোনো সংগঠনে ন্যায়িক আয়োগৰ সন্মুখত ইমান বিশদ আৰু সুনিৰ্দিষ্ট প্ৰশ্নৰে শপতনামা দাখিল কৰিলে, যিয়ে তদন্তৰ দিশ এটা নতুন মোৰ ল'ব পাৰে বুলি ৰাজনৈতিক আৰু সামাজিক মহলত চৰ্চা আৰম্ভ হৈছে।

## বিৰোধীৰ বৈঠকক সাপ-নেউলৰ আড্ডা আখ্যা

বিধানসভা অধিবেশনত কোনে কি ভূমিকা ল'ব, সেইটোহে আলোচনা হৈছে। সংবাদ মাধ্যমৰ সৈতে কথা পাতোঁতে মন্ত্ৰী হাজৰীকাই কয়, "মই শুনিছো যে তেওঁলোকৰ বৈঠকত একো গম্ভীৰ বিষয়ৰ আলোচনা হোৱা নাই। সাপে—নেউলে লগ হৈ কেৱল বিজেপিক কেনেকৈ প্ৰতিহত কৰিব পাৰি, তাৰে এটা আড্ডা দিছে। আচলতে ৫ ডিচেম্বৰৰ পৰা আৰম্ভ হ'বলগীয়া শীতকালীন বিধানসভা অধিবেশনত কোনে কি কৰিব, কোনে কি ক'ব — এইবোৰহে তেওঁলোকৰ মূল চৰ্চা আছিল।" তেওঁ বিৰোধী শিবিৰৰ সংখ্যাগত দুৰ্বলতাৰ কথা উল্লেখ কৰি লগতে কয়, "বিধানসভাত জাতীয় পৰিষদৰ একোজনো বিধায়ক নাই। কমিউনিষ্ট পাৰ্টি আৰু ৰাইজৰ দলৰ মাথোঁ এজনকৈ বিধায়ক আছে। বাকী যিসমূহ দল এই ঐক্যমঞ্চত আছে, তেওঁলোকৰ একোজনো বিধায়ক নাই। কেৱল কংগ্ৰেছৰহে উল্লেখযোগ্য সংখ্যক বিধায়ক আছে। তেন্তে বিধানসভাৰ ভিতৰত এই দলসমূহে কি কৰিব? কি ক'ব? মই সেইটো বুজি পোৱা নাই।" মন্ত্ৰীগৰাকীয়ে বিৰোধী দলসমূহক পৰামৰ্শ দি কয়, "এনেকুৱা অৰ্থহীন কাম কৰি জনসাধাৰণৰ মাজত হাঁহিৰ পাত্ৰ নহ'ব। বিয়া কোনে কেতিয়া পাতিব, মন্ত্ৰী হৈ কোনে বিয়া কৰিব — এইবোৰ সৰু—সুৰুঙা কথাৰে ৰাজনীতি কৰিব নালাগে। এনে আলোচনাই জনতাৰ মনত আঘাত দিয়ে আৰু ৰাজনীতিৰ মানদণ্ড হ্ৰাস কৰে।" উল্লেখ্য যে, বুধবাৰে গুৱাহাটীত কংগ্ৰেছৰ নেতৃত্বত অনুষ্ঠিত এই ঐক্যবদ্ধ বিৰোধী সভাত এআইইউডিএফ, তৃণমূল কংগ্ৰেছ, ৰাইজৰ দল, চিপিআই(এম), চিপিআই, এনচিপি আদি দলৰ নেতাসকল উপস্থিত আছিল যদিও বিধানসভাত এই দলসমূহৰ প্ৰতিনিধিত্ব অতি নগণ্য। ফলত মন্ত্ৰী পীযূষ হাজৰীকাৰ এই মন্তব্যই ৰাজনৈতিক মহলত যথেষ্ট চৰ্চা লাভ কৰিছে।

## জনজাতিৰ স্বীকৃতি নিদিলে বৃহৎ আন্দোলনৰ হুংকাৰ

জনজাতিৰ স্বীকৃতিৰ দাবীৰে সদৌ অসম চাওঁতাল ছাত্ৰ সন্থাৰ নেতৃত্বত নেহৰুবালি খেলপথাৰৰ দাঁতিত এখন উত্তাল প্ৰতিবাদী সভা আৰু অৱস্থান ধৰ্মঘট পালন কৰা হয়। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰা চাওঁতাল ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক তথা নগাঁও জিলা সমিতিৰ উপ-সভাপতি গৰাকীয়ে কয়, "দেশৰ আন ৰাজ্যসমূহত চাওঁতালসকলে সম্পূৰ্ণ জনজাতিৰ মৰ্যাদা লাভ কৰি আছে, কিন্তু অসমত আমি এতিয়াও বঞ্চিত। স্বাধীনতাৰ ৭৮ বছৰ পাৰ হোৱাৰ পিছতো আমাৰ ভূমিৰ অধিকাৰ নাই, উচ্চশিক্ষাৰ সুবিধা নাই। অসমত বসবাস কৰা প্ৰায় ১৪ লাখ চাওঁতাল জনগোষ্ঠীক অতি শীঘ্ৰে জনজাতিৰ স্বীকৃতি দিয়ক, উচ্চশিক্ষাৰ ব্যৱস্থা কৰক।" চাওঁতাল ছাত্ৰ সন্থাৰ মূল দাবীসমূহ হৈছে —চাওঁতাল জনগোষ্ঠীক অসমত সম্পূৰ্ণ জনজাতিৰ স্বীকৃতি প্ৰদান কৰা, চাওঁতালসকলক ভূমি পট্টা প্ৰদান কৰা, অসমত ইনাৰ লাইন পাৰ্মিট ব্যৱস্থা প্ৰৱৰ্তন কৰা, উচ্চশিক্ষাৰ সুযোগ-সুবিধাৰ ব্যৱস্থা কৰা, চাওঁতাল ভাষাৰ সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে পদক্ষেপ গ্ৰহণ কৰা। প্ৰতিবাদৰ অন্তত পাঁচ দফীয়া দাবী সম্বলিত এখন স্মাৰকপত্ৰ নগাঁও জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা হয়। সন্থাৰ নেতৃত্বই স্পষ্টভাৱে হুংকাৰ দিয়ে যে চৰকাৰে এই দাবীসমূহ গুৰুত্ব নিদিলে অনাগত দিনত অসমজুৰি বৃহৎ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। নগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হাজাৰ হাজাৰ চাওঁতাল যুৱক-যুৱতীৰ এই প্ৰতিবাদে নগাঁও চহৰৰ পৰিৱেশ উত্তপ্ত কৰি তুলিছিল। ঐতিহ্যমণ্ডিত ধনু-কাঁড় আৰু মাদলৰ তালেৰে জনজাতিৰ স্বীকৃতিৰ দাবী জনাই থকা এই দৃশ্যই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিলে।

## দিল্লী বিস্ফোৰণ সম্পৰ্কত 'আপত্তিজনক' পোষ্ট কৰি

আছে। বুধবাৰে নিশাৰ পৰা বৃহস্পতিবাৰলৈকে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা আৰু নজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰ ফলত এই কাণ্ডৰ সৈতে জড়িত হোৱাৰ অভিযোগত গ্ৰেপ্তাৰৰ সংখ্যা ১৫ জনলৈ বৃদ্ধি পালে। বৃহস্পতিবাৰে নিজৰ এ' (পূৰ্বৰ টুইটাৰ) হেণ্ডেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰি লিখিছে, "কালিৰ ছয়জনৰ পিছত নিশাৰ ভিতৰতে আৰু নজনক গ্ৰেপ্তাৰ কৰা হৈছে। এতিয়ালৈকে মুঠ ১৫ জনক আটক কৰা হ'ল। হিংসাৰ মহিমাকীৰ্তন কৰাসকলৰ প্ৰতি অসম আৰক্ষী সম্পূৰ্ণ আপোচবিহীন।" নতুনকৈ গ্ৰেপ্তাৰ হোৱাসকল হৈছে— ৰফিজুল আলী (বঙাইগাঁও), ফৰিদ উদ্দিন লস্কৰ (হাইলাকান্দি), ইনামুল ইছলাম (লখিমপুৰ), ফিৰোজ আহমেদ ওৰফে পাপন (লখিমপুৰ), শ্বাহিল শোমান শিকদাৰ ওৰফে শ্বাহিদুল ইছলাম (বৰপেটা), ৰকিবুল চুলতান (বৰপেটা), নছিম আক্ৰাম (হোজাই), তছলিম আহমেদ (কামৰূপ) আৰু আব্দুৰ ৰহিম মোল্লা ওৰফে বাপ্পী হুছেইন (দক্ষিণ শালমাৰা)। মুখ্যমন্ত্ৰীয়ে স্পষ্টভাৱে জনায় যে বিস্ফোৰণক আদৰণি জনোৱা পোষ্টৰ ক্ষেত্ৰত কোনো ৰেহাই নাই। "বহুতে এতিয়া পোষ্ট ডিলিট কৰিছে, কিন্তু আমি স্ক্ৰীণশ্বট সংগ্ৰহ কৰি ৰাখিছোঁ। আমি কঠোৰ হ'ম, "তেওঁ সতৰ্ক কৰি দিয়ে। লগতে তেওঁ কয়, "যদি কাৰোবাৰ বাংলাদেশ বা অন্য কোনো বিদেশী শক্তিৰ সৈতে যোগাযোগ পোৱা যায়, তেন্তে অতি কঠোৰ ব্যৱস্থা লোৱা হ'ব।" তেওঁ এইকথা উল্লেখ কৰে যে ৰাজ্যত এই ধৰণৰ পোষ্ট দিয়াসকলৰ ভিতৰত এটা বিশেষ গোট আছে, যিসকলে জুবিন গাৰ্গৰ কাণ্ডৰ সময়তো চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল আৰু এতিয়া বিস্ফোৰণক সমৰ্থন জনাইছে। অৱশ্যে মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰে যে নাবালক বা যিসকলৰ ডিভাইচ অজ্ঞাতে ব্যৱহাৰ কৰি পোষ্ট দিয়া হৈছে, তেনে ক্ষেত্ৰত সাৱধানে বিচাৰ কৰি ব্যৱস্থা লোৱা হ'ব, কিন্তু মূল দোষীক কেতিয়াও ৰেহাই নিদিয়া হয়।

## ২০২৬ত অকলেই নিৰ্বাচন খেলিবলৈ সাজু

হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগ উদ্যোগত অসমীয়া গামোচাৰ ভৌগোলিক সূচক (জি আই) হস্ত তাঁত উৎপাদিত সামগ্ৰী সংৰক্ষণ আইন ১৯৮৫, চিল্ক মাৰ্ক, হেণ্ডলুম মাৰ্ক আৰু শিপিনীৰ মাজত সূতাৰ পাচবুক বিতৰণ শীৰ্ষক বিষয়ৰ ওপৰত ৰেংগাম উদ্যোগিক মহিলা সমবায় সমিতি লিমিটেডত অনুষ্ঠিত এখন সজাগতা সভাত অংশগ্ৰহণ কৰে। মন্ত্ৰী গৰাকীয়ে উক্ত সজাগতা সভাত উপস্থিত থাকি হস্ততাঁত শিল্পৰ সৈতে জড়িত শিপিনীসকলক উৎসাহ প্ৰদান কৰে। ৰেংগাম উদ্যোগিক মহিলা সমবায় সমিতি লিমিটেডক আগন্তুক দিনত চৰকাৰে তেওঁলোকৰ উৎপাদন বৃদ্ধিত সহায় - সহযোগিতা আগবঢ়াব বুলি উল্লেখ কৰে। অনুষ্ঠানত ৩০০ গৰাকী শিপিনীৰ মাজত চিল্ক মাৰ্ক, হেণ্ডলুম মাৰ্ক আৰু শিপিনীৰ মাজত সূতাৰ পাচবুক বিতৰণ কাৰ্যসূচীৰো শুভাৰম্ভ কৰে। অনুষ্ঠানত মাজুলীৰ বিধায়ক ভুৱন গাম, জিলাৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ লগতে সংশ্লিষ্ট বিভাগৰ অধীক্ষক দিলীপ দত্তৰ লগতে অন্যান্য বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে। মন্ত্ৰী গৰাকীয়ে জিলা আয়ুক্তৰ উপস্থিতিত জিলা আয়ুক্তৰ সভাকক্ষত সংশ্লিষ্ট বিভাগৰ বিষয়া কৰ্মচাৰীৰে বিভাগীয় এক পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰে। মন্ত্ৰী গৰাকীয়ে কমলাবাৰী স্থিত জিলা হস্ততাঁত আৰু বস্ত্ৰশিল্পৰ কাৰ্য্যালয়ো পৰিদৰ্শন কৰে। ইফালে মাজুলীত উপস্থিত হোৱা মন্ত্ৰী গৰাকীয়ে অসমৰ সাম্প্ৰতিক ৰাজনৈতিক প্ৰেক্ষাপট সন্দৰ্ভত সাংবাদিকৰ আগত বহুকেইটা মন্তব্য কৰে। বিশেষকৈ বিজেপিৰ মিত্ৰদল ইউপিপিএলৰ আগন্তুক সময়ত ভূমিকা কি হ'ব বুলি সোধাৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয় বিধানসভাত ২০২৬ আৰু লোকসভাত ২০২৯ লৈ বিজেপিৰে আমাৰ মিত্ৰতা আছে। গতিকে আগন্তুক ২০২৬ ত আমি অকলেই খেলিব পৰাকৈ আমি সম্পূৰ্ণৰূপে প্ৰস্তুত বুলি কোৱাৰ লগতে অকল বিটিচি তে নহ'য় বাহিৰতো নিৰ্বাচন খেলিবলৈ চিন্তা চৰ্চা কৰি থকা হৈছে বুলি ইউপিপিএল দলৰ মন্ত্ৰী গৰাকীয়ে উল্লেখ কৰে। ইফালে আগন্তুক ছয় জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰসংগই নিৰ্বাচনত প্ৰভাৱ পেলাব নেকি বোলা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী গৰাকীয়ে লগতে কয় ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোৱে নিৰ্বাচনত ঠায়ে ঠায়ে প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা আছে। বিশেষকৈ উজনি অসমত ইয়াৰ প্ৰভাৱ সৰ্বাধিক হ'ব পাৰে। জনজাতিকৰণ কৰিও পূৰ্বৰ জনজাতি সকলৰ অধিকাৰ সুৰক্ষিত কৰি ৰখাৰ ধৰণৰ উপায় উদ্ভাৱন কৰি ভাৰত চৰকাৰ আৰু অসম চৰকাৰে ইচ্ছা কৰিলে ইয়াৰ মাজেদি ৰাস্তা উলিয়াব পাৰে বুলি তেওঁ তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে।

## বিজেপি নাথাকিলে গোটেই অসম মিঞাই লৈ যাব!

পিছত সাংবাদিকৰ আগত এই বিস্ফোৰক মন্তব্য কৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। তেওঁ লগতে কয়, "যিসকলে আজি বিজেপিক অভিশাপ দি আছে, সেইসকল অসমীয়া লোক এদিন নিজেই অনুতপ্ত হ'ব।" অনুষ্ঠানতে গহপুৰ সমষ্টিৰ ৩৬, ৮৫৭ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ মুঠ প্ৰায় ৩৭ কোটি টকাৰ চেক বিতৰণ কৰা হয়। মহিলাসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰীয়ে কয়, "বিজেপি চৰকাৰ থকাৰ অৰ্থেই দুখীয়াৰ মুখত হাঁহি, নাৰী সুৰক্ষিত, অসমীয়া সুৰক্ষিত আৰু অসমীয়াৰ ভূমি সুৰক্ষিত। আমি সদায় দৰিদ্ৰ আৰু মহিলাৰ লগত আছোঁ।" নাম নোলোৱাকৈ গৌৰৱ গগৈ, অখিল গগৈ আৰু লুৰিণজ্যোতি গগৈক কটাক্ষ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "তিনি গগৈয়ে হৈছে মিঞাৰ আটাইতকৈ ডাঙৰ পৃষ্ঠপোষক। তেওঁলোক গগৈৰ সমৰ্থক নহয়, বুঢ়াগোঁহাইৰো নহয়, বৰবৰাৰো নহয়, বৰপাত্ৰ গোঁহাইৰো নহয়— কেৱল মিঞাৰ পৃষ্ঠপোষক।" দিল্লীৰ লালকিল্লাৰ সমীপত হোৱা বিস্ফোৰণৰ পিছত গৌৰৱ গগৈৰ প্ৰতিক্ৰিয়াক লৈ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, "গৌৰৱ গগৈ পাকিস্তানৰ আই এছ আইৰ এজেণ্ট। তেওঁৰ ঘৈণীয়েক তাতকৈও বেছি এজেণ্ট। আমাৰ হাতত ইয়াৰ বহুত প্ৰমাণ আছে। তেওঁৰ গোটেই পৰিয়ালটোৱে পাকিস্তানী এজেণ্টৰ দৰে কাম কৰি আহিছে।" তেওঁ লগতে কয়, "বিস্ফোৰণৰ পিছত গৌৰৱ গগৈৰ প্ৰথম ফেচবুক পোষ্টত 'গৰিহণা' শব্দটোৱেই নাছিল, কেৱল দুখ প্ৰকাশ কৰিছিল। পিছত লোকৰ চাপত লাহেকৈ যোগ কৰিলে। তেওঁৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে মাত মতাৰো সাহস নাই।" বিৰোধী দলসমূহৰ সাম্প্ৰতিক বৈঠকক লৈ মুখ্যমন্ত্ৰীয়ে কয়, "তিনি গগৈ সদায় হাৰি থাকিব, কিন্তু আমাৰ তৰুণ গগৈ, তৰংগ গগৈৰ দৰে গগৈসকল জিকি থাকিব। বিৰোধীৰ সেই মিটিংখন আছিল কেৱল এখন বিয়াৰ আলোচনাৰ মিটিং।" এন এইচ এম কৰ্মীসকলৰ আন্দোলনৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, "তেওঁলোকে ব্লেকমেইলিং কৰিছে। স্বাস্থ্য শিবিৰত অংশ নোহোৱাৰ বাবে প্ৰথমে ক্ষমা বিচাৰিব লাগিব, তাৰ পিছতহে আলোচনা হ'ব।" পঞ্চায়তৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ দাবীৰ প্ৰসংগত তেওঁ কয়, "লাগিলে চৰকাৰেই নকৰোঁ, কিন্তু হেঁচাত মুখ্যমন্ত্ৰী হৈ নাথাকোঁ।" গহপুৰৰ এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ এই স্পষ্ট আৰু বিস্ফোৰক বক্তব্যই ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশত নতুন ঢৌৰ সৃষ্টি কৰিছে।

## লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ত সহপাঠীৰে

গৈছিল। সেই সময়তে সহপাঠী সুশীল কুমাৰে টয়লেটৰ দুৱাৰ বন্ধ কৰি অপকৰ্মৰ চেষ্টা চলায় বুলি অভিযোগ উত্থাপন কৰে ছাত্ৰীগৰাকীয়ে। অভিযোগ পোৱা মাত্ৰকৈ লীলাবাৰী আৰক্ষীয়ে মহাবিদ্যালয় প্ৰাঙ্গণৰ পৰাই সুশীল কুমাৰক আটক কৰে আৰু পৰৱৰ্তী সময়ত গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰায়। আদালতে তেওঁক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। আনহাতে, অভিযুক্ত ছাত্ৰজনে নিজকে সম্পূৰ্ণ নিৰ্দোষী বুলি দাবী কৰিছে আৰু এই অভিযোগ সম্পূৰ্ণ ভিত্তিহীন বুলি মহাবিদ্যালয়ৰ শিক্ষক-ছাত্ৰ সমাজক অৱগত কৰিছে বুলি জানিবলৈ দিছে। ঘটনাৰ পিছতে লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইফালে ছাত্ৰীসকলৰ নিৰাপত্তাৰ প্ৰশ্নই নতুনকৈ উত্থাপিত হৈছে আৰু মহাবিদ্যালয় কৰ্তৃপক্ষই এই বিষয়ে তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে। লীলাবাৰী আৰক্ষীয়েও গোচৰৰ তদন্ত অব্যাহত ৰাখিছে।

### তিনিচুকীয়াত ৰাজ্যিক নিৰ্বাচন আয়ুক্তৰ বৈঠক

# সোণোৱাল-কছাৰী স্বায়ত্ত্ব পৰিষদৰ নিৰ্বাচনৰ প্ৰস্তুতি



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৩ নৱেম্বৰ ঃ** অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ আয়ুক্ত ৰঞ্জন শৰ্মাই বুধবাৰে দুদিনীয়া উজনি অসম ভ্ৰমণৰ উদ্দেশ্যে তিনিচুকীয়াত উপস্থিত হয়। তেওঁ পুৱা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন সভাত অংশ লৈ জিলাখনত সোণোৱাল কছাৰী স্বায়ত্ত্ব শাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লয়। সভাত ৰাজ্যিক নিৰ্বাচন আয়োগৰ সচিব গীতাৰ্থ বৰুৱা, জিলা আয়ুক্ত স্বপ্নীল পাল, জ্যেষ্ঠ আৰক্ষী অধীক্ষক মায়ঙ্ক কুমাৰ, অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণ্ময় দাস, নিৰ্বাচন বিষয়া ময়ূৰাক্ষী দত্ত আৰু জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মা উপৰিও সকলো খণ্ড উন্নয়ন বিষয়াও উপস্থিত থাকে। সভাত জিলা আয়ুক্তই জিলাখনত নিৰ্বাচনৰ প্ৰস্তুতি সম্পৰ্কে অৱগত কৰে। আয়ুক্তগৰাকীয়ে এনে প্ৰস্তুতিত সন্তুষ্টি প্ৰকাশ কৰি কয় যে, এই নিৰ্বাচনক সৰু-সুৰা নিৰ্বাচন বুলি গুৰুত্ব কমাই দিব নালাগে, কিয়নো এনে সৰু নিৰ্বাচনতে ৰাইজ অধিক আন্তৰিকতাৰে জড়িত হয়। তেওঁ নিৰ্বাচন সম্পূৰ্ণ নিকা আৰু মুক্ত হোৱাৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে ভোটাৰ তালিকাৰ পৰা মৃত আৰু স্থানান্তৰিত হোৱাসকলৰ নাম কৰ্তন কৰাৰ পৰামৰ্শ দিয়ে। এই সম্পৰ্কে তেওঁ কেবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশনাও দিয়ে। উল্লেখযোগ্য যে, সোণোৱাল কছাৰী স্বায়ত্ত্ব শাসিত পৰিষদৰ বাবে তিনিচুকীয়া জিলাত ৬টা সমষ্টি নিৰ্ধাৰণ কৰা হৈছে। সভাৰ আৰম্ভণিতে জিলা আয়ুক্ত পালে নিৰ্বাচন আয়ুক্ত আৰু সচিবক ফুলাম গামোছা আৰু শৰাইৰে আদৰণি জনায়। সভাৰ পিছতে আয়োগৰ দলটো ডিব্ৰুগড় অভিমুখে ৰাওনা হয়। দুপৰীয়া ডিব্ৰুগড়ত অনুৰূপ সভাত অংশগ্ৰহণ কৰি ধেমাজিলৈ ৰাওনা হয়। নিশাটো ধেমাজিতে অতিবাহিত কৰি কাইলৈ শিৱসাগৰ আৰু যোৰহাট জিলাত জিলা প্ৰশাসনৰ সৈতে আলোচনাত মিলিত হ'ব।

### বিদ্যালয় পৰিচালনা সমিতিৰ একাউণ্টত জমা হ'ব নিৰ্মাণৰ ধন; মন্তব্য জিলা শিক্ষা সমন্বয়ক খনীন্দ্ৰ কুমাৰ দাস

# মৰিগাঁৱত সমগ্ৰ শিক্ষা অসমৰ অনুমোদনৰ সঠিক ৰূপায়ণত গুৰুত্ব প্ৰদান জিলা শিক্ষা বিভাগৰ

### বিদ্যালয়ৰ গণিত আৰু বিজ্ঞানৰ গৱেষণা গৃহ নিৰ্মাণৰ দায়িত্ব নাথাকে কোনো ঠিকাদাৰ

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৩ নৱেম্বৰ ঃ** বৃহস্পতিবাৰে মৰিগাঁও জিলা শিক্ষা বিভাগৰ অন্তৰ্গত সমগ্ৰ শিক্ষা অসমৰ মৰিগাওঁ জিলাৰ সমগ্ৰ শিক্ষা সমন্বয়ক খনীন্দ্ৰ কুমাৰ দাসে সংবাদ মাধ্যমৰ আগত কয় যে এখন বাতৰি কাকতত লিখা দেখিবলৈ পাইছো যে মৰিগাঁৱত সমগ্ৰ শিক্ষা অসমে ৩২ বিদ্যালয়ত গণিত আৰু বিজ্ঞানৰ গৱেষণা গৃহ নিৰ্মাণৰ বাবে যি ৬.০৭ কোটি টকা আবন্তন দিছে সেই সেইয়া বিধায়ক ৰামাকান্ত দেউৰীয়ে নিৰ্বাচিত কৰি দিয়া কোনো ঠিকাদাৰৰ জৰিয়তে কাম কৰিবলৈ আমি বিদ্যালয়ৰ পৰিচালনা সমিতিক হেঁচা প্ৰয়োগ কৰা সন্দৰ্ভত এক বাতৰি আমাৰ দৃষ্টি গোচৰ হৈছে। এই ক্ষেত্ৰত মৰিগাঁও জিলা সমগ্ৰ শিক্ষা সমন্বয়ক খনীন্দ্ৰ কুমাৰ দাসে স্পষ্টভাৱে কয় যে মৰিগাঁও জিলা মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত ডেউৰীয়ে মৰিগাঁও আৰু লাহৰীঘাটৰ ১৬ খনকৈ বিদ্যালয়ৰ গৱেষণাগাৰ নিৰ্মাণৰ ঠিকাদাৰ বাচনি আমাক দিয়া নাই আৰু আমাৰ তৰফৰ পৰা কোনো বিদ্যালয়ৰ পৰিচালনা সমিতিক ঠিকাদাৰৰ জৰিয়তে কাম কৰিবলৈ হেঁচা প্ৰয়োগ কৰা নাই। জিলা শিক্ষা বিভাগক যি অভিযোগেৰে বাতৰি কাকতত প্ৰকাশ কৰিছে উক্ত প্ৰকাশিত বাতৰিটোৰ সন্দৰ্ভত আমি সমগ্ৰ শিক্ষা, মৰিগাঁও কাৰ্যালয়ৰ তৰফৰ পৰা স্পষ্টভাৱে সকলোকে জনাও যে সমগ্ৰ শিক্ষা অসমৰ অধিনত থকা সকলো বিদ্যালয়ৰ যিকোনো নিৰ্মাণকাৰ্য্যৰ দায়িত্ব সংশি-ষ্ট বিদ্যালয়ৰ বিদ্যালয় পৰিচালনা সমিতিৰ হাতত ন্যস্ত থাকে। এই কাৰ্য কোনো মন্ত্ৰী বা বিধায়ক বা কাৰ্যালয়ৰ বিষয়া কৰ্মচাৰীৰ হাতত নাথাকে। গতিকে উক্ত প্ৰকাশ বাতৰিটোৰ লগত সমগ্ৰ শিক্ষা, মৰিগাঁও কাৰ্যালয় বা বিধায়ক ৰমাকান্ত ডেউৰীৰ কোনো সম্পৰ্ক নাই বুলি স্পষ্ট কৰি জনাইছো। লগতে এই কথাও উল্লেখ কৰো যে বিধায়ক ৰামাকান্ত দেউৰীয়ে আমাক উক্ত বাতৰি কাকতখনত প্ৰকাশ কৰা দৰে কোনো ঠিকাদাৰৰ তালিকাও আমাক দিয়া নাই।

## দুই নং ৰাজ্যিক ঘাইপথৰ দাঁতিত গছপুলি ৰোপণ

**অসম বাৰ্তা, লেংটিছিঙা, ১৩ নৱেম্বৰ ঃ** জুবিন গাৰ্গৰ স্মৃতিত আজি ঐতিহাসিক অভয়াপুৰী চহৰৰ মুল প্ৰৱেশ দ্বাৰ তথা দুই নং ৰাজ্যিক ঘাইপথৰ দুয়োকাষে নাহৰ গছ পুলি ৰোপণ কৰা হয়। ধুবুৰী জিলাৰ প্ৰকৃতিপ্ৰেমী সংগঠন "গোলাপী গ্ৰীন" ৰ উদ্যোক্তা মজিবৰ প্ৰধানীৰ উদ্যোগত আৰু সমাজ সেৱক ৰিতু কুমাৰ দাস, কাঞ্চনমণি বৰকলিতাৰ সহযোগত এই কাৰ্য সমাপন কৰা হয়। জুবিন গাৰ্গে বিশেষ ভাবে ভালপোৱা এই নাহৰ গছ ৰোপণ কৰা মহান কাৰ্যসূচীত অংশ লৈ প্ৰশংসা কৰি কাৰ্যসূচীত অংশগ্ৰহণ কৰে অভয়াপুৰীৰ জুবিন গাৰ্গ সাংস্কৃতিক মঞ্চৰ সভাপতি তপন দাস আৰু মঞ্চৰ আন বিষয়ববীয়া সকলে। এই কাৰ্যত লোকনিৰ্মাণ বিভাগৰ কেবাগৰাকীও অভিযন্তা, কৰ্মচাৰীয়ে সহায় সহযোগিতা কৰে। উল্লেখযোগ্য যে প্ৰকৃতি প্ৰেমী সংগঠন "গোলাপী গ্ৰীনে" ধুবুৰী আৰু বঙাইগাঁও জিলাৰ বিভিন্ন স্থানত কেবা হাজাৰো গছপুলি ৰোপণ আৰু প্ৰতিপালন কৰি প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাৰ লগতে ধৰণীখনক সৌন্দৰ্যময়, চিৰসেউজ কৰি তুলিব বিচাৰি আছে।

# অসম স্নাতক মহাবিদ্যালয় অনা-শিক্ষক কৰ্মচাৰী সন্থাৰ আহ্বানত ভূৰাগাঁও মহাবিদ্যালয়তো কৰ্মচাৰীৰ কৰ্মবিৰতি

**অসম বাৰ্তা, ভূৰাগাঁও, ১৩ নৱেম্বৰ ঃ** সমগ্ৰ অসমৰ লগতে মৰিগাঁও জিলাৰ ভূৰাগাঁও মহাবিদ্যালয়তো আজিৰ পৰা স্নাতক মহাবিদ্যালয় অনা-শিক্ষক কৰ্মচাৰী সকলে কৰ্মবিৰতি কাৰ্যসূচী হাতত লৈছে। অসম স্নাতক মহাবিদ্যালয় অনা-শিক্ষক কৰ্মচাৰী সন্থাৰ আহ্বান মৰ্মে এই কৰ্মবিৰতি কাৰ্যসূচী গ্ৰহণ কৰি ঠিকাভিত্তিক অনা-শিক্ষক কৰ্মচাৰী সকলে চাকৰি নিয়মীয়া কৰণৰ দাবী জনাই। আজিৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লোৱা হৈছে এই কৰ্মবিৰতি কাৰ্যসূচী। জানিব পৰা মতে আগন্তুক ১৫ নৱেম্বৰলৈ চলিব অনা-শিক্ষক কৰ্মচাৰী সকলৰ কৰ্মবিৰতি কাৰ্যসূচী। উল্লেখ্য যে সমগ্ৰ অসমত ২০২১ চনতে প্ৰাদেশীকৰণ কৰা হৈছিল ৩৩ খনকৈ মহাবিদ্যালয়। সেই সময়ৰ শিক্ষা মন্ত্ৰী তথা বৰ্তমাণৰ মুখ্যমন্ত্ৰী গৰাকীয়ে মহাবিদ্যালয় সমূহৰ অনা-শিক্ষক কৰ্মচাৰী সকলৰ বাবে তেতিয়া ঠিকা ভিত্তিত নিম্নতম পাৰিশ্ৰমিক ঘোষনা কৰি তিনি মাহৰ ভিতৰত তেওঁলোকক সম্পুন্ন দৰমহাৰ ব্যৱস্থা কৰিব বুলি আশ্বাস দিছিল। কিন্তু তিনি মাহৰ সময় লোৱা চৰকাৰখনে ৫ বছৰ উকলি যোৱাৰ পাছতো প্ৰতিশ্ৰুতি ৰক্ষা নকৰিলে। যাৰ বাবে ৩৩খন মহাবিদ্যালয়ৰ ২৯৭জন অনা শিক্ষক কৰ্মচাৰীয়ে বৰ্তমান পৰিয়াল পোহ পাল দিব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছে। ভূৰাগাঁও মহাবিদ্যালয়তো ১০ জনকৈ তেনে কৰ্মচাৰীয়ে এতিয়া হাহাকাৰ কৰিব লগা হৈছে। সেই সকলৰ ভিতৰত দুজনমানৰ চাকৰি কাল মাত্ৰ এক-দুই বছৰহে আছে। শিক্ষামন্ত্ৰী, মুখ্যমন্ত্ৰী আদিৰ ওচৰত বাৰে বাৰে আৱেদন কৰাৰ পাছতো কোনো ফল নধৰাত অৱশেষত কৰ্মবিৰতিৰ দৰে কাৰ্যসূচী হাতত লব লগা হয়। আজি প্ৰথমটো দিনতে ভূৰাগাঁও কলেজৰ ১০ জনকৈ কৰ্মচাৰী কৰ্মবিৰতিত বহাত মহাবিদ্যালয় খনৰ কাম কাজ অচল হৈ পৰে। কৰ্মচাৰী সকলৰ দাবী মানি নললে প্ৰতিবাদ আৰু তীব্ৰতৰ হব বুলি মত প্ৰকাশ কৰে প্ৰতিবাদী কৰ্মচাৰীসকলে।

# অনিৰ্দিষ্ট কাললৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ আন্দোলন ঘোষণা, মেৰাপানীত অৱস্থান ধৰ্মঘট পালন

**অসম বাৰ্তা, মেৰাপানী, ১৩ নৱেম্বৰ ঃ** সদৌ অসম পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰী পৰিষদে আজিৰে পৰা অনিৰ্দিষ্ট কাললৈ আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰি জিলাই জিলাই পৰিষদৰ সদস্য কৰ্মচাৰী সকলে জিলা আয়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰদান কৰাৰ লগতে উন্নয়ন খণ্ড সমূহত অধীনস্থ কৰ্মচাৰী সকলে ধৰ্মঘট পালন কৰে। গোলাঘাট জিলাৰ মেৰাপানীৰ গমাৰি গুৰি উন্নয়ন খণ্ডতো আজি গমাৰি গুৰি উন্নয়ন খণ্ডৰ অধীনৰ পঞ্চায়ত সমূহৰ ঠিকাভিত্তিক কৰ্মচাৰী সকলে অৱস্থান ধৰ্মঘট পালন কৰে। দিনৰ ১১ বজাৰ পৰা দিনৰ দুই বজালৈকে এই ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। আজি প্ৰতিবাদ কাৰীৰ হৈ যতি বিশ্বকৰ্মাই জানিবলৈ দিয়া মতে ১৮ নৱেম্বৰ পৰা ধাৰাবাহিক আন্দোলন গঢ়ি তুলিব লগতে তেওঁলোকৰ দাবী- বৰ্তমানে পোৱা বেতনৰ উপৰিও ন্যূনতম ৩০, ০০০ টকাৰ এককালীন বেতন বৃদ্ধি কৰি সমকামৰ সমমৰ্যাদা প্ৰদান কৰা, প্ৰতি বছৰে ন্যূনতম ১০শ্ব বেতন বৃদ্ধিৰ স্থায়ী ভাৱে প্ৰয়োগ কৰা, দীৰ্ঘদিনীয়া আগবঢ়োৱা সেৱাৰ স্বীকৃতি হিচাপে ৬০ বছৰ বয়সলৈ চাকৰি সুৰক্ষা নিশ্চিত কৰণ কৰা আৰু HR Policy নীতি প্ৰণয়ন আৰু প্ৰয়োগৰ জৰিয়তে অধিকাৰ সুনিশ্চিত কৰা। উক্ত দাবী সমূহ অসম চৰকাৰে তৎকালে পুৰন নকৰিলে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰী সকলে ধাৰাবাহিক আন্দোলন চলাই যাব বুলি আজি প্ৰতিবাদ স্থলিৰ পৰাই অসম চৰকাৰক হুংকাৰ প্ৰদান কৰে।

### এগৰাকী মহিলা কৃষকৰ অৱস্থা সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি

# ধান কাটি থকা অৱস্থাত কৃষকক উৰনীয়া বনৰীয়া বৰ মৌৰ আক্ৰমণ

**অসম বাৰ্তা, বৰহাট, ১৩ নৱেম্বৰ ঃ** চৰাইদেউ জিলাৰ বৰহাট চৰাইপুং বিমলাপুৰ অঞ্চলৰ কৃষি পথাৰত ধান কাটি থকা অৱস্থাত আকাশৰ উপৰে উৰি যোৱা বৰমৌৰ এটা জাকে কৃষকক আক্ৰমণ কৰি কামোৰৰ ফলত কেইবা গৰাকী কৃষক মৌৰ আক্ৰমণৰ বলি হ'ব লগা হয়। ঘটনাৰ বিৱৰণী মতে আজি বৰহাট চৰাইপুং বিমলাপুৰ অঞ্চলৰ ডাবলুহাবি গাঁৱত আঘোনৰ এই বতৰত আন দিনাৰ দৰে আজিও পুৱা নমান বজাৰ পৰা কৃষক সকলে পথাৰত নামি ধান কাটিবলৈ আৰম্ভ কৰে। চৰাইপুং অঞ্চলৰ ডাবলুহাবি গাৱৰ খেতি পথাৰত আজি পুৱাৰ ভাগত প্ৰায় ১০ - ৩০ বজাত ধান কাটি থকা অৱস্থাত হানা আচাৰ্যী বয়স ৪৮ বছৰ, মণিৰাম ব্যাক্তি ৫৯ বছৰ, আৰু মাকদালি বাৰলা ৪৩ বছৰ, নামৰ খেতিয়ক তিনি গৰাকীক আক্ৰমণ কৰে। বনৰীয়া মৌৰ উপৰ্যুপৰি কামোৰত তথা আক্ৰমণত হানা আচাৰ্যী ৪৮ বছৰ নামৰ মহিলা গৰাকী সজ্ঞাহীন হৈ পৰে। পৰৱৰ্তী সময়ত অনান্য খেতিয়ক সকলে মহিলা গৰাকীক ঘটনা স্থলীৰ পৰা উদ্ধাৰ কৰি খেতি পথাৰৰ কাষৰে আশা হৰৰ ঘৰলৈ নিয়ে আৰু পৰিয়ালৰ লোকক খবৰ দিয়ে। লগে লগে আশা হৰৰই ১০৮ লৈ খবৰ কৰে। ঘটনাস্থলীত ১০৮ ৰে উপস্থিত হৈ হানা আচাৰ্যী নামৰ মহিলা গৰাকীক ৰজা পুখুৰী জিলা চিকিৎসালয়লৈ চিকিৎসাৰ বাবে নিয়া লৈ যায়।

## মেৰাপানী টাউন উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী সফল সামৰণি

**অসম বাৰ্তা, মেৰাপানী, ১৩ নৱেম্বৰ ঃ** অসম-নাগালেণ্ড সীমান্তৱৰ্তী গোলাঘাট জিলাৰ মেৰাপানী টাউন উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী অনুষ্ঠান আজি সফল সামৰণি পৰে। আজি বিদ্যালয়ৰ সোণালী জয়ন্তী সামৰণি অনুষ্ঠানত পুৱা ১০ মেৰাপানী টাউন উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তীৰ উপলক্ষে স্থানীয় বিদ্যালয়সমূহ আৰু অভিভাৱক সকলৰ সহযোগত এক বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা বাহিৰ কৰা হয়, শুভাযাত্ৰা উদ্বোধন কৰে, গোলাঘাট পূব শিক্ষাখণ্ডৰ বি অ অৱনি গগৈয়ে। দুপৰীয়া এক বজাত মুকলি সভা অনুষ্ঠিত হয়। প্ৰধান শিক্ষক নগেন বৰাই আঁত ধৰা সভাখনত সভাপতিত্ব কৰে ড° বিদুৰ কুমাৰ বৰুৱাই, সভাত বিশিষ্ট শিক্ষাবিদ, ড°দীনেশ গগৈ, সমাজকৰ্মী, পোনা বৰা, হাইস্কুল শিক্ষক সংস্থাৰ জিলা সমিতিৰ, সভাপতি অঞ্জন বৰা, সম্পাদক প্ৰাঞ্জল প্ৰদীপ শৰ্মা, নৱ নিৰ্বাচিত সম্পাদক মৃগেন বৰা, ৰাজ্যিক সদস্য অজিত শইকীয়া, গোলাঘাট জিলা কৰ্মচাৰী পৰিষদৰ, সম্পাদক প্ৰবীণ গগৈ, গোলাঘাট জিলা সাহিত্য সভাৰ সম্পাদক দুলাল চন্দ্ৰ দাস, দৈয়াং শাখা সাহিত্য সভাৰ সভাপতি, কৃষ্ণ দত্ত, আলোক সন্ধানী শাখা সাহিত্য সভাৰ, সভাপতি মদন গগৈকে ধৰি জিলা খনৰ কুৰি খনৰো অধিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক, অধ্যক্ষ আৰু সহকাৰী শিক্ষক শিক্ষয়িত্ৰী উপস্থিত থকাৰ লগতে দৈয়াংৰ কুৰিখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# বীৰছা মুণ্ডাৰ জন্ম-জয়ন্তী উপলক্ষে বৰক্ষেত্ৰীত সজাগতা সভা

### নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ ৫৩ নং জয়সাগৰ-কেকানকুছি গাঁও পঞ্চায়তৰ উদ্যোগত নাৰুৱাত সজাগতা সভা

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৩ নৱেম্বৰ ঃ** বীৰছা মুণ্ডাৰ জন্মজয়ন্তী উপলক্ষে নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত নাৰুৱাত আজি এখন গুৰুত্বপূৰ্ণ সজাগতা সভা অনুষ্ঠিত হয়। উল্লেখ্য যে বীৰছা মুণ্ডাৰ জন্ম জয়ন্তী উপলক্ষে ২০২৪ চনৰ নৱেম্বৰ মাহৰ পৰা প্ৰতি বছৰে অনুষ্ঠিত হৈ আহিছে এই সজাগতা সভাখন। সজাগতা সভাখনৰ মূল উদ্দেশ্যে হৈছে জনজাতীয় লোকসকলক চৰকাৰী আঁচনি লাভ কৰাৰ ক্ষেত্ৰত সকলো প্ৰকাৰৰ সা-সুবিধা প্ৰদান কৰা। ভাৰত চৰকাৰৰ লগতে অসম চৰকাৰৰ বিভিন্ন বিভাগৰ অধীনত আঁচনি আৰু বিভিন্ন সা-সুবিধা কেনেকৈ লাভ কৰিব পাৰি সেই সম্পৰ্কে ৰাইজক সজাগ-সচেতন কৰাৰ উদ্দেশ্যে আয়োজিত সভাখনত উপস্থিত থাকে বৰক্ষেত্ৰী খণ্ড উন্নয়ন বিষয়া নিশি নাথ শৰ্মা, নলবাৰী জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সম্প্ৰসাৰণ বিষয়া দ্বীপেন মেনা, বৰক্ষেত্ৰীৰ ৰামপুৰ কৃষি উন্নয়ন বিষয়া জ্যোতিস্মান শৰ্মা, স্বাস্থ্য আৰু সমাজ কল্যাণ বিভাগৰ নাৰুৱা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক মনোৱাৰা খাতুন, ৰেচম বিভাগৰ থানেশ্বৰ ডেকা, ৫৩ নং জয়সাগৰ-কেকানকুছি গাওঁ পঞ্চায়তৰ সভানেত্ৰী নন্দিতা বৰ্মণ বৈশ্য, ৫৩ নং জয়সাগৰ-কেকানকুছি গাঁও পঞ্চায়তৰ সচিব নুৰুল ইছলাম, পঞ্চায়তখনৰ এম.টি.এচ হৃষীকেশ ভট্টাচাৰ্য, সুৰজিৎ ৰাজবংশী প্ৰমুখ্যে ভালেমান জনজাতীয় মহিলাৰ লগতে স্থানীয় লোক উপস্থিত থাকে।

## শিশু দিৱস উপলক্ষে প্ৰতিযোগিতা আৰু নাট্যানুষ্ঠান

**অসম বাৰ্তা, যোৰহাট, ১৩ নৱেম্বৰ ঃ** যোৰহাট মহানগৰীৰ উপকণ্ঠৰ কেন্দুগুৰিৰ যুতি মইনা পাৰিজাতে কেন্দুগুৰি সাংস্কৃতিক সমাজৰ সহযোগত পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনত শিশুদিবস পালনৰ আয়োজন কৰিছে। কেন্দুগুৰি সাংস্কৃতিক সমাজৰ প্ৰেক্ষাগৃহত শিশুদিৱসৰ লগত সংগতি ৰাখি ১৬ নৱেম্বৰত শিশুসকলৰ মাজত চতুৰ্থ শ্ৰেণীলৈকে বাদ্যযন্ত্ৰ বা ট্ৰেক নোহোৱাকৈ ড° ভূপেন হাজৰিকা, বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা আৰু জুবিন গাৰ্গৰ গীত আৰু গীতৰ আধাৰত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। পঞ্চমৰ পৰা সপ্তম শ্ৰেণীলৈ যিকোনো কবিতা আবৃত্তি আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা, অষ্টমৰ পৰা দশম শ্ৰেণীলৈ যিকোনো কবিতা আবৃত্তি আৰু জৱাহৰলাল নেহৰুৰ বিষয়ে বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধ্যা ৬-৩০ বজাৰ পৰা দেৱযানী ভাগৱতী নাথ ৰচিত আৰু চন্দন ঠাকুৰ পৰিচালিত মহিলাৰ দ্বাৰা অভিনীত নাটক চেনেহীৰ চেনেহ আৰু যুতি মইনা পাৰিজাতৰ মইনাসকলৰ দ্বাৰা দেৱব্ৰত মহন্ত ৰচিত আৰু অঞ্জিষ্ণু গৌতম পৰিচালিত নাটক বিভ্ৰান্তিৰ বান বিশ্বাসৰ গান মঞ্চায়ন হ'ব। উদ্যোক্তাসকলে ৰাইজৰ সহযোগিতা কামনা কৰাৰ লগতে সবিশেষ জানিবৰ বাবে দূৰভাষ-৯৪৩৫০৯৩১৫০ যোগাযোগ কৰিবৰ বাবে আহ্বান জনাইছে।

## ডিব্ৰুগড় জিলা পুথিভঁৰালত অসম আই.টি.আই.ৰ নৱাগতা আদৰণী সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৩ নৱেম্বৰ ঃ** ডিব্ৰুগড় চহৰৰ মিলন নগৰস্থিত এ.পি.এন.আই অধীনৰ অসম আই টি আইৰ বিশেষ অনুষ্ঠান দিনজোৰা কাৰ্যসূচীৰে ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত নৱাগতা আদৰণী সভা অনুষ্ঠিত হয়। বন্তি প্ৰজ্জ্বলনৰে আৰম্ভ হোৱা নৱাগতা আদৰণী সভাত 'অনুশীলন' শীৰ্ষক কাৰ্যসূচীত অসম আই.টি. আইৰ মুৰব্বী প্ৰাঞ্জল ফুকনে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক কৰ্ষণৰ সু-প্ৰচেষ্টাক শলাগ লয়। অনুষ্ঠানৰ আৰম্ভণিতে সূৰ্যকণ্ঠ জুবিন গাৰ্গলৈ শ্ৰদ্ধাজনাই তেখেতৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনৰ লগতে মাল্যাৰ্পণ কৰে আই.টি. আই মুৰব্বী গৰাকীয়ে। ছাত্ৰ-ছাত্ৰী সকলে 'মায়াবিনী ৰাতি বুকুত'- শীষক গীত পৰিৱেশন কৰে। অনুষ্ঠানত সাংস্কৃতিক কাৰ্যক্ৰমত গীত-নৃত্য-কবিতা পাঠেৰে অনুষ্ঠানটি জীপাল কৰি তোলে ছাত্ৰ-ছাত্ৰী সকলে। সঞ্চালক গৌতম দাসে আঁতধৰা অনুষ্ঠানত সন্মানীয় অতিথিৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীকে প্ৰমুখ্যকৰি অভিভাৱক সকল উপস্থিত থাকে।

### মুখ্য নিৰ্বাচনী আয়ুক্তলৈ স্মাৰক-পত্ৰ প্ৰেৰণ

# ২০২৬ৰ বিধানসভা নিৰ্বাচন 'বেলট পেপাৰ' ব্যৱহাৰৰ দাবী

**অসম বাৰ্তা, লীলাবাৰী, ১৩ নৱেম্বৰ ঃ** আগন্তুক ২০২৬ বৰ্ষৰ অসম বিধান সভাৰ নিৰ্বাচনত 'বেলট পেপাৰ' ব্যৱহাৰৰ দাবীৰে আজি মুখ্য নিৰ্বাচনী আয়ুক্তলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে লখিমপুৰৰ মানৱ অধিকাৰ কৰ্মী ৰাজু সিংহই। লখিমপুৰ জিলা মুখ্য নিৰ্বাচনী বিষয়াৰ জৰিয়তে প্ৰেৰণ কৰা পত্ৰখনত তেওঁ কয় যে বিগত প্ৰায় দুই দশক ধৰি ভাৰতত বৈদ্যুতিক ভোটিং মেছিন চমুকৈ EVM ৰ জৰিয়তে নিৰ্বাচন সংস্থাৰ দ্বাৰা নিৰ্বাচন অনুষ্ঠিত হৈ আহিছে, যদিও এই EVMৰ ওপৰত শাসকক বিৰোধীয়ে প্ৰায়ে প্ৰশ্ন উত্থাপন কৰি আহিছে। বৰ্তমান বহু ভাৰতীয়ৰ লগতে অসমবাসী বহু লোকৰ এই EVM যন্ত্ৰৰ ওপৰত বিশ্বাস নোহোৱা হৈছে। ইয়াৰ মাজতে নিৰ্বাচন আয়োগে সদ্যসমাপ্ত BTR এলেকাৰ প্ৰায় ৪০ লাখ জনসাধাৰণৰ নিৰ্বাচন বেলট পেপাৰৰ জৰিয়তে স্বচ্ছ আৰু নিখুঁতভাৱে সম্পন্ন কৰাত কোনো পক্ষই এই নিৰ্বাচনক লৈ প্ৰশ্ন উত্থাপন কৰা দৃষ্টিগোচৰ হোৱা নাই। ঠিক তেনেদৰে, দেশৰ উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনতো বেলটৰ জৰিয়তে অনুষ্ঠিত কৰা বিভিন্ন মাধ্যমত দেখিবলৈ পোৱা গৈছে। আগন্তুক অসম বিধানসভাৰ নিৰ্বাচন ২০২৬ চনৰ এপ্ৰিল বা মে' মাহৰ ভিতৰত অনুষ্ঠিত হব। সেয়ে, অসমৰ আগন্তুক বিধানসভা নিৰ্বাচনত বেলট পেপাৰ ব্যৱহাৰৰ জৰিয়তে ভোটদান অনুষ্ঠিত কৰিবলৈ দাবী জনাই মানৱ অধিকাৰ কৰ্মীগৰাকীয়ে অসমৰ মুখ্য নিৰ্বাচনী আয়ুক্তলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰে।

### অভয়াপুৰী সমজিলাত একতাৰ পদযাত্ৰা

# লৌহ মানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০ বছৰীয়া জন্ম শতবাৰ্ষিকী




**অসম বাৰ্তা, অভয়াপুৰী, ১৩ নৱেম্বৰ ঃ** অভয়াপুৰী সমজিলা প্ৰশাসন আৰু মাই ভাৰত কেন্দ্ৰৰ বিষয়াৰ বঙাইগাঁওস্থিত কাৰ্যালয়ৰ যৌথ উদ্যোগত আজি অভয়াপুৰীত 'জাতীয় গৌৰৱৰ পোষকতা, নাগৰিক সংযোগ, আৰু ঐক্যৰ মনোভাৱ শক্তিশালী কৰাৰ বাবে জীৱনজুৰি কাম কৰা লৌহ মানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০বছৰীয়া জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি অভয়াপুৰীৰ বাপুজী হাইস্কুলৰ খেলপথাৰৰ পৰা অভয়াপুৰী গান্ধী ময়দানলৈ সমজিলা পৰ্যায়ত একতাৰ পদযাত্ৰা উলিওৱা হয়। অভয়াপুৰী সমজিলাৰ আয়ুক্ত শান্তা কাৰ্কী চেত্ৰী, সহকাৰী আয়ুক্ত প্ৰশান্ত বৰা, শ্ৰেয়া ঘোষ, অনুপম দাস, আৰফান খানৰ লগতে বিভিন্ন চৰকাৰী বিষয়া-কৰ্মচাৰী, শিক্ষক, ছাত্ৰ-ছাত্ৰী, মহিলা আত্মসহায়ক গোটৰ সদস্যা, সমাজ কৰ্মীৰ লগতে বয়োজেষ্ঠ ব্যক্তি তথা বহুতো গণ্য মান্য ব্যক্তিয়ে আজিৰ এই পদযাত্ৰা কাৰ্যসূচীত অংশ গ্ৰহণ কৰে। ভাৰতৰ লৌহ মানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০ সংখ্যক জন্ম জয়ন্তী উপলক্ষে আয়োজন কৰা এই কাৰ্যসূচী দেশব্যাপী পদক্ষেপৰ লক্ষ্য হৈছে ভাৰতৰ যুৱক-যুৱতীসকলৰ মাজত ঐক্যৰ মনোভাৱ, দেশপ্ৰেম আৰু নাগৰিক দায়বদ্ধতাৰ মনোভাৱ জাগ্ৰত কৰাৰ সমান্তৰালকৈ ভাৰতক এক জাতিলৈ একত্ৰিত কৰা উত্তৰাধিকাৰীক সন্মান জনোৱা। এই অভিযানৰ লক্ষ্য হৈছে যুৱক-যুৱতীসকলক তেওঁলোকৰ দৈনন্দিন জীৱন আৰু নাগৰিক সংযোগ, এক ভাৰত, আত্মনিৰ্ভৰশীল ভাৰতৰ আদৰ্শ গ্ৰহণ কৰিবলৈ উৎসাহিত কৰা। আজিৰ একতাৰ পদযাত্ৰাৰ পিছত অভয়াপুৰী গান্ধী ময়দানত সাংস্কৃতিক কাৰ্যসূচীও অনুষ্ঠিত কৰা হয়।

## ডিব্ৰুগড়ত স্বেচ্ছাসেৱী সংগঠন নব্যজাগৰণৰ উদ্যোগত জিলাভিত্তিক হৰিনাম প্ৰতিযোগিতা সমাপ্তি ঃ শ্ৰেষ্ঠ দুলিয়া গাঁৱৰ যুৱ দল

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৩ নৱেম্বৰ ঃ** ডিব্ৰুগড়ৰ অন্যতম স্বেচ্ছাসেৱী সংগঠন 'নব্য জাগৰণ সৃষ্টিশীল সংস্থা (নেক)'ৰ সাংস্কৃতিক বিভাগ আৰু ৰৌমাৰী দিহিঙ্গীয়া গাঁৱৰ সমূহ ভক্তপ্ৰাণ ৰাইজৰ সহযোগত অনুষ্ঠিত জিলা ভিত্তিত চতুৰ্থ বাৰ্ষিক 'হৰিনাম' প্ৰতিযোগিতাখনি সফলতাৰে সম্পন্ন হয়। নেক'ৰ উপদেষ্টা বলোৰাম গগৈয়ে মঞ্চ উদ্বোধন কৰাৰ পিছতে নেক'ৰ সভাপতি ডাঃ অৰুণ কুমাৰ দিহিঙ্গীয়াই বন্তি প্ৰজ্বলন কৰে আৰু ভকত বৈষ্ণৱে ভাগৱত স্থাপন কৰে। আদৰণি সমিতিৰ সভাপতি ভৱ গগৈয়ে আদৰণি ভাষণ প্ৰদান কৰাৰ পিছত মুখ্য অতিথি হিচাপে উপস্থিত থাকি আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ সম্প্ৰসাৰণ কাৰ্যবাহী বিষয়া জিন্তু চেতীয়াই প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে। অনুষ্ঠানত উপস্থিত থাকি বিশিষ্ট অনাতাঁৰ শিল্পী দুৰ্লভ বুঢ়াগোহাঁয়ে বক্তব্য প্ৰদান কৰে। চাৰিটা বিশেষ দলে এই অংশ গ্ৰহণ কৰা জিলা ভিত্তিত হৰিনাম প্ৰতিযোগিতাখনিত বৰবৰুৱা দুলীয়া গাঁৱৰ যুৱ দলে প্ৰথম স্থান, নতুন বলাই গাঁৱৰ দলে দ্বিতীয় স্থান আৰু বৰবৰুৱা শুভাচুক গাঁৱৰ দলে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। নতুন বলাই গাঁৱৰ দলপতি সঞ্জীৱ সোণোৱালে শ্ৰেষ্ঠ নামাচাৰ্য বঁটা লাভ কৰি গৌৰৱ কঢ়িয়াই আনে। সম্পূৰ্ণ আধ্যাত্মিক পৰিৱেশত অনুষ্ঠিত অনুষ্ঠানটিত উদয়পুৰ নিৱাসী প্ৰসন্ন দিহিঙ্গীয়াই তেওঁৰ প্ৰয়াত পত্নী ননীমাই গাগৈৰে সোঁৱৰণত নগদ মানিসহ প্ৰথমটো বঁটা আগবঢ়ায়।

# জনজাতিকৰণ প্ৰাপ্তিৰ দাবীত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ অসমজুৰি বাইক ৰেলী

**অসম বাৰ্তা, বৰহাট, ১৩ নৱেম্বৰ ঃ** ছয় জনগোষ্ঠী জনজাতি কৰণৰ দাবীত সমগ্ৰ অসমত ধৰ্ণা, জোঁৰ সমদল, অৱস্থান ধৰ্মঘট আদি কাৰ্যসূচী ৰূপায়ণ হৈ থকাৰ মাজতে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ কেন্দ্ৰীয় সমিতিৰ নেতৃত্ব অৰ্থাৎ উপ-সভাপতি ঈশ্বাক লাক্ৰা সৱল নেতৃত্বত উদালগুৰি পৰা চাহ জনগোষ্ঠী লোক সকলক ২০২৬ৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত জনজাতি কৰণৰ দাবীত আৰম্ভ কৰা ১৫ দিনীয়া বাইক ৰেলী আজি ছয় দিনত ভৰি দিয়ে। আজি দিনৰ দুপৰীয়া ডিব্ৰুগড় জিলাৰ নামৰূপৰ দিশৰ পৰা দিচাং নদী পাৰ হৈ ঐতিহাসিক চৰাইদেউ জিলা টিটলাগড় পাঁচ আলিত উক্ত বাইক ৰেলী উপস্থিত হয়হি। উল্লেখ্য কৰা প্ৰয়োজন পোন্ধৰ দিনীয়া এই বাইক ৰেলী নৱেম্বৰ মাহৰ ৮ তাৰিখৰ পৰা অৰ্থাৎ সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰদীপ নাগদেৱৰ সমাধি ক্ষেত্ৰ পৰা জনজাতিটোৰ ন্যায় দাবী তথা জনজাতি কৰণ, চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি আদি কৰি কেইবাটাও দাবীৰে আৰম্ভ কৰা ৰেলীৰ কাৰ্যসূচীত উদালগুৰি জিলাখনৰ কেইবাটাও অঞ্চলৰ সভাপতি সম্পাদকে অংশ কৰিছে। সদৌ অসম আদিবাসী লোক সকলৰ দাবীসমূহ পূৰণ নকৰিলে অনাগত দিনত শাসনাধিষ্ট বি জে পি চৰকাৰখনক '২৬ৰ বিধানসভা নিৰ্বাচনত ধনু কাড়ে প্ৰত্যুত্তৰ দিব বুলিও আজি চৰাইদেউ জিলাৰ বৰহাট অঞ্চলৰ টিটলাগড় চাৰিআলিত উপস্থিত হোৱা বাইক ৰেলীত অংশগ্ৰহণ কৰা আছাৰ নেতৃত্বই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন